● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

www.dainikagradoot.in

## দিগ্‌দৰ্শন

এজন পুৰুষৰ চৰিত্ৰৰ আচল জোখ-মাখ নিৰ্ভৰ কৰে তেওঁৰ স্ত্ৰীৰ স্বাস্থ্যৰ ওপৰতহে।

চিৰিল কন্ন'লী
*ব্ৰিটিছ সাহিত্যিক-সমালোচক*



৭ অহা মাহত হ'ব জি এছ টি পৰিষদৰ বৈঠক
১৫ টেষ্ট দললৈ প্ৰত্যাৱৰ্তন পূজাৰাৰ
৪ ৰেপ'ৰেট বৃদ্ধিয়ে দ্ৰব্যমূল্য হ্ৰাস কৰিবনে?

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২২২তম সংখ্যা ● গুৱাহাটী ● সোমবাৰ ৮ জেঠ ১৪২৯ ভাস্কৰাব্দ ২৩ মে' ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Monday 23 May 2022 মূল্য ঃ ৯.০০ টকা

## বৈষম্যৰ পাহাৰ

■ প্ৰাঞ্জলসেন ডেকা

**ভাৰতত** আৰ্থিক বৈষম্য নতুন কথা নহয় যদিও দিনে দিনে ইয়াৰ মাত্ৰা বৃদ্ধিয়ে ভয়াৱহতাৰ ইংগিত দিছে। এনে বৈষম্যৰ পাহাৰে দেশক অস্থিৰ কৰি তোলাৰ দিশত অগ্ৰসৰ হৈছে। সম্প্ৰতি স্বয়ং প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অৰ্থনৈতিক উপদেষ্টা পৰিষদে দেশত আয়ৰ ক্ষেত্ৰত হোৱা বৈষম্যৰ এক গভীৰ উদ্বেগজনক প্ৰতিবেদন প্ৰকাশ কৰিছে। মাত্ৰ এক শতাংশ লোকেই যে দেশৰ সম্পদ তথা আয় কুক্ষিগত কৰি লৈছে, সেয়াই এই প্ৰতিবেদনত স্পষ্ট হৈছে। ইয়াৰ বিপৰীতে ৫৪.৯ শতাংশ পৰিয়ালে সম্পদৰ একেবাৰে ১০ পৃষ্ঠাত চাওক

■ দুগৰাকী মহিলাসহ ছজনক গ্ৰেপ্তাৰ ■ স্পৰ্শকাতৰ স্থানত আৰক্ষী-অৰ্ধসামৰিক বাহিনীক নিয়োগ ■ পুনৰ থানাত আক্ৰমণ কৰি অস্ত্ৰ-শস্ত্ৰ লুটৰ আশংকা ■ চেপা উত্তেজনা অব্যাহত

# থানা আক্ৰমণকাৰীৰ বাসগৃহ উচ্ছেদ



বাসগৃহ উচ্ছেদক লৈ প্ৰতিক্ৰিয়া ■ বেআইনী কাৰ্যকলাপ অব্যাহত থকাৰ দাবী আৰক্ষীৰ

বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা
**নগাঁও/বটদ্ৰৱা, ২২ মে' ঃ** এজন অভিযুক্তৰ আৰক্ষীৰ জিম্মাত মৃত্যু হোৱাক লৈ কালি দুই শতাধিক উন্মত্ত জনতাই বটদ্ৰৱা আৰক্ষী থানা জ্বলাই দি, লণ্ডভণ্ড কৰা ঘটনাই সৃষ্টি কৰা উত্তেজনা অব্যাহত আছে। থানা জ্বলাই দিয়া ঘটনাৰ লগত জড়িত থকাৰ অভিযোগত গ্ৰেপ্তাৰ হোৱা কে'বাজনো লোকৰ বাসগৃহ আজি পুৱাৰ পৰা অভিযান চলাই নগাঁও জিলা প্ৰশাসনে উচ্ছেদ কৰে। আজি মুঠ সাতটা বাসগৃহ উচ্ছেদ কৰা হয়। ইয়াৰে পাঁচটা বাসগৃহ আৰক্ষীৰ জিম্মাত মৃত্যু হোৱা বুলি অভিযোগ উত্থাপিত হোৱা ছফিকুল ইছলামৰ। ১০ পৃষ্ঠাত চাওক



■ অসমৰ স্থানীয় নাগৰিকে কিদৰে বাস কৰিছে সেয়াও এই ঘটনাই দেখুৱালে ঃ মুখ্যমন্ত্ৰী ■ কঠোৰ হাতেৰে দমন কৰিম এনে পৰিস্থিতি

## বটদ্ৰৱাই দেখুৱালে অসমৰ পৰিৱেশ কিমান ভয়াৱহ আৰু বিপজ্জনক

অগ্ৰদূত প্ৰতিবেদক
**নতুন দিল্লী, ২২ মে' ঃ** বটদ্ৰৱাত উন্মত্ত জনতাই আৰক্ষী থানা জ্বলাই দিয়া ঘটনাৰ প্ৰসংগত আজি ইয়াত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসমৰ পৰিৱেশ বিপজ্জনক বুলি মন্তব্য কৰে। মুখ্যমন্ত্ৰীয়ে কয়, 'আমি বিভিন্ন সভা-সমিতিত কিছুমান কথা ক'লে সেইবোৰ বেছিকৈ কোৱা হৈছে বুলি



একাংশ লোকে অভিযোগ কৰে। তেওঁলোকে কয় যে সেইবোৰ বাস্তৱ নহয়, সঁচা নহয়। কিন্তু বটদ্ৰৱাৰ ঘটনাটোৱে আমাক নিৰ্মমভাৱে প্ৰদৰ্শন কৰি থৈ গ'ল যে অসমৰ পৰিৱেশ কিমান ভয়ানক, কিমান বিপজ্জনক। অসমৰ স্থানীয় নাগৰিকে কেনেকৈ বাস কৰিছে সেয়াও এই ঘটনাই প্ৰদৰ্শন কৰি থৈ গ'ল। ১০ পৃষ্ঠাত চাওক

## গাঁও জ্বলাই দিয়াৰ হুংকাৰ আঠখেলীয়াৰ অভিযুক্তৰ পৰিয়ালৰ

নাজিদুলক সুৰক্ষা দিয়াৰ অভিযোগ আৰক্ষী-চিকিৎসকৰ বিৰুদ্ধে

বিশেষ সংবাদদাতা
**গোলাঘাট, ২১ মে' ঃ** গোলাঘাট জিলাৰ ঘিলাধাৰী আৰক্ষী থানাৰ অন্তৰ্গত আঠখেলীয়াৰ বেবেজীয়া অঞ্চলত যোৱা ১৯ মে'ৰ নিশা সংঘটিত লোমহৰ্ষক হত্যাকাণ্ডৰ ঘটনাৰ উত্তেজনা আজিও মাৰ যোৱা নাই। সেইদিনা নিশা ১.৩০ বজাত নাজিদুল ১০ পৃষ্ঠাত চাওক

■ চাৰিগুণ বৃদ্ধি নাৰী সৰবৰাহৰ ঘটনা ■ ২০২০ত ১,৭৩৬ টাৰ বিপৰীতে ২০২১ত ৩,৭৪৭টা ধৰ্ষণ ■ ২০২০ত ৪,৭৯২টাৰ বিপৰীতে ২০২১ত ৭,৬৯১টা নাৰী অপহৰণৰ ঘটনা

## ৰাজ্যত নাৰীৰ বিৰুদ্ধে অপৰাধ দুগুণ বৃদ্ধি

ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ২২ মে' ঃ** ২০২০ বৰ্ষত মহিলাৰ বিৰুদ্ধে অপৰাধৰ ক্ষেত্ৰত ১৫৪.৩ শতাংশ হাৰে দেশৰ ভিতৰতে শীৰ্ষস্থান দখল কৰা অসমত ২০২১ বৰ্ষতো অভিলেখ সংখ্যক নাৰীজনিত অপৰাধ সংঘটিত হোৱাৰ উদ্বেগজনক তথ্য পোহৰলৈ আহিছে। অসম আৰক্ষীৰ শীৰ্ষ সূত্ৰই সদৰী কৰা অনুসৰি, ২০২০ত ৰাজ্যত ২১,৯১৪টা মহিলাৰ বিৰুদ্ধে অপৰাধ সংঘটিত হৈছিল। ইয়াৰ ১,৭৩৬টা ধৰ্ষণ, ৫৩টা নাৰী সৰবৰাহ, ১২৪টা যৌতুকজনিত হত্যা, ৪,৭৯২টা অপহৰণ আৰু ১১,৩৮৯টা স্বামী নিৰ্যাতনৰ ঘটনা আছিল। দেশৰ ভিতৰতে নাৰীজনিত ১০ পৃষ্ঠাত চাওক

ৰাজ্যত সংঘটিত মহিলাজনিত অপৰাধৰ বৰ্ষ ভিত্তিক পৰিসংখ্যা

| বৰ্ষ | ধৰ্ষণ | সৰবৰাহ | যৌতুকত মৃত্যু | স্বামীৰ নিৰ্যাতন | অপহৰণ |
|---|---|---|---|---|---|
| ২০২১ | ৩,৭৪৭ | ২১৮ | ১৩৫ | ১৪,৪৫২ | ৭,৬৯১ |
| ২০২০ | ১,৭৩৬ | ০৫৩ | ১২৪ | ১১,৩৮৯ | ৪,৭৯২ |
| ২০১৯ | ১,৯৫২ | ০৪৯ | ১৬৫ | ১৩,৩২০ | ৬,৩২৬ |
| ২০১৮ | ১,৯০৯ | ০৭০ | ১৬৬ | ১১,৯৯৯ | ৬২৬৯ |
| ২০১৭ | ১,৭০৮ | ০৭৯ | ১৫০ | ১০,৫৮০ | ৫,১৮৬ |
| ২০১৬ | ১,৭৭৯ | ০৬৫ | ১৫৭ | ৯,৩২১ | ৫,৩৩৯ |

■ উন্মত্ত জনতাৰ থানা জ্বলোৱাক লৈ প্ৰতিক্ৰিয়া অব্যাহত ঃ উচ্ছেদৰ বিৰোধিতা বিৰোধীৰ

## বটদ্ৰৱাৰ ঘটনাক লৈ শাসক-বিৰোধীৰ যুঁজ

ষ্টাফ ৰিপ'ৰ্টাৰ/বিশেষ সংবাদদাতা /অগ্ৰদূত বাৰ্তা
**গুৱাহাটী/তেজপুৰ/শিৱসাগৰ/ঘগ্ৰাপাৰ/উত্তৰ গুৱাহাটী/শালবাৰী, ২২ মে' ঃ** এজন অভিযুক্তৰ আৰক্ষীৰ জিম্মাত মৃত্যু হোৱাৰ অভিযোগক কেন্দ্ৰ কৰি কালিৰে পৰা বটদ্ৰৱাত অব্যাহত থকা ভয়াৱহ পৰিস্থিতিক লৈ দেশজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উন্মত্ত জনতাই বটদ্ৰৱা আৰক্ষী থানা জ্বলাই দিয়া ঘটনাত ৰাজ্য চৰকাৰৰ প্ৰতিনিধিৰ পৰা বিভিন্ন দল-সংগঠন সৰৱ হৈছে। ৰাজ্য চৰকাৰৰ মন্ত্ৰী পীযুষ হাজৰিকাই আজি প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে বটদ্ৰৱাত যিটো ঘটনা সংঘটিত হ'ল তাৰ বাবে কাকো ৰেহাই দিয়া নহ'ব। মন্ত্ৰীজনে কয়, 'এইখন চৰকাৰৰ দিনত কাকো আইন হাতত তুলি ল'বলৈ দিয়া নহ'ব। তাতকৈ ডাঙৰ কথা আৰক্ষী থানা আক্ৰমণ কৰা, থানা জ্বলাই দিয়া কাৰ্যক কোনোপধ্যে মানি লোৱা নহ'ব। বিগত পাঁচ-ছয় বছৰে বিশেষকৈ যোৱা এটা বছৰত অসম চৰকাৰে যি হাৰত ড্ৰাগছ মাফিয়া, ধৰ্ষণকাৰী, চোৰ-ডকাইতৰ বিৰুদ্ধে পদক্ষেপ গ্ৰহণ কৰিছে, তাৰ বাবে এচাম মানুহ ক্ষুব্ধ হৈ প্ৰতিক্ৰিয়া হিচাপে বটদ্ৰৱাৰ দৰে ঘটনা সংঘটিত কৰিছে। এনে ঘটনা পুনৰ হ'বলৈ দিয়া ১০ পৃষ্ঠাত চাওক

## আঠখেলীয়াৰ ডকাইতিকাণ্ডত আহত মাতৃ-পুত্ৰৰ অৱস্থাৰ উন্নতি

অগ্ৰদূত বাৰ্তা
**আঠখেলীয়া, ২২ মে' ঃ** গোলাঘাট জিলাৰ ঘিলাধাৰী আৰক্ষী থানাৰ অন্তৰ্গত আঠখেলীয়া বেবেজীয়া চাৰিঙীয়া গাঁৱৰ আবুল ৰহমানৰ কনিষ্ঠ পুত্ৰ নজিদুল ৰহমানে যোৱা শুকুৰবাৰে নিশা ১০ পৃষ্ঠাত চাওক

■ এইটো সম্পূৰ্ণ পৰিকল্পিত ঘটনা, কোনো নদাই-ভদাইৰ কাম নহয় ঃ মহন্ত ■ তদন্তৰ বাবে এছআইটি গঠন ■ ৬০ দিনত অভিযোগনামা

## আক্ৰমণত জেহাদী জড়িত থকাৰ আশংকা ব্যক্ত আৰক্ষী সঞ্চালক প্ৰধানৰ

বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা
**নগাঁও/বটদ্ৰৱা, ২২ মে' ঃ** বটদ্ৰৱা আৰক্ষী থানা আক্ৰমণৰ ঘটনা কোনো সাধাৰণ নদাই-ভদাইৰ কাম নহয় বুলি আজি মন্তব্য কৰে অসম আৰক্ষীৰ সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্তই। ঘটনাৰ বুজ ল'বলৈ বটদ্ৰৱাত উপস্থিত হোৱা সঞ্চালক প্ৰধান মহন্তই এই ঘটনা সম্পূৰ্ণ পৰিকল্পিত আছিল বুলি কয়। ভিডিঅ'সমূহ লক্ষ্য কৰিলে সেয়া স্পষ্ট হয় বুলি উল্লেখ কৰি তেওঁ এই ঘটনাত জেহাদী সংগঠনৰো সংযোগ থকাৰ আশংকা ব্যক্ত কৰে। তেওঁ কয়, 'মই জেহাদী শব্দ নকওঁ; কিন্তু আনছাৰুল বাংলা টীমৰ এটা দল ধৰা পৰিছে। ই অল কায়দাৰ এটা ঠাল। এইটোৱে মছজিদত সোমোৱাৰ চেষ্টা চলাই আছে। মাদ্ৰাছাতো সোমাইছে। তেওঁলোকৰ গতি বিধি আমি তলে তলে লৈ আছো। এই সংগঠনটোৱে কিছুমান মানুহক প্ৰৰোচিত কৰি এটা শ্লীপাৰ চেল সাজু কৰাৰ প্ৰচেষ্টা চলাই ১০ পৃষ্ঠাত চাওক

জিলাৰ স্পৰ্শকাতৰ অঞ্চলৰ নিয়মীয়া পুনৰীক্ষণৰ নিৰ্দেশ দিছপুৰৰ



## আইন বহিৰ্ভূতভাৱে গুলি নচলাবলৈ আৰক্ষীক নিৰ্দেশ গৃহ বিভাগৰ

ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ২২ মে' ঃ** কালি একাংশ উন্মত্ত লোকে বটদ্ৰৱা আৰক্ষী থানাত অগ্নিসংযোগ কৰাৰ সময়ত আৰক্ষীয়ে আক্ৰমণকাৰীৰ বিৰুদ্ধে কোনো ব্যৱস্থা গ্ৰহণ নকৰাটোৱে বিশেষ চৰ্চা লাভ কৰিছে। ইয়াৰ পূৰ্বে উন্মত্ত জনতাক নিয়ন্ত্ৰণ কৰিবলৈ আৰক্ষীয়ে লাঠিচালনা, শূন্যলৈ ১০ পৃষ্ঠাত চাওক

## জাপৰিগোগৰ হত্যাকাণ্ডত অভিযুক্তৰ বৰপুত্ৰক জেৰা

■ মহানগৰীৰ ঘটনাক লৈ চাঞ্চল্য অব্যাহত

ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ২২ মে' ঃ** মহানগৰীৰ দিছপুৰ আৰক্ষী থানাৰ অন্তৰ্গত জাপৰিগোগস্থিত বিক্ৰমপুৰৰ গৃহ নম্বৰ ৪৩ৰ গৰাকী তথা জলসিঞ্চন বিভাগৰ অৱসৰপ্ৰাপ্ত উচ্চ বৰ্গৰ সহায়ক হেমধৰ বচাবৰুৱা (৭৮)ৰ হত্যাকাণ্ডৰ ঘটনাৰ সন্দৰ্ভত আজি ভাড়াতীয়া ধৃত দম্পতীৰ বৰপুত্ৰক জেৰা কৰে আৰক্ষীয়ে। উল্লেখ্য যে যোৱা ২০ ডিচেম্বৰত নিজ গৃহতে ধৃত পত্নী ৰিমি ডেকাক কুদৃষ্টি দিয়াৰ অভিযোগত বচাবৰুৱাক ১০ পৃষ্ঠাত চাওক

## দেশৰ সৰ্বাধিক জনপ্ৰিয় মুখ্যমন্ত্ৰীৰ খিতাপ হিমন্ত বিশ্বলৈ

ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ২২ মে' ঃ** বিগত বৰ্ষত মুখ্যমন্ত্ৰীৰ আসনত বহাসকলৰ ভিতৰত সৰ্বাধিক জনপ্ৰিয়ৰূপে বিবেচিত হৈছে ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। ২০২১ত বিধানসভাৰ নিৰ্বাচন অনুষ্ঠিত হোৱা পশ্চিমবংগ, কেৰালা, অসম আৰু পুডুচেৰীত চি ভোটাৰে চলোৱা সমীক্ষাত এই তথ্য প্ৰকাশ পায়। সমীক্ষাকালত এই ৰাজ্যকেইখনৰ মুখ্যমন্ত্ৰীসকলৰ পাৰদৰ্শিতাৰ হাৰ সন্দৰ্ভত মতামত গ্ৰহণ কৰা হয়। অসমৰ ক্ষেত্ৰত ৪৩ শতাংশতকৈ অধিকে প্ৰকাশ কৰে যে তেওঁলোক মুখ্যমন্ত্ৰী শৰ্মাৰ ১০ পৃষ্ঠাত চাওক

আছা, বীৰছা কমাণ্ডো-আনলাৰ সহযোগত উদ্ধাৰ

## চিৰাঙৰ ভূটান সীমান্তত ডাইনী সন্দেহত হত্যাৰ চেষ্টা যুৱকৰ দলৰ



অগ্ৰদূত বাৰ্তা
**কাজলগাঁও, ২২ মে' ঃ** চিৰাঙৰ ৰুণিখাতাত যোৱা নিশা ডাইনীৰ সন্দেহত যুৱকৰ দল এটাই সম্বাৰু বাখলা (৪৮) নামৰ লোকজনক হত্যাৰ চেষ্টা চলায়। ৰুণিখাতা আৰক্ষী থানাৰ অন্তৰ্গত ভুৰতিন আলী ৰাণীপুৰ গাঁৱৰ লোকজনক যুৱকৰ দল এটাই বলপূৰ্বকভাৱে লৈ যায় আৰু ৰাণীপুৰ ক্লাবত দুৱাৰ বন্ধ কৰি প্ৰহাৰ কৰে। এই ঘটনাৰ বিষয়ে জানিব পাৰি আছা, বীৰছা কমাণ্ডো ফ'ৰ্চ আৰু আনলাৰ সদস্যই ঘটনাস্থলীত উপস্থিত হৈ লোকজনক ৰক্ষা কৰাৰ চেষ্টা চলাই ব্যৰ্থ হোৱাত আৰক্ষীক খবৰ ১০ পৃষ্ঠাত চাওক



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩১° | ২৩° |
| ডিব্ৰুগড় | ২৯° | ২৩° |
| দিল্লী | ৩৯° | ২৮° |
| কলকাতা | ৩২° | ২৮° |
| মুম্বাই | ৩২° | ২৯° |
| চেন্নাই | ৩৭° | ২৯° |
| বাংগালুৰু | ২৮° | ২০° |
| শ্বিলং | ২২° | ১৭° |

২২ মে', ২০২২

## অখিলৰ বিৰুদ্ধে ইউডিএফৰ গোচৰ

অগ্ৰদূত বাৰ্তা
**গৌৰীপুৰ, ২২ মে' ঃ** কালি গৌৰীপুৰ চহৰৰ পাব্লিক লাইব্ৰেৰীত ৰাইজৰ দলৰ এখন কৰ্মী সভাত অংশগ্ৰহণ কৰি দলৰ সভাপতি তথা বিধায়ক অখিল গগৈয়ে এআইইউডিএফৰ ১০ পৃষ্ঠাত চাওক

■ মুখ্যমন্ত্ৰী শৰ্মাৰ স'তে নিশা ১২ বজালৈ বৈঠকৰ পাছত সিদ্ধান্ত

## মাজনিশাৰ পাছত ঘোষণা বিজেপিৰ কাৰ্বি আংলং পৰিষদৰ প্ৰাৰ্থী তালিকা

ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ২২ মে' ঃ** ৰাজ্যিক বিজেপিয়ে যোৱা নিশা প্ৰায় এক বজাত ঘোষণা কৰিলে কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ প্ৰাৰ্থী তালিকা। পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙৰ উপস্থিতিত ৰাজ্যিক বিজেপিৰ সভাপতি



ভবেশ কলিতাই প্ৰাৰ্থী তালিকা ঘোষণা কৰে। ২৬টা পৰিষদীয় সমষ্টিৰ ভিতৰত ২৫টাৰ প্ৰাৰ্থী যোৱা নিশা ঘোষণাৰ পাছত আজি পুৱা হাওৰাঘাট পৰিষদীয় সমষ্টিৰ প্ৰাৰ্থীৰ নাম ঘোষণা কৰা হয়। সূত্ৰত প্ৰকাশ যে মাজনিশা ১২ বজালৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ স'তে এক বৈঠকৰ অন্তত ছয় পৃষ্ঠাত চাওক

চেঙা তেল



*বিৰোধীৰ আসনত বহাটোৱেই লজ্জাজনক... অহাবাৰ ক্ষমতালৈ আহিলে ৰাইজৰ বাবে এনেকৈ কাম কৰিম যে...*

■ জ্ঞানবাপী মন্দিৰৰ পাছত বিতৰ্কৰ কেন্দ্ৰবিন্দুত আন এক ঐতিহাসিক স্মৃতিসৌধ ■ কোনে সাজিছিল মিনাৰ ■ কুটুবুদ্দিন আইবাক নে ৰজা বিক্ৰমাদিত্যই ঃ দাবী পৰীক্ষাৰ প্ৰক্ৰিয়া আৰম্ভ

## কুটুবমিনাৰ খননৰ নিৰ্দেশ কেন্দ্ৰীয় চৰকাৰৰ



■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ২২ মে' ঃ** জ্ঞানবাপীৰ পাছত এইবাৰ বিতৰ্কৰ কেন্দ্ৰবিন্দু হৈছে ঐতিহাসিক কুটুবমিনাৰ। হিন্দু উপাস্য দেৱতাৰ মূৰ্তি উদ্ধাৰ হোৱাৰ পাছত বিগত কিছুদিন ধৰি দাবী উঠিছিল যে দিল্লীৰ এই স্মৃতিসৌধ প্ৰকৃতাৰ্থত হিন্দু ৰজা বিক্ৰমাদিত্যই নিৰ্মাণ কৰাইছিল। এই পৰিস্থিতিত কেন্দ্ৰীয় সাংস্কৃতিক মন্ত্ৰণালয়ে ভাৰতীয় পুৰাতাত্ত্বিক জৰীপ বিভাগ (এএছআই)ক বিষয়টো চাবলৈ খননৰ নিৰ্দেশ দিছে। কেন্দ্ৰীয় সাংস্কৃতিক সচিব গোবিন্দ মোহনে কালি কুটুবমিনাৰ অঞ্চল পৰিদৰ্শনৰ পাছত এই খননৰ নিৰ্দেশ দিয়ে। খননৰ সমীক্ষাৰ পাছত মন্ত্ৰণালয়ক প্ৰতিবেদন জমা দিবলৈ কোৱা হৈছে। কালি গোবিন্দ মোহনে তিনিজন ইতিহাসবিদ, এএছআইৰ চাৰি বিষয়া ১০ পৃষ্ঠাত চাওক

■ উদ্ধাৰ দুটা ৱাকি-টকি আৰু দুখন বিলাসী গাড়ী, কে'বাটাও ম'বাইল ফোন-আপত্তিজনক সামগ্ৰী ■ চাহ নিলাম কেন্দ্ৰত অভিযান

## তদাৰকী কোষৰ নামত ধন আদায় কৰিবলৈ আহি জালত পৰিল পাঁচ



ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ২২ মে' ঃ** মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষৰ নামত ঠিকাদাৰৰ পৰা দাবী কৰা ধন আদায় কৰিবলৈ আহি আৰক্ষীৰ জালত পৰিল পাঁচজন যুৱক। ধৃত যুৱককেইজন হৈছে বিশ্বনাথ চাৰিআলিৰ গহপুৰ আৰক্ষী থানাৰ অন্তৰ্গত যোগেন বৰুৱাৰ পুত্ৰ কিশোৰ বৰুৱা (২৭), বিহালী থানাৰ অন্তৰ্গত বৰালিমাৰাৰ ৰমেশ হাজৰিকাৰ পুত্ৰ হিৰণ্য হাজৰিকা (২৫), শিৱসাগৰৰ ডিমৌ আৰক্ষী ১০ পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত
গুৱাহাটী, ২৩ মে’, ২০২২ সোমবাৰ পৃষ্ঠা তিনি

বটদ্ৰৱাত বুলড’জাৰ চলোৱা কাৰ্যৰ তীব্ৰ বিৰোধিতা

# বলদমাৰী চৰৰ খহনীয়া প্ৰতিৰোধত চৰকাৰ ব্যৰ্থ ঃ অখিল



**অগ্ৰদূত বাৰ্তা**
**মাটিয়া, ২২ মে’ ঃ** ‘২০২১ত বিজেপিয়ে বানমুক্ত অসম গঢ়াৰ প্ৰতিশ্ৰুতি দিছিল যদিও বাস্তৱত সেয়া কাৰ্যকৰী নকৰিলে। ইপিনে, গোৱালপাৰা চহৰৰ গাতে লাগি থকা বলদমাৰী চৰৰ খহনীয়া প্ৰতিৰোধৰ ক্ষেত্ৰত চৰকাৰ সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছে। অতি শীঘ্ৰেই যদি গোৱালপাৰা চহৰ তথা বলদমাৰী চৰ ৰক্ষা কৰিবলৈ স্থায়ী খহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা নকৰে, তেন্তে ৰাইজৰ দলে সমগ্ৰ অসমজুৰি *ছয় পৃষ্ঠাত চাওক*

# ওদালগুৰিত জিঅ’ৰ ইণ্টাৰনেট সংযোগৰ কামত অঘটন

## গাঁতত পৰি এজন শ্ৰমিকৰ অকাল মৃত্যু

**বিশেষ সংবাদদাতা**
**ওদালগুৰি, ২২ মে’ ঃ** আজি দুপৰীয়া ওদালগুৰি জিলাৰ হৰিশিঙা আৰক্ষী থানাৰ অন্তৰ্গত অম্বাগাঁৱৰ সমীপৱৰ্তী বালিসিঠাত সংঘটিত হয় এক কৰুণ ঘটনা। টেলিকম বিভাগৰ কৰ্মী এজনে জিঅ’ৰ ইণ্টাৰনেট সংযোগৰ কামত নিয়োজিত হৈ থকা সময়তে গাঁতত পৰি মৃত্যু ঘটে। *ছয় পৃষ্ঠাত চাওক*

# তিনিদিনে জটিল বান পৰিস্থিতি নগাঁও চহৰত

# আজিও বিপদ সীমাৰ ওপৰেৰে কলং

**বিশেষ সংবাদদাতা**
**নগাঁও, ২২ মে’ ঃ** নগাঁও জিলাৰ নগাঁও চহৰকে ধৰি জিলাখনৰ বিভিন্ন অঞ্চলৰ বান পৰিস্থিতি সামান্য উন্নত হৈছে যদিও এতিয়াও জটিলতা দূৰ হোৱা নাই। নগাঁও চহৰৰ মাজেৰে বৈ যোৱা কলং নৈ আজি তিনিদিন ধৰি ওফন্দি উঠাত চহৰখনৰ বান পৰিস্থিতি জটিল হৈ আছে। কালি চহৰখনৰ মিলনপুৰৰ এটি পথ আৰু চহৰখনৰ গাতে লাগি থকা হৰহৰীয়া জানৰ শ্লুইছ গেট কলঙৰ পানীয়ে খহাই নিয়াত চহৰখনৰ একাংশ অঞ্চলৰ লগতে ইয়াৰ পাৰ্শ্বৱৰ্তী বিভিন্ন অঞ্চল পানীয়ে প্লাবিত কৰিছে। চহৰখনৰ শিৱনগৰ কলংপাৰ পথ, মিলনপুৰৰ একাংশ, চকীটুপ, বৈদ্যটুপ, ভূএঞাপট্টি, পুলিচ ৰিজাৰ্ভ, নেহৰুবালি, দক্ষিণ হয়বৰগাঁৱৰ একাংশ কলঙৰ পানীয়ে প্লাবিত কৰিছে। তদুপৰি চহৰখনৰ পাৰ্শ্বৱৰ্তী অঞ্চল শিয়ালমাৰী, হাতীপাৰা, শেনচোৱা, ডাকৰঘাটৰ কিছু অংশ পানীয়ে প্লাবিত কৰিছে। আজি জলসম্পদ বিভাগে সদৰী কৰা তথ্য অনুসৰি কপিলী আৰু কলং নৈৰ জলপৃষ্ঠ হ্ৰাস পাইছে যদিও দুয়োখন নদী বিপদ সীমাৰ ওপৰৰে বৈ আছে। ফলত জিলাখনৰ বান পৰিস্থিতি জটিল হৈ আছে। সূত্ৰটোৱে উল্লেখ কৰা মতে, কপিলী নদীৰ জলপৃষ্ঠ বহু পৰিমাণে হ্ৰাস পাইছে যদিও আজি কামপুৰত কপিলী নৈ বিপদ সীমাৰ ৯৮চেণ্টিমিটাৰ ওপৰেৰে বৈ আছে। আনহাতে, কলং নৈৰ জলপৃষ্ঠ কিছু হ্ৰাস পাইছে যদিও আজি বিয়লিলৈকে কলং নৈ বিপদ সীমাৰ ১.৪৯ মিটাৰ ওপৰেৰে বৈ আছে। একেদৰে ৰহাত কলং নৈৰ জলপৃষ্ঠ পূৰ্বৰ তুলনাত বহু পৰিমাণে হ্ৰাস *ছয় পৃষ্ঠাত চাওক*



## বটদ্ৰৱা থানাৰ ঘটনাৰ উচিত তদন্তৰ দাবী মানৱ অধিকাৰ সংগ্ৰাম সমিতিৰ

**অগ্ৰদূত বাৰ্তা**
**ৰহা, ২২ মে’ ঃ** নগাঁও জিলাৰ বটদ্ৰৱা থানাত এগৰাকী মাছ ব্যৱসায়ীৰ মৃত্যুৰ অভিযোগৰ ন্যায়িক তদন্ত হোৱাটো বাঞ্ছনীয়। সমান্তৰালকৈ আইন হাতত তুলি লোৱা উত্তেজিত আক্ৰমণকাৰী সকল যাতে কোনো কাৰণতে সাৰি যাব নোৱাৰে তাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ চৰকাৰক আহ্বান জনাইছে মানৱ অধিকাৰ সংগ্ৰাম সমিতিয়ে। এগৰাকী মহিলাই মটৰ চাইকেলৰ ওপৰত তেল ঢালিছে আৰু অন্য এগৰাকীয়ে জুই জ্বলাই দিছে। ই অতিশয় দোষনীয় আৰু পৰিতাপৰ বিষয়। তদুপৰি ইটা-শিল জাতীয় সামগ্ৰীৰে আৰক্ষীক নিৰ্মমভাৱে প্ৰহাৰ কৰা দুষ্কৃতিক দৃষ্টান্তমূলক শাস্তি প্ৰদান কৰিবলৈ দাবী জনাইছে *ছয় পৃষ্ঠাত চাওক*

## গোলাঘাটৰ হত্যাকাণ্ডত জড়িতৰ পক্ষত ওকালতি নকৰিবলৈ আহ্বান অনুসূচিত জাতি ছাত্ৰ সন্থাৰ

**বিশেষ সংবাদদাতা**
**শিৱসাগৰ, ২২ মে’ ঃ** শেহতীয়াকৈ গোলাঘাট জিলাৰ বেবেজিয়াত সংঘটিত হত্যাকাণ্ডৰ ঘটনাত জড়িত হৈ ওকালতি নকৰিবলৈ অধিবক্তাসকলক আহ্বান জনাইছে সদৌ অসম অনুসূচিত জাতি ছাত্ৰ সন্থাই। আজি এক বিবৃতিত সন্থাৰ সাধাৰণ সম্পাদক পৰশজ্যোতি দাসে কয় যে ডকাইতি১ উদ্দেশ্যে নাজিদুৰ ইছলাম নামৰ ঘাটকজনে দিব্যজ্যোতি দাসৰ গৃহত প্ৰৱেশ কৰি চোকা অস্ত্ৰৰে দিব্যজ্যোতিক হত্যা কৰাৰ লগতে তেওঁৰ পত্নী চুম্পী দাস আৰু ন বছৰীয়া সন্তানক ঘপিয়াই হত্যাৰ চেষ্টা চলাইছিল। এই অমানৱীয় ঘটনা সংঘটিত কৰাত নাজিদুৰে আত্মৰক্ষাৰ বাবে আইনৰ সুৰুঙাৰ সন্ধানত আছে। শেহতীয়াকৈ তেওঁক মানসিক ভাৰসাম্যহীন লোক হিচাপে সজাবলৈ চেষ্টা অব্যাহত ৰাখিছে। এই কাৰ্য কেতিয়াও গ্ৰহণযোগ্য নহয় বুলি উল্লেখ কৰি সম্পাদক দাসে কয় যে নাজিদুৰৰ দৰে দানৱৰ সমাজত জীয়াই থকাৰ অধিকাৰ নাই। সেয়েহে হত্যাত অভিযুক্তৰ বিৰুদ্ধে ওকালতি নকৰিবলৈ অধিবক্তা সমাজক আহ্বান জনাইছে অনুসূচিত জাতি ছাত্ৰ সন্থাই।

## ৰাষ্ট্ৰীয় নেতাৰ উপস্থিতিত আপৰ বৃহৎ সভাত শতাধিক কৰ্মীৰ যোগদান

**বিশেষ সংবাদদাতা**
**ডিব্ৰুগড়, ২২ মে’ ঃ** উজনিৰ ৰাজনীতিত আউল লগাব নেকি অসমত নতুনকৈ প্ৰভাৱ লাভ কৰিবলৈ সক্ষম হোৱা আম আদমী পাৰ্টিয়ে? ডিব্ৰুগড়ৰ লাহোৱালত আপৰ বৃহৎ যোগদান কাৰ্যসূচীয়ে যেন এনে প্ৰশ্নৰ অৱতাৰণা কৰিছে। ডিব্ৰুগড়ৰ লাহোৱাল মটক ভৱনত আজি অনুষ্ঠিত হোৱা আপৰ বৃহৎ সভাত হেজাৰ হেজাৰ আপৰ টুপী পতাকাৰে উপচি পৰিল। এক প্ৰকাৰে কংগ্ৰেছ শূন্য হৈ পৰিল, এসময়ৰ কংগ্ৰেছৰ দুৰ্গৰূপে খ্যাত লাহোৱাল সমষ্টিত। কেৱল কংগ্ৰেছেই নহয়, বিজেপি, অসম জাতীয় পৰিষদ, অগপ দলৰ কে’বাগৰাকী কৰ্মীয়ে আজি এই বৃহৎ সমাৰোহত যোগদান কৰে আম আদমী পাৰ্টিত। সদ্যপ্ৰাক্তন কংগ্ৰেছী নেতা তথা আপৰ নেতা মনোজ ধানোৱাৰ, আম আদমী পাৰ্টিৰ ৰাষ্ট্ৰীয় তত্ত্বাৱধায়ক ৰাজেশ শৰ্মা, ৰাজ্যিক যুটীয়া *ছয় পৃষ্ঠাত চাওক*

## মানুহৰ জীৱনত অভিজ্ঞতাই পাৰদৰ্শিতা বৃদ্ধি কৰে ঃ উপাচাৰ্য ড° জ্যোতি প্ৰসাদ শইকীয়া

সত্ৰীয়া একাডেমীৰ সমাৱৰ্তন সম্পন্ন

**অগ্ৰদূত বাৰ্তা**
**টীয়ক, ২২ মে’ ঃ** ‘নিজস্ব ক্ষেত্ৰ বা বাকধৰাত যেতিয়া মানুহৰ পাৰদৰ্শিতা বৃদ্ধি পাব লাগিব, সমান্তৰালভাৱে মানুহৰ চিন্তাৰ যিটো উত্তৰণ, সেই উত্তৰণ নিৰলস আৰু নিৰৱিচ্ছিন্নভাৱে আগবাঢ়ি যাব লাগিব।’ সত্ৰীয়া সংগীতৰ প্ৰণালীবদ্ধ পাঠ্যক্ৰম সম্বলিত পৰীক্ষা পৰিষদ সত্ৰীয়া একাডেমী, যোৰহাটে আয়োজন কৰা সমাৱৰ্তনৰ দীক্ষান্ত ভাষণ প্ৰদান কৰি এনেদৰে মনৰ অনুভৱ ব্যক্ত কৰে বীৰাংগনা পত্নী সাধনী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° *ছয় পৃষ্ঠাত চাওক*



## ৰূপেন্দ্ৰ কুমাৰ কলিতাৰ ‘মোৰ এৰি অহা জীৱনৰ কাহিনী’ উন্মোচন

**ছয়গাঁও, ২২ মে’ ঃ** ‘৮৯ বছৰতো হাতত কলম তুলি লৈ সাহিত্যৰ সেউজ পথাৰ চহকী কৰা শিক্ষাবিদ-লেখক ৰূপেন্দ্ৰ কুমাৰ কলিতা আমাৰ নমস্য। ২৬ খনকৈ গ্ৰন্থ ৰচনাৰে তেওঁ অসমীয়া সাহিত্যৰ ভেটি মজবুত কৰিছে।’ কলিতাৰ সাহিত্যত প্ৰতিফলিত হৈছে নিজৰ জীৱন-দৰ্শন আৰু ওপজা অঞ্চলৰ প্ৰতিচ্ছবি দক্ষিণ কামৰূপ বিদ্যাপীঠ হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক তথা সানপাৰা গাঁও নিবাসী ৰূপেন্দ্ৰ কুমাৰ কলিতাৰ আত্মজীৱনীমূলক গ্ৰন্থ ‘মোৰ এৰি অহা জীৱনৰ কাহিনী’ উন্মোচন কৰি নাট্যকাৰ জীৱন ভূএঞাই আজি সানপাৰাত এনেদৰে মন্তব্য কৰে। উন্মোচক ভূএঞাই কলিতাক উত্তৰ-প্ৰজন্মৰ অনুপ্ৰেৰণাৰ *ছয় পৃষ্ঠাত চাওক*

‘বন্যবন্ধুৰ’ উদ্যোগত কুকুৰমাৰাত প্ৰশংসনীয় পদক্ষেপ

## কলহী নদীৰ দুষ্প্ৰাপ্য শিহু সুৰক্ষাৰ্থে চাইকেল ৰেলীৰে সজাগতা সৃষ্টি



**ছয়গাঁও, ২২ মে’ ঃ** ‘কলহী নদীৰ শিহু বচাও আহক, নদী থাকিলেহে শিহু থাকিব, শিহু থাকিলেহে মানুহ থাকিব, কলহী নদীক ডাষ্টবিন হিচাপে ব্যৱহাৰ নকৰিব, প্ৰকৃত আমাৰ প্ৰাণী’ আদি শ্ল’গানেৰে আজি কামৰূপৰ ‘বন্যবন্ধু’ নামৰ প্ৰকৃতিপ্ৰেমী সংগঠনটোৱে এক চাইকেল ৰেলীৰে সজাগাতা সৃষ্টি কৰে। পলাশবাৰী আৰু ছয়গাঁও সমষ্টিৰ মধ্যস্থান অৱস্থিত *ছয় পৃষ্ঠাত চাওক*

## নেলীত বান পৰিস্থিতিৰ বুজ ল’লে জলসম্পদ মন্ত্ৰীয়ে



**অগ্ৰদূত বাৰ্তা**
**জাগীৰোড, ২২ মে’ ঃ** ৰাজ্যৰ কে’বাখনো জিলাৰ লগতে মৰিগাঁৱৰ নেলী অঞ্চল বানৰ কবলত পৰাত আজি স্থানীয় বিধায়ক তথা মন্ত্ৰী পীযুষ হাজৰিকাই বান পৰিস্থিতিৰ বুজ লয়। জাগীৰোড সমষ্টিৰ অন্তৰ্গত বৰখাল, মাটিৰ পৰ্বত, কুমাৰবড়ি আদি অঞ্চলত উপস্থিত হৈ মন্ত্ৰী পীযুষ হাজৰিকাই স্থানীয় লোকৰ সমস্যাৰ বুজ লয়। মৰিগাঁও জিলা উপায়ুক্ত প্ৰকাশ ৰঞ্জন ঘৰফলীয়াৰ স’তে বান পৰিস্থিতি বুজ লৈ কিছু সাহায্য প্ৰদান কৰি মন্ত্ৰী হাজৰিকাই কয়, ‘বৰখাল অঞ্চলৰ দিমাল জানত নিৰ্মাণ হৈ থকা শ্লুইছ গেটখন নিৰ্মাণ হৈ উঠিলে নেলী অঞ্চলটো আগন্তুক দিনত বান সমস্যাৰ পৰা পৰিত্ৰাণ পাব।’

## যমুনামুখত বানত উটি যোৱা যুৱকৰ মৃতদেহ উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**
**যমুনামুখ, ২২ মে’ ঃ** অৱশেষত সন্ধান ওলাল যমুনামুখৰ যুৱ ব্যৱসায়ী মিনহাজ উদ্দিন আহমেদৰ। যোৱা ১৮ মে’ত বানপানীত উটি যোৱা ব্যৱসায়ীজনৰ আজি মৃতদেহ উদ্ধাৰ হয়। উল্লেখ্য যে যমুনামুখৰ সমীপৰ বৰজাৰী মাজগাঁৱৰ মিনহাজ উদ্দিন নামৰ যুৱকজনক যমুনামুখ-সৰুপথাৰ গড়কাপ্তানী পথৰ পৰা বানপানীয়ে উটুৱাই লৈ গৈছিল। নিশা ১০ বজাত উটুৱাই লৈ যোৱা যুৱকজনক সহায় কৰিবলৈ সেই সময়ত নাও বা এনডিআৰএফৰ কৰ্মী নাছিল। ফলত পৰিয়ালৰ লোকে যুৱকজনৰ সন্ধানৰ বাবে কোনো ব্যৱস্থা কৰিব পৰা নাছিল। যোৱা তিনিদিন ধৰি পৰিয়ালৰ লোকে স্থানীয় নাৱৰীয়াৰ সহযোগত যুৱকজনৰ সন্ধান চলাইছিল যদিও কোনো সন্ধান পোৱা নাছিল। অৱশেষত আজি যমুনামুখৰ ভেৰভেৰী গাঁৱত *ছয় পৃষ্ঠাত চাওক*

জলসম্পদ বিভাগে বাৰিষাতহে সময় পালে আই নৈৰ মথাউৰি মেৰামতিৰ

## অসম্পূৰ্ণ মথাউৰি বিধ্বস্ত হোৱাৰ আশংকাই নিদ্ৰা হৰিছে সৃজনগ্ৰামবাসীৰ

**অগ্ৰদূত বাৰ্তা**
**অভয়াপুৰী, ২২ মে’ ঃ** বঙাইগাঁও জিলাৰ সৃজনগ্ৰামত আই নৈৰ বাঢ়নী পানী বিপদ সীমাৰ ওপৰেৰে বৈ যোৱা নাই যদিও অঞ্চলে-অঞ্চলে খহনীয়াৰ সৃষ্টি হোৱাত আতংকিত হৈছে নৈপৰীয়া ৰাইজ। উল্লেখ্য যে বিগত বৰ্ষৰ আগষ্টতে জিলাখনৰ উত্তৰ শালমাৰা মহকুমাৰ সৃজনগ্ৰাম অঞ্চলৰ সিদলসতী-ৰজাঘুলি মথাউৰিটোৰ লালমাটি অংশত আই নৈৰ বাঢ়নী পানীৰ ধলে বিস্তৰ অংশ খহাই নিয়াত নৈপৰীয়া ১৮ টা পৰিয়ালৰ ঘৰভেটি নৈৰ বুকুত জাহ যোৱাৰ লগতে কুৰিখনতকৈ অধিক গাঁও প্লাৱিত কৰি বিস্তৰ ক্ষতিসাধন কৰে। ৰাইজে আশা কৰিছিল যে খৰালি কালত ভগ্ন মথাউৰি নিৰ্মাণৰ ব্যৱস্থা কৰি অঞ্চলবাসীক আই নৈৰ বানৰ কবলৰ পৰা ৰক্ষা কৰিব। কিন্তু খৰালি কালত *ছয় পৃষ্ঠাত চাওক*



## কৃষি বিজ্ঞান কেন্দ্ৰৰ উদ্যোগত অভিসাৰী কৃষক সভা অনুষ্ঠিত

## উন্নত জাতৰ গাহৰি পোৱালি আৰু তাঁতশাল যোগান

**অগ্ৰদূত বাৰ্তা**
**দোতমা, ২২ মে’ ঃ** গোসাইগাঁও মহকুমাৰ তেলিপাৰাস্থিত কোকৰাঝাৰ কৃষি বিজ্ঞান কেন্দ্ৰৰ উদ্যোগত আজি বৈজ্ঞানিক পদ্ধতিত এৰী-পলু উৎপাদন, গাহৰি পালন, জৈৱিক পদ্ধতিত কাঠফুলা উৎপাদন, ষ্টেভিয়া উৎপাদন আদিৰ ওপৰত অভিসাৰী কৃষক সভা এখন অনুষ্ঠিত হয়। ভাৰতীয় কৃষি গৱেষণা পৰিষদৰ অধীনত আৰিয়া (এ আৰ ওৱাই এ) প্ৰকল্প-২০২২ দ্বাৰা কৃষি কৰ্মৰ প্ৰতি নিবনুৱা যুৱক-যুৱতীসকলক উৎসাহিত আৰু আকৰ্ষিত কৰিবলৈ আৰিয়াৰ অধীনত ৰূপায়ণ কৰা চাৰিটা বিশেষ প্ৰকল্পৰ ওপৰত ব্যাখ্যা কৰা হয়। আৰিয়াৰ অধীনত নিবনুৱা যুৱক-যুৱতীয়ে আৰ্থিকভাৱে স্বাৱলম্বী হোৱাৰ পদক্ষেপ, বজাৰ ব্যৱস্থা, আৰ্থিক সাহায্য, সামগ্ৰী যোগান আদি বিভিন্ন দিশ সাঙুৰি বিষয়বস্তুৰ *ছয় পৃষ্ঠাত চাওক*

## হোজাই-পশ্চিম কাৰ্বি আংলং গড়কাপ্তানী পথৰ মেৰামতিৰ কাম পৰিদৰ্শন বিধায়কৰ

**অগ্ৰদূত বাৰ্তা**
**হোজাই, ২২ মে’ ঃ** কপিলী নৈৰ বাঢ়নী পানীয়ে হোজাইত সৃষ্টি কৰা বিধ্বংসী বানৰ পানী বৰ্তমানে শুকাই গৈছে যদিও বিধ্বংসী বানৰ ফলত হোজাইৰ বহুকেইটা পথ বিধ্বস্ত হোৱাত হোজাইৰ বিধায়ক ৰামকৃষ্ণ ঘোষে গৰকাপ্তানী বিভাগৰ অভিযন্তাক আৰু বিজেপিৰ জিলা সভাপতি অনুপ দেৱক লগত লৈ বিধ্বস্ত হোৱা পথ পৰিদৰ্শন কৰি কোমৰাকাটা অঞ্চলত বানে বিধস্ত কৰা হোজাই-পশ্চিম কাৰ্বি আংলং সংযোগী গড়কাপ্তানী পথৰ মেৰামতিৰ কাম ৰাইজৰ যাতায়তৰ সুবিধাৰ্থে অনতিপলমে আৰম্ভ কৰিবলৈ জিলা উপায়ুক্ত আৰু গড়কাপ্তানী বিভাগৰ কাৰ্যবাহী অভিযন্তাক আহ্বান জনাইছিল। বিধায়কজনৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই আজি পুৱাৰ পৰাই পথটোৰ মেৰামতিৰ *ছয় পৃষ্ঠাত চাওক*

## লক্ষীপুৰত চোৰাং গৰুভৰ্তি বলেৰ’ বাহন জব্দ

**অগ্ৰদূত বাৰ্তা**
**লক্ষীপুৰ, ২২ মে’ ঃ** গোৱালপাৰাৰ লক্ষীপুৰ থানাৰ অন্তৰ্গত অসম-মেঘালয় সীমান্তৱৰ্তী জয়ৰামকুছি অভিৰামপাৰা গাঁৱত যোৱা নিশা আৰক্ষীয়ে এখন গৰুভৰ্তি বলেৰ’ বাহন জব্দ কৰে। উল্লেখ্য যে স্থানীয় ৰাইজে এ এছ-১৮ এ চি-২২৫৪ বলেৰ’ বাহনখনত গৰুভৰ্তি থকা প্ৰত্যক্ষ কৰি চোৰাং গৰুৰ সন্দেহত আটক কৰি আৰক্ষীক খবৰ দিয়ে। আনহাতে, বাহনৰ চালকে ন টাকৈ গৰুভৰ্তি বাহনখন এৰি ঘটনাস্থলীৰ পৰা কৌশলগতভাৱে পলায়ন কৰে। ইপিনে, আৰক্ষীয়ে খবৰ পাই লগে লগে ঘটনাস্থলীত উপস্থিত হৈ গৰুভৰ্তি বাহনখন জব্দ কৰি থানালৈ নিয়ে। শেহতীয়াকৈ চোৰাং গৰু জব্দ হোৱা ঘটনাই জিলাখনৰ ভিন্ন প্ৰান্তত সহৰবৰাহকাৰীয়ে অবৈধভাৱে গৰুৰ বেহা যে সংগোপনে চলাই আছে, তাকেই প্ৰতিপন্ন কৰিছে। সম্প্ৰতি জব্দকৃত বাহনসহ গৰুকেইটা লক্ষীপুৰ আৰক্ষীৰ জিম্মাত আছে।

# কংগ্ৰেছক শেষ কৰাটো সহজ নহয়

## নলবাৰী ৰাজীৱ ভৱনত কংগ্ৰেছৰ সাংগঠনিক সভাত কেন্দ্ৰীয় সাধাৰণ সম্পাদক পৃথ্বীৰাজ চাথে



**অগ্ৰদূত বাৰ্তা**
**নলবাৰী, ২২ মে’ ঃ** দলীয় বাদ বিসম্বাদ আৰু দল ত্যাগৰ জোৱাৰে কংগ্ৰেছক জুৰুলা কৰাৰ সময়তে আজি নলবাৰী ৰাজীৱ ভৱনত জিলা কংগ্ৰেছ সমিতিৰ উদ্যোগত অনুষ্ঠিত হয় এখন সাংগঠনিক সভা। নলবাৰী জিলা কংগ্ৰেছ সমিতিৰ সাধাৰণ সম্পাদক দিব্যজ্যোতি হালৈয়ে উদ্দেশ্য ব্যাখ্যা কৰা উক্ত সভাত উপস্থিত থাকে নিখিল ভাৰত কংগ্ৰেছ সমিতিৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক পৃথ্বীৰাজ চাথে। উল্লেখ্য যে সাংগঠনিক সভাখনত বৰক্ষেত্ৰী সমষ্টিৰ বিধায়ক দিগন্ত বৰ্মন, ৰাতুল পাটোৱাৰীসহ কে’বাজনো জিলা পৰ্যায়ৰ বিষয়ববীয়া আৰু সদস্য উপস্থিত থাকে। কেন্দ্ৰীয় কংগ্ৰেছী নেতা চাথে কয়, ‘অসমত হ’বলগীয়া সাংগঠনিক নিৰ্বাচন, দলীয় কাম-কাজৰ বুজ ল’বলৈ অসমলৈ আহিছো। তদুপৰি কংগ্ৰেছত সদস্য ভৰ্তিৰ অভিযানৰো তথ্যৰ বুজ লোৱাৰ বাবে *ছয় পৃষ্ঠাত চাওক*

## সমস্যাৰে জৰ্জৰিত বৰজান উচ্চ প্ৰাথমিক বিদ্যালয়

## ১০ বছৰৰ মূৰত ছাত্ৰ-ছাত্ৰীয়ে দেখিলে বিজ্ঞান শিক্ষক

**তামাৰহাট, ২২ মে’ ঃ** বিগত ১০ বছৰে বিজ্ঞান বিভাগৰ শিক্ষক অবিহনে এখন উচ্চ প্ৰাথমিক বিদ্যালয় চলি থকাৰ তথ্য পোহৰলৈ অহাৰ পাছত উদঙাই দিছে শিক্ষা বিভাগত চলি থকা প্ৰকৃত ছবিখন। ধুবুৰী জিলাৰ বিভিন্ন বিদ্যালয়সমূহত শিক্ষক, শ্ৰেণী কোঠা যাতায়ত আদি কৰি বিভিন্ন সমস্যাৰ জৰ্জৰিত হৈ আছে। সমান্তৰালভাৱে জিলাখনৰ আগমণি শিক্ষাখণ্ডৰ অন্তৰ্গত বৰজান উচ্চ প্ৰাথমিক বিদ্যালয়টো বিভিন্ন ধৰণৰ সমস্যাৰ সৃষ্টি হৈ আছে। উল্লেখ্য যে বৰজান অঞ্চলটোৰ একমাত্ৰ শিক্ষা অনুষ্ঠানখনৰ প্ৰতি বিভাগটোৱে কোনো গুৰুত্ব আৰোপ কৰা নাই। বিদ্যালয়খনত বিগত ১০টা বছৰ ধৰি ছাত্ৰ-ছাত্ৰী অনুপাতে পৰ্যাপ্ত শিক্ষক শ্ৰেণী কোঠা তথা আন্তঃগাঁথনি আদিৰ সমস্যাত ভুগি অধ্যয়ন *ছয় পৃষ্ঠাত চাওক*

সুনাম নিৰ্ভৰ কৰিব থলুৱা কৃষকৰ ওপৰত ঃ ৰাজ্যত সৰ্বোত্তম চাহ উৎপাদন

# অসমৰ চাহৰ বদনাম কৰিছে বহিৰাগত একাংশ ব্যৱসায়ীয়ে

**ষ্টাফ ৰিপ’ৰ্টাৰ**
**তেজপুৰ ২২ মে’ ঃ** ‘এক সেউজীয়া সপোন যেন লগা ৰাজ্যৰ চাহক দেশ বিদেশৰ বজাৰত গুণগত ক্ষেত্ৰত দুৰ্নাম কৰিছে একাংশ বহিঃৰাজ্যৰ ব্যৱসায়ীয়ে। ৰাজ্যৰ মাটিত উৎপাদিত চাহৰে অধিক লাভৰ আশাত জধে-মধে ৰাজ্যৰ বিভিন্ন স্থানত কাৰখানা স্থাপন কৰি চাহপাতৰ গুনগত মান নিৰ্দ্ধাৰণ নকৰি উৎপাদন কৰা চাহৰ বাবেই ৰাজ্যৰ বিশ্বখ্যাত চাহৰ মানো নিম্নগামী হৈছে আৰু ইয়াৰ বাবেই নিলামত অসমৰ চাহে বহু সময়ত উপযুক্ত মূল্য লাভৰ ক্ষেত্ৰতো বঞ্চিত হৈছে।’ ৰাজ্যৰ বহু কাৰখানাত উচ্চমানৰ চাহ *ছয় পৃষ্ঠাত চাওক*



# আজিৰে পৰা মাজুলীৰ ৫৭৪খন বিদ্যালয়ত আৰম্ভ গুণোৎসৱ

**অগ্ৰদূত বাৰ্তা**
**কমলাবাৰী, ২২ মে’ ঃ** কাইলৈৰ পৰা ২৬ মে’লৈ মাজুলী জিলাত গুণোৎসৱ অনুষ্ঠিত হ’ব। ইয়াকে লৈ মাজুলীখন শিক্ষানুষ্ঠানত এক উৎসৱ মুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। জিলাখনৰ প্ৰতিখন বিদ্যালয় আকৰ্ষণীয় কৈ সজাই তোলা হৈছে। প্ৰতিখন বিদ্যালয়ৰ শিক্ষক, ছাত্ৰ-ছাত্ৰী, পৰিচালনা সমিতি, মাতৃ গোট আদি সকলো জড়িত হৈ পৰিছে। বিদ্যালয়ৰ চৌহদ পৰিষ্কাৰ কৰি বিভিন্ন ধৰণৰ ফুল, ঔষধি উদ্ভিদ আদি ৰোপণ কৰাৰ লগতে জিলা উপায়ুক্তৰ নিৰ্দেশ ক্ৰমে এইবাৰ নেমুগছ ৰোপণ কৰা হৈছে। প্ৰতিখন বিদ্যালয়ৰ সন্মুখত একোখন বাগিচাই শোভাবৰ্ধন কৰিছে। ছাত্ৰ-ছাত্ৰীসকলে পঠনীয় বিষয় শিক্ষকৰ তত্ত্বাৱধানত অভ্যাস কৰাৰ লগতে সাংস্কৃতিক কাৰ্যসূচীৰো আখৰা কৰা দেখা *ছয় পৃষ্ঠাত চাওক*

দৈনিক অগ্ৰদূত

গুৱাহাটী, সোমবাৰ ৮ জেঠ ১৪২৯ ভাস্কৰাব্দ ২৩ মে’ ২০২২

# পেট্ৰ’ল-ডিজেলৰ মূল্য হ্ৰাস

**কেন্দ্ৰীয়** চৰকাৰে পেট্ৰ’লৰ প্ৰতি লিটাৰত ৯.৫০ টকাকৈ আৰু প্ৰতি লিটাৰ ডিজেলৰ সাত টকাকৈ আবকাৰী কৰ হ্ৰাস কৰিছে। কেন্দ্ৰই আবকাৰী কৰ হ্ৰাস কৰাৰ বাবেই তেলৰ মূল্য এনেদৰে হ্ৰাস পাইছে। আকৌ ৰন্ধন গেছৰ চিলিণ্ডাৰৰ ক্ষেত্ৰতো প্ৰধানমন্ত্ৰীৰ উজ্বলা যোজনাৰ প্ৰতিটো চিলিণ্ডাৰত দুশ টকাকৈ অনুদান আগবঢ়াইছে। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে কৈছে যে এনেদৰে পেট্ৰ’ল-ডিজেলৰ ওপৰত ধাৰ্য আবকাৰী কৰ হ্ৰাসৰ ফলত কেন্দ্ৰীয় চৰকাৰৰ এক লাখ কোটি টকাৰ ঘাটি হ’ব।

গ্ৰাহকসকলক সকাহ দিয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰ হঠাৎ তৎপৰ হোৱাৰ কাৰণ দৰ্শোৱা নাই যদিও এয়া ২০২৪ত হ’বলগীয়া সংসদীয় নিৰ্বাচনৰ কুচকাৱাজ বুলি বহুতেই ক’ব খোজে। যোৱা ২০১৪ৰ পৰা এতিয়ালৈকে পেট্ৰ’ল-ডিজেলৰ দাম প্ৰায় দুগুণলৈ বৃদ্ধি কৰা বিজেপি চৰকাৰে এতিয়া ৰাজ্যসমূহলৈ, বিশেষকৈ যিবোৰ ৰাজ্যই আগেয়ে তেলৰ আবকাৰী শুল্ক হ্ৰাস কৰা নাই সেইবোৰ ৰাজ্যক আবকাৰী কৰ হ্ৰাস কৰি গ্ৰাহকসকলক সকাহ দিবলৈ আহ্বান জনাইছে। প্ৰধানমন্ত্ৰীয়ে কৈছে যে পেট্ৰ’ল-ডিজেলৰ মূল্য হ্ৰাস পালে ব্যৱসায়িক আৰু ঔদ্যোগিক খণ্ডসমূহৰ লগতে সাধাৰণ ৰাইজে সকাহ পাব। জনসাধাৰণৰ স্বাৰ্থ ৰক্ষা কৰাটো চৰকাৰৰ প্ৰাথমিক দায়িত্ব বুলিও প্ৰধানমন্ত্ৰীয়ে লগতে মন্তব্য কৰিছে। যদি সেয়ে হয়, তেনেহ’লে ইমানদিনে পেট্ৰ’ল-ডিজেলৰ মূল্য বৃদ্ধি কৰি জনসাধাৰণক চৰকাৰে জালাতন কিয় কৰিছিল বুলি সেয়ে প্ৰশ্ন উত্থাপিত হৈছে।

বিৰোধীসকলে আঙুলিয়াই দিছে যে ২০১৪ত নৰেন্দ্ৰ মোদী চৰকাৰ যেতিয়া ক্ষমতালৈ আহিছিল, তেতিয়া পেট্ৰ’লৰ ওপৰত আবকাৰী শুল্ক আছিল মাত্ৰ ৯.৪৮ টকা, পেট্ৰ’ল-ডিজেলৰ সাম্প্ৰতিক মূল্য হ্ৰাসৰ আগে আগে পেট্ৰ’লৰ ওপৰত আবকাৰী শুল্ক আছিল ২৭.৯০ টকা। একেদৰেই ২০১৪ৰ মে’ত ডিজেলৰ ওপৰত আবকাৰী শুল্ক আছিল ৩.৫৬ টকা এতিয়া ডিজেলৰ ওপৰত এই শুল্ক ১৫.৮০ টকা। অৰ্থাৎ বিজেপি চৰকাৰে তেওঁলোকৰ শাসনকালত পেট্ৰ’লৰ ওপৰত আবকাৰী শুল্ক ১৮.৪২ টকাকৈ বৃদ্ধি কৰিলে। এতিয়া লিটাৰত আঠ টকাকৈ হ্ৰাস কৰিলে।

উল্লেখ্য যে ৰন্ধন গেছ আৰু পেট্ৰ’ল তথা ডিজেলৰ মূল্য উত্তৰ প্ৰদেশ, উত্তৰাখণ্ড, মণিপুৰ, গোৱা আৰু পঞ্জাৱ বিধানসভাৰ নিৰ্বাচনৰ ফলাফল ঘোষণাৰ পাছত কেন্দ্ৰীয় চৰকাৰে কে’বাবাৰো বৃদ্ধি কৰিছিল। এই পাঁচখন ৰাজ্যৰ নিৰ্বাচনৰ পাছত ডিজেল আৰু পেট্ৰ’লৰ মূল্য প্ৰতি লিটাৰত ১০ টকাকৈ বৃদ্ধি কৰিছিল। গতিকে চাবলৈ গ’লে পেট্ৰ’ল-ডিজেলৰ মূল্য এই পাঁচখন ৰাজ্যৰ নিৰ্বাচনৰ ফলাফল ঘোষণাৰ সময়ত যিমান আছিল বৰ্তমান আবকাৰী শুল্ক হ্ৰাস কৰাৰ পাছতো তাতকৈ অধিক মূল্য হৈয়ে আছে।

দেশত মুদ্ৰাস্ফীতি হো হোকৈ বাঢ়ি যোৱা অন্যতম কাৰণ হ’ল তেলৰ মূল্য বৃদ্ধি। বৰ্তমান ভাৰতবৰ্ষৰ খুচুৰা মুদ্ৰাস্ফীতিৰ পৰিমাণ ৭.৭৯ শতাংশ। যোৱা আঠটা বছৰৰ ভিতৰত এয়া সৰ্বোচ্চ। চৰকাৰে মুদ্ৰাস্ফীতি হ্ৰাস কৰাৰ বাবেও সাৰুৱা তেলৰ ওপৰত ধাৰ্য আবকাৰী শুল্ক হ্ৰাস কৰিব পাৰে। ১০ টকা বঢ়াই পাঁচ টকা হ্ৰাস কৰা নীতিক বহুতেই সৰ্প হৈ দংশন কৰা আৰু ওজা হৈ জৰাৰ লেখীয়া বুলি ক’ব খোজে। সি যি কি নহওক, পেট্ৰ’ল-ডিজেলৰ মূল্য হ্ৰাসে দেশৰ অৰ্থনীতিত ইতিবাচক প্ৰভাৱ পেলাব আৰু সাধাৰণ ৰাইজেও কিছু পৰিমাণে সকাহ পাব।

## খো লা ম ঞ্চ

# এইবেলি বিহু মঞ্চৰ ঐতিহ্য ৰক্ষা কৰা হৈছেনে?



**বিহু** অসমীয়া সংস্কৃতিৰ প্ৰাণ স্বৰূপ। অসমীয়া জাতীয় জীৱনৰ প্ৰাণ-স্পন্দন স্বৰূপ বিহুটিয়েই অসমীয়াৰ ঐতিহ্য আৰু অসমীয়াৰ পৰিচয়। এই বিহুটিৰ লগত অসমত বসবাস কৰা পাহাৰ-ভৈয়াম, ধৰ্ম-বৰ্ণ, জাতি-উপজাতি নিৰ্বিশেষে সকলোৰে সম্পৰ্ক নিবিড় হৈ আছে বাবেই বিহুৰ মৰমত প্ৰতিগৰাকী অসমবাসীৰ হৃদয়ত তৎপৰতা আৰম্ভ হয়। বিহুৱে বৃহত্তৰ অসমীয়া জাতিটোক জীয়াই থকাৰ সাৰ পানী যোগাই আহিছে। এটা কথা ঠিক যে, যিদিনাই বিহুটি আমাৰ মাজৰ পৰা বিদায় লোৱাৰ উপক্ৰম হ’ব, সেইদিনাই আমাৰ অসমীয়া বুলি চিনাকি দিয়া এই জাতিটোৰো অপমৃত্যু ঘটিব। কিন্তু আমাৰ মাজত বিহু মঞ্চৰ ঐতিহ্য ৰক্ষা কৰা হৈছে নে নাই? তাকে লৈ বহু প্ৰশ্ন উত্থাপন হৈছে। সম্প্ৰতি বিহু মঞ্চ আৰু কোনো বাণিজ্যিক প্ৰতিষ্ঠানৰ দ্বাৰা আয়োজিত সাংস্কৃতিক অনুষ্ঠানৰ মাজত যেন পাৰ্থক্য নোহোৱা হ’ল। অপৈণত বয়সত এমাহ জুৰি বা ততোধিক সময় চলি থকা বিহু মঞ্চ আখ্যায়িত বিভিন্ন মঞ্চত উদ্দাম নৃত্য গীতৰ অনুষ্ঠানসমূহ পুৱতি নিশা পৰ্যন্ত উপভোগ কৰি চালুকীয়া আনন্দ পোৱা যায় যদিও গভীৰভাৱে চিন্তা কৰিলে দেখা যায় যে অসমৰ সংস্কৃতিক সৎকাৰ কৰাৰ অঘোষিত প্ৰতিযোগিতাত যেন নামি পৰিছো আমি সকলোৱে।

**মনীষা শৰ্মা, লেখিকা**

দ্বিতীয়তে, আমি চাবলৈ গ’লে ক’ব পাৰো যে বিহু গীতৰ স্বকীয়তা সংৰক্ষণত অসমৰ শিল্পীৰ দায়িত্ব আছে। বিহু অসমীয়াৰ বাপতি সাহোন। এই বিহু সংস্কৃতিৰ পৰম্পৰা ঐতিহ্য সংৰক্ষণৰ দায়িত্ব প্ৰতি অসমীয়াৰ। সেয়া নিশ্চয় বাৰে বাৰে আমি কোনোৱে সোঁৱৰাই দিবলগীয়া বিষয় নহয়।

তৃতীয়তে, দেখা যায় যে আজি কেইবছৰমানৰ পৰা এটা কথা পৰিলক্ষিত হৈ আহিছে যে আমাৰ বিহুটিক আধুনিক ৰূপ দিয়াৰ নামত কিছুমান নাভূত নাশ্ৰুত ঘটনা সংঘটিত কৰিছে। ক’ৰবাত যদি ঢোলৰ ওপৰত উঠি নাচিছে, ক’ৰবাত এটা ঢুলীয়াৰ ওপৰত আন এটা ঢুলীয়া উঠিছে, ক’ৰবাত আকৌ ইজনৰ ওপৰত সিজনকৈ উঠি নাচিছে। আচলতে এইবোৰ অপ-সংস্কৃতি। এইবোৰৰ পৰা বুজা যায় যে, বিহু মঞ্চৰ ঐতিহ্য ৰক্ষা কৰা হোৱা নাই। এই বেলিও বহু বিহু মঞ্চত শিল্পীৰ গান চলি থকা সময়তে কিছুমান উদণ্ড যুৱকে বোকা ডান্স কৰি বহু অপ-সংস্কৃতিৰ মাজলৈ বিহুক লৈ যোৱা পৰিলক্ষিত হৈছে। চতুৰ্থতে, সততে এটা অভিযোগ শুনা যায় যে আধুনিক ভোগবাদত বিশ্বাসী যুৱকসকলে আধুনিকতাৰ নামত অসমীয়া সংস্কৃতি ৰক্ষা কৰিব নিবিচাৰে। বহু অসমীয়া সংস্কৃতি ক্ৰমে ক্ৰমে আমাৰ মাজৰ পৰা হেৰাই যোৱাৰ ক্ষেত্ৰত অন্যান্য কিছুমান কাৰকেও প্ৰভাৱ পেলাইছে। সেয়ে মই ভাবো কিছু সংখ্যকে এক উচ্ছৃংখল পৰিৱেশ সৃষ্টি কৰি বিহু মঞ্চৰ ঐতিহ্য ৰক্ষা কৰিব পৰা নাই।

ফোন : ৭৬৬৩০২৬৩০১

দেশৰ ৪৫০ নিযুত কৰ্মৰ উপযোগী লোকে কাম বিচাৰি বিচাৰি কাম নাপাই ভাগৰি পৰিছে আৰু বৰ্তমান কাম বিচাৰিবলৈ বাদ দিছে। ২০১৭ৰ পৰা ২০২২ৰ মাজত দেশত সামগ্ৰিক কামত অংশগ্ৰহণ কৰা লোকৰ সংখ্যা ৪৬ শতাংশৰ পৰা ৪০ শতাংশলৈ হ্ৰাস পাইছে।

# ৰেপ’ৰেট বৃদ্ধিয়ে দ্ৰব্যমূল্য হ্ৰাস কৰিবনে?



**দৃষ্টিপাত**

**অনন্ত কলিতা**

**যোৱা** চাৰি মে’ৰ দিনা হঠাতে ৰিজাৰ্ভ বেংকে ৰেপ’ৰেট বৰ্তমানৰ চাৰি শতাংশৰ পৰা ৪.৪০ শতাংশলৈ বৃদ্ধি কৰিলে। বেংকৰ জমাধনৰ বিপৰীতে নগদ জমা ধনৰ হাৰো চাৰি শতাংশৰ (CRR) পৰা বৃদ্ধি কৰিছে ৪.৫ শতাংশলৈ। ২০১৮ৰ আগষ্ট মাহৰ পাছত এই প্ৰথমবাৰৰ বাবে ৰিজাৰ্ভ বেংকে ৰেপ’ৰেট বৃদ্ধি কৰিছে। ৰেপ’ৰেট বৃদ্ধি কৰাৰ অৰ্থ হ’ল দেশৰ অৰ্থনৈতিক ব্যৱস্থাত টকাৰ সঞ্চালন হ্ৰাস কৰা। নগদ ধন জমা হাৰৰ (CRR) বৃদ্ধিয়ে দেশৰ অৰ্থনৈতিক ব্যৱস্থাত ৮৭,০০০ কোটি টকাৰ সঞ্চালন হ্ৰাস কৰিব। ৰিজাৰ্ভ বেংকে এই ৰেপ’ৰেট বৃদ্ধি আৰু চি-আৰ-আৰ ৰেট বৃদ্ধিৰ দ্বাৰা দেশৰ আকাশলংঘী মুদ্ৰাস্ফীতি হ্ৰাস কৰাৰ লক্ষ্য লৈছে। ৰিজাৰ্ভ বেংকৰ এই পদক্ষেপৰ ক্ষেত্ৰত প্ৰশ্নটো হৈছে দেশৰ অৰ্থনৈতিক ব্যৱস্থাত টকা সঞ্চালন হ্ৰাস কৰি সামগ্ৰীসমূহৰ চাহিদা হ্ৰাসৰে মুদ্ৰাস্ফীতি হ্ৰাস কৰিব পৰা যাবনে? বৰ্তমান দেশত বস্তুৰ যোগান কম আৰু চাহিদা বৃদ্ধি বা মানুহৰ হাতত টকা বেছি হৈছে আৰু মানুহে টকা বেছি খৰচ কৰিছে ফলত সামগ্ৰীবোৰৰ দাম বৃদ্ধি হৈছে জানো? যি কাৰণে ৰিজাৰ্ভ বেংকে বজাৰত টকা সঞ্চালনৰ পৰিমাণ কমাই দিছে। বজাৰত টকা সঞ্চালনৰ হ্ৰাসৰ তত্ত্বটো বৰ্তমান ভাৰতৰ অৰ্থনীতিৰ পৰিৱেশত প্ৰযোজ্য হ’ব জানো? বিভিন্ন তথ্যত প্ৰকাশ পাইছে যে ভাৰতৰ অধিকসংখ্যক মানুহৰ ক্ৰয়ক্ষমতা নাই। অতি সম্প্ৰতি চি-এম-আই-ইও প্ৰকাশ কৰা তথ্যত কৈছে যে দেশৰ ৪৫০ নিযুত কৰ্মৰ উপযোগী লোকে কাম বিচাৰি বিচাৰি কাম নাপাই ভাগৰি পৰিছে আৰু বৰ্তমান কাম বিচাৰিবলৈ বাদ দিছে। ২০১৭ৰ পৰা ২০২২ৰ মাজত দেশত সামগ্ৰিক কামত অংশগ্ৰহণ কৰা লোকৰ সংখ্যা ৪৬ শতাংশৰ পৰা ৪০ শতাংশলৈ হ্ৰাস পাইছে। প্ৰতিবেদনখনত চি-এম-আই-ইয়ে কৈছে যে দেশৰ অৰ্থনীতিৰ মুঠ ঘৰুৱা উৎপাদন মাত্ৰ ছয় শতাংশ বা আঠ শতাংশ হ’লে দেশৰ নিবনুৱাৰ কাৰণে প্ৰয়োজনীয় কৰ্মসংস্থানখিনিৰ সৃষ্টি নহ’ব। ভাৰতৰ ৪৫০ নিযুততকৈ অধিক কৰ্মত জড়িত হ’ব নোৱাৰা লোক আমেৰিকা বা ৰাছিয়াৰ মুঠ জনসংখ্যাৰ সমান। দেশৰ অৰ্থনীতিৰ এনেকুৱা পৰিস্থিতিত দেশৰ সকলো লোকে যদি আয় কৰিব পাৰিলেহেঁতেন অৰ্থনীতিত আৰু অধিক পৰিমাণৰ ধনৰ সঞ্চালন দৰকাৰ হ’লহেঁতেন। তদুপৰি এই কৰ্মত জড়িত হ’ব নোৱাৰা বা দেশৰ নিবনুৱাসকলৰ যদি আয় থাকিলেহেঁতেন অৰ্থাৎ তেওঁলোকৰ হাতত টকা গ’লহেঁতেন দেশত মাৰাত্মকভাৱে বজাৰ চাহিদা বৃদ্ধি পালেহেঁতেন আৰু ৰিজাৰ্ভ বেংকেও অধিক টকা সঞ্চালন কৰিব লাগিলেহেঁতেন। বৰ্তমান ভাৰতবৰ্ষত প্ৰয়োজন মানুহৰ হাতত টকা যোৱাৰ অৰ্থনীতিৰ সৃষ্টি কৰা, অৰ্থাৎ প্ৰত্যেকজন শ্ৰম কৰিব পৰা লোকৰ বাবে আয় কৰিব পৰা সুযোগ সৃষ্টি কৰা, যাতে দেশৰ অৰ্থনীতি পুনৰুজ্জীৱিত হৈ অধিক বিকাশশীল হয়।



ৰিজাৰ্ভ বেংকে ভালকৈ পৰ্যালোচনা কৰি চোৱা উচিত যে দেশত মুদ্ৰাস্ফীতি অধিক টকা প্ৰচলনৰ কাৰণে হৈছে নে আন কাৰকৰ কাৰণে হৈছে? পেট্ৰ’ল, ডিজেল, গেছৰ, কেৰাচিনৰ, খোৱা তেলৰ মূল্য বৃদ্ধিটো বজাৰত অধিক টকা প্ৰচলনৰ বাবে হৈছে নে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ অধিক পৰিমাণে কৰ আৰোপ কৰা কাৰণে হৈছে সেই সত্যটো বুজিবলৈ অৰ্থনীতিবিদৰ প্ৰয়োজন নাই, এজন সাধাৰণ লোকেও বুজি পায়। আৰু পেট্ৰ’ল, ডিজেল, ৰন্ধন গেছ আদিৰ মূল্য বৃদ্ধিৰ পৰোক্ষ প্ৰভাৱ পৰিছে যাত্ৰীভাড়া, পৰিবহণ, সামগ্ৰীৰ উৎপাদন খৰচ বৃদ্ধিত। পৰিবহণ খৰচ বৃদ্ধিৰ বাবে খাদ্য-সামগ্ৰীকে ধৰি সকলো সামগ্ৰীৰ দাম বৃদ্ধি হৈছে। আনফালে পথবোৰত টোলকৰ লগাইছে। যাত্ৰীভাড়া বৃদ্ধিৰ বাবেও জনসাধাৰণৰ পকেটৰ পৰা অধিক পৰিমাণৰ টকা ওলাই যায়। চৰকাৰৰ অনুমোদনত কোম্পানীবোৰে ঔষধৰ দাম দহ শতাংশ বৃদ্ধি কৰিছে, এইটো কি বজাৰত টকা অধিক সঞ্চালন হোৱা বাবে ঔষধৰ দাম বৃদ্ধি হৈছে নেকি? টকাৰ সঞ্চালন হ্ৰাস হ’লে ঔষধৰ দাম কমিব নেকি? অৰ্থাৎ ৰেপ’ৰেট বৃদ্ধি হ’লেই পেট্ৰ’ল, ডিজেল, খোৱা তেলৰ ঔষধৰ দাম কমিব জানো?

ৰেপ’ৰেট বৃদ্ধিৰ দ্বাৰা বেংকৰ ঋণবোৰৰ সুদৰ হাৰ বৃদ্ধি হ’ব। ঘৰ নিৰ্মাণ ঋণৰ পৰা মটৰগাড়ী, দুচকীয়া বাহন ক্ৰয়ৰ ঋণ, ক্ষুদ্ৰ-মজলীয়া উদ্যোগৰ ঋণ, ব্যৱসায়ৰ ঋণৰ সুদৰ হাৰ বৃদ্ধি হ’ব। বৃহৎ বৃহৎ ঋণৰ সুদৰ হাৰো বৃদ্ধি হ’ব। ঋণৰ সুদ বৃদ্ধিৰ ক্ষতিপূৰণ জনসাধাৰণেই দিব লাগিব। উদ্যোগবোৰে ব্যৱসায়বোৰে তেওঁলোকে লোৱা ঋণৰ সুদ যেতিয়া বেছি দিব লাগিব উৎপাদিত সামগ্ৰীৰ দামো বৃদ্ধি কৰিব। মধ্যবিত্তসকলে ঘৰ নিৰ্মাণৰ বাবে লোৱা ঋণৰ বাবে দিবলগীয়া সুদৰ পৰিমাণ বৃদ্ধি হৈ মাহেকীয়া কিস্তিৰ পৰিমাণ বৃদ্ধি পাব। এটা হিচাপত দেখা গৈছে যে যদি এজন লোকে ঘৰ নিৰ্মাণৰ বাবে ৫০ লাখ টকা ২০ বছৰৰ বাবে ঋণ লৈছে আৰু ৰেপ’ৰেট বৃদ্ধিৰ হাৰত সুদ বাঢ়ে, অৰ্থাৎ সাত শতাংশৰ পৰা ৭.৪ শতাংশ হয়, তেওঁৰ মাহেকীয়া কিস্তি ৩৮,৭৬৫ টকাৰ পৰা ৩৯,৯৭৪ টকালৈ বৃদ্ধি হ’ব আৰু মুঠ ঋণ তেওঁ দুই লাখ ৩০ হেজাৰ টকাৰ অধিক সুদ আদায় দিব লাগিব। এই প্ৰক্ৰিয়াত দেশৰ অৰ্থনীতি দুই দিশত ক্ষতি হ’ব। (এক) অধিক সুদৰ হাৰ হোৱাত ঋণ লোৱা মানুহৰ সংখ্যা কমিব ফলত ঘৰবন্ধা, ফ্লেট বিক্ৰীৰ পৰিমাণ কমিব আৰু নিৰ্মাণো কমিব। ইয়াৰ ফলত লাখে লাখে লোক কৰ্মহীন হ’ব। ঘৰ বা ফ্লেট নিৰ্মাণৰ সামগ্ৰীৰ চাহিদাও কমি যাব ফলত এই উদ্যোগবোৰেও কম পৰিমাণৰ সামগ্ৰী উৎপাদন কৰিব আৰু বহু সংখ্যক শ্ৰমিক-কৰ্মচাৰীক ছাটাই কৰিব। ঠিক সেইদৰে মটৰগাড়ী কিনা বা বিভিন্ন সামগ্ৰী কিনাৰ বাবে ঋণৰ পৰিমাণ হ্ৰাস হ’ব। অৰ্থাৎ সামগ্ৰিকভাৱে দেশৰ বিভিন্ন অৰ্থনৈতিক ক্ৰিয়া-কৰ্ম (Economic Activity) হ্ৰাস পাব, ফলস্বৰূপে দেশত এনেয়ে কোটি কোটি নিবনুৱা আৰু অধিক পৰিমাণৰ নিবনুৱাৰ সৃষ্টি হ’ব। বজাৰ চাহিদা হ্ৰাস পোৱাটো অৰ্থনীতিৰ বাবে বিপদৰ অশনি সংকেত। টকাৰ সঞ্চালন হ্ৰাসেৰে বজাৰ চাহিদা হ্ৰাস কৰি দ্ৰব্যমূল্য বৃদ্ধি নিয়ন্ত্ৰণ কৰিব খোজা অৰ্থনীতিবিদসকলে এবাৰ ভালকৈ অৰ্থনীতিবিদ জে. এম. কেইন্সৰ চাহিদাৰ তত্ত্বটো পঢ়াটো উচিত আছিল। এই পৰিস্থিতিত দেশৰ নাগৰিকসকলৰ হাতত পইচা যোৱা উৎসবোৰৰ হ্ৰাস পাব দেশৰ বজাৰত আৰু অধিক হাৰত বজাৰ চাহিদা হ্ৰাস পাব। বজাৰ চাহিদা হ্ৰাস মানে অৰ্থনীতিৰ ক্ৰিয়া-কৰ্ম সকলো দিশতে মাৰাত্মকভাৱে হ্ৰাস, ফলস্বৰূপে দেশৰ অধিকসংখ্যক লোকৰ দৰিদ্ৰ অৱস্থা আৰু নিবনুৱাৰ সংখ্যা বৃদ্ধি। অৰ্থনীতি বিকাশশীল কৰিবলৈ বা সচ্ছল কৰিবলৈ জনসাধাৰণৰ ক্ৰয়ক্ষমতা বৃদ্ধিৰে বজাৰ চাহিদা বৃদ্ধিৰ প্ৰয়োজন। ৰিজাৰ্ভ বেংকৰ উক্ত ৰেপ’ৰেট বৃদ্ধিৰ পদক্ষেপে দেশৰ জনসাধাৰণৰ হাতলৈ ধন যোৱা উৎসবোৰৰ হ্ৰাস হ’ব আৰু সামগ্ৰিকভাৱে বজাৰ চাহিদা হ্ৰাস পাব। বজাৰ চাহিদা হ্ৰাসে দেশত নিবনুৱাৰ সংখ্যা বৃদ্ধি কৰিব দৰিদ্ৰ লোকৰ সংখ্যা বৃদ্ধি কৰিব। চৰকাৰে পেট্ৰ’ল-ডিজেলকে ধৰি বিভিন্ন সামগ্ৰীৰ ওপৰত কৰ আৰু জি-এছ-টি হ্ৰাস কৰি তথা যোগানবোৰ ছিণ্ডিকেট-দালালিৰ পৰা মুক্ত কৰি আৰু অত্যাৱশ্যকীয় সামগ্ৰীসমূহ নিয়ন্ত্ৰিত দৰত দিয়াৰ ব্যৱস্থা কৰিহে মুদ্ৰাস্ফীতি হ্ৰাস কৰাৰ পদক্ষেপ ল’ব লাগিছিল। দেশৰ অৰ্থনীতিৰ উক্ত পৰিস্থিতি ৰেপ’ৰেট বৃদ্ধিয়ে জনসাধাৰণৰ দুখ-দুৰ্দশা বৃদ্ধিহে কৰিব।

ফোন : ৯৪৩৫০৪১২০৩

# গুৱাহাটী নিৰ্মাণৰ চৰকাৰী প্ৰতিশ্ৰুতিবোৰৰ কি হ’ল?

**ৰমেন চন্দ্ৰ বৰঠাকুৰ**

**অৱশেষত** সকলো জল্পনা-কল্পনাৰ ওৰ পেলাই গুৱাহাটীবাসী ৰাইজে পৌৰ নিগমৰ নিৰ্বাচনত শাসনাধিষ্ঠিত বিজেপি দলক এককভাৱে ৫২খন আসনত জয়ী কৰালে। আমি ধৰি লৈছো যে গুৱাহাটীবাসী ৰাইজে ডঃ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰখনৰ কাম-কাজত সন্তুষ্ট হৈয়ে এনে এক ৰায় প্ৰদান কৰিছে। কথা হ’ল, ২০১৬ৰ পৰাই বিজেপি দলে ধাৰাবাহিকভাৱে গুৱাহাটীবাসীৰ আগত ভালেমান প্ৰকল্পৰ প্ৰস্তাৱ দেখুৱাইছিল। সপোন দেখুৱাইছিল এনে এখন গুৱাহাটীৰ যি কেৱল আক্ষৰিক অৰ্থত স্মাৰ্ট নহ’ব; নাগৰিক জীৱনৰ প্ৰতিটো ক্ষেত্ৰত, প্ৰতিটো সেৱাৰ বিষয়ত গুৱাহাটীখন স্মাৰ্ট হৈ উঠিব আৰু প্ৰতিজন নাগৰিক হৈ পৰিব সপ্ৰতিভ। প্ৰশ্ন হ’ল— গুৱাহাটীক প্ৰাণচঞ্চল, সপ্ৰতিভ বা আটোম টোকাৰিকৈ গঢ় দিয়াৰ সপোনটো বাস্তৱত ৰূপায়ণ কৰা হ’ল নেকি? গুৱাহাটীৰ বাবে কৰা প্ৰতিশ্ৰুতিসমূহৰ কি হ’ল?

২০১৬-১৭ বিত্তীয় বৰ্ষৰ বাজেট ভাষণত তদানীন্তন বিত্তমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ‘গুৱাহাটী উন্নয়ন : নিৰ্মীয়মাণ স্মাৰ্ট চিটী’ শীৰ্ষক শিতানত কৈছিল— ‘মই আপোনালোকক জনাবলৈ পাই সুখী হৈছো যে অহা পহিলা ব’হাগৰ ভিতৰত জৱাহৰলাল নেহৰু ৰাষ্ট্ৰীয় চহৰী নবীকৰণ অভিযান আৰু জাপান আন্তঃৰাষ্ট্ৰীয় সমবায় অভিকৰণৰ প্ৰকল্পৰ জৰিয়তে ক্ৰমে পশ্চিম গুৱাহাটী আৰু দক্ষিণ গুৱাহাটীৰ একাংশ অঞ্চলত আমি খোৱাপানীৰ যোগান ধৰিবলৈ সক্ষম হ’ম। অধ্যক্ষ মহোদয়, মই সদনক অৱগত কৰাৰ প্ৰয়োজনবোধ কৰো যে ভাৰত চৰকাৰৰ চহৰ উন্নয়ন মন্ত্ৰণালয়ে যোগান ধৰা পুঁজিৰে জে এন এন ইউ আৰ এমৰ অধীনত পশ্চিম গুৱাহাটী খোৱাপানী যোগান প্ৰকল্প সম্পূৰ্ণ কৰাৰ পৰিকল্পনা কৰা হৈছিল; কিন্তু প্ৰকল্পটো ৰূপায়ণ বিলম্ব হোৱাৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় চৰকাৰে প্ৰকল্পটো বন্ধ কৰি দিছিল। যদিহে আমি উক্ত অঞ্চলত খোৱাপানী যোগান ধৰিব লগা হয়, তেনেহ’লে ইয়াৰ ব্যয় ৰাজ্য চৰকাৰে বহন কৰিব লাগিব। সেয়েহে পশ্চিম গুৱাহাটী খোৱাপানী যোগান প্ৰকল্প সম্পূৰ্ণ কৰাটো নিশ্চিত কৰিবলৈ ৫১৫০ লাখ টকা আৱণ্টনৰ প্ৰস্তাৱ আগবঢ়োৱাৰ প্ৰয়োজনবোধ কৰিছো।

‘আপোনালোক আটায়ে জ্ঞাত যে স্মাৰ্ট চিটী মিছনৰ অধীনত গুৱাহাটী মহানগৰীক এখন অন্যতম স্মাৰ্ট চিটী হিচাপে নিৰ্বাচিত কৰা হৈছিল। স্মাৰ্ট চিটী মিছনৰ প্ৰধান উপাদানসমূহ হৈছে ভৰলু, মৰা ভৰলু, দীপৰ বিল, বৰচলা বিল আৰু ব্ৰহ্মপুত্ৰ নদীৰ পাৰৰ উন্নয়নৰ দৰে অঞ্চলভিত্তিক কাৰ্যসূচী আৰু ৰাজহুৱা পৰিবহণ, ষ্ট্ৰীট-স্কেপিং ইত্যাদিৰ বাবে সংহত তথ্য আৰু যোগাযোগ প্ৰযুক্তিভিত্তিক আহিলাৰ দৰে মহানগৰৰ সামগ্ৰিক উন্নয়ন কাৰ্যসূচী। মাটিৰ তলেৰে তাঁৰসমূহৰ সংযোগ ব্যৱস্থা ইত্যাদিৰ বাবে শক্তি বিভাগৰ অন্যান্য কাৰ্যসূচীসমূহো সমান্তৰালভাৱে হাতত লোৱা হ’ব।.. গুৱাহাটীৰ সেউজ আৱৰণ দ্ৰুতভাৱে নোহোৱা হৈ আহিছে। গুৱাহাটীখন সেউজীয়া কৰাটো হ’ল আমাৰ মুখ্যমন্ত্ৰীৰ আদৰৰ বিষয়। তেওঁৰ পৰা পোৱা অনুপ্ৰেৰণাৰে বৃহত্তৰ গুৱাহাটীৰ মুকলি ঠাই আৰু উদ্যানসমূহৰ বাবে এখন মাষ্টাৰ প্লেন প্ৰস্তুত তথা ছিংগাপুৰৰ উদ্যান আন্তঃসংযোগ আৰ্হিৰ নিচিনাকৈ সেইবোৰৰ আন্তঃসংযোগ আৰু উন্নয়ন সাধন কৰিবলৈ মই প্ৰস্তাৱ কৰো। এই প্ৰকল্পক জি অ’ পি আই নেটৱৰ্ক হিচাপে জনা যাব। নাগৰিকসকলে এখন উদ্যানৰ পৰা আন এখনলৈ খোজ কাঢ়ি, চাইকেলেৰে অথবা বাছেৰে অবিৰতভাৱে অহা-যোৱা কৰিবলৈ সক্ষম হ’ব। ইয়ে জলাশয়সমূহকো সামৰি ল’ব। ইয়াৰ আৰম্ভণি হিচাপে আমাৰ চৰকাৰে ফাঁচী বজাৰস্থিত পুৰণি কাৰাগাৰ চৌহদত আন্তঃৰাষ্ট্ৰীয় মানৰ এখন উদ্ভিদ উদ্যান স্থাপনৰ সিদ্ধান্ত লৈছে। ইয়াৰ প্ৰস্তুতিমূলক কাম-কাজ হিচাপে মই ৫০০ লাখ টকা আৱণ্টন প্ৰস্তাৱ কৰিছো।’

সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন ‘জাতি, মাটি আৰু ভেঁটি’ ৰক্ষাৰ চৰকাৰখনে প্ৰথমটো বছৰতে গুৱাহাটীবাসীক যিটো সপোন দেখুৱাইছিল তাক বাস্তৱত কিমান শতাংশ ৰূপায়ণ কৰা হ’ল তাৰ বিচাৰৰ দায়িত্ব গুৱাহাটীবাসী সুধী সমাজৰ ওপৰত এৰি দি পৰৱৰ্তী বছৰবোৰত আৰু কি কি সপোন ডঃ হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীবাসীক দেখুৱাইছিল তাৰ চমু এক আভাস দাঙি ধৰিবলৈ বিচাৰিছো।

১। ২০১৭-১৮ বিত্তীয় বৰ্ষৰ বাজেটত ব্ৰহ্মপুত্ৰৰ ওপৰত দুখন দলং নিৰ্মাণ (পাণ বজাৰ-গুৱাহাটী আৰু পলাশবাৰী-শুৱালকুছি), গুৱাহাটী স্মাৰ্ট চিটী প্ৰকল্পৰ বাবে ৰাজ্য চৰকাৰে ৪০০ কোটি টকাৰ আৱণ্টন; ছিংগাপুৰৰ পাৰ্ক ইণ্টাৰকানেক্ট মডেলৰ আৰ্হিত ফাঁচীবজাৰৰ পুৰণি কাৰাগাৰ চৌহদত এখন আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ উদ্ভিদ উদ্যান নিৰ্মাণ; ২০১৭ৰ এছজি ডব্লিউ ডব্লিউ জিৰ প্ৰথম পৰ্যায়ৰ কামৰ দ্বাৰা পানী যোগান ধৰা আদি অলেখ প্ৰতিশ্ৰুতি দিয়া হৈছিল। এনে প্ৰতিশ্ৰুতিসমূহৰ কি হ’ল?

২। গুৱাহাটীৰ মুকলি স্থান আৰু উদ্যান সংলগ্নীকৰণৰ আৰ্হিৰ কামসমূহ ছিংগাপুৰ চৰকাৰৰ ছিংগাপুৰ কৰ্পৰ্’ৰেছন এণ্টাৰপ্ৰাইজক আৱণ্টন দিয়াৰ বাবে প্ৰয়োজনীয় পুঁজিৰ আৱণ্টন দিয়া হৈছিল ২০১৮-১৯ বৰ্ষৰ বাজেটত। নগৰ অঞ্চলত অধিক মুকলি আৰু সেউজ স্থান সৃষ্টিৰ বাবে ৮০.৩৪ কোটি টকা, চাংসাৰি, ছয়গাঁও আৰু সোণাপুৰত তিনিটা আধুনিক Freight Terminus স্থাপনৰ বাবে পাঁচ কোটিৰ আৱণ্টন, চহৰখনৰ অধিকতম অংশৰ বাবে ঘোষিত পয়ঃপ্ৰণালী স্থাপন আদি প্ৰকল্পসমূহৰ কি হ’ল?



৩। ২০১৬-১৭ বিত্তীয় বৰ্ষৰ বাজেটত গুৱাহাটীত খোৱাপানীৰ যোগান ধৰাৰ যি প্ৰতিশ্ৰুতি দিয়া হৈছিল তাক ৰূপায়ণ কৰাত ব্যৰ্থ হৈ ২০২০-২১ বিত্তীয় বৰ্ষত কোৱা হৈছিল যে গুৱাহাটী মেট্ৰ’ পলিটান খোৱাপানী আৰু পয়ঃপ্ৰণালী পৰিষদে দক্ষিণ কেন্দ্ৰীয় আৰু উত্তৰ-গুৱাহাটীক সামৰি ‘জাইকা’ৰ সাহায্যত ‘গুৱাহাটী পানী যোগান প্ৰকল্প’ৰ কাম হাতত লৈছে আৰু এই প্ৰকল্পটো ২০২২ বৰ্ষৰ জুলাইত সম্পূৰ্ণ হ’ব। ২০২০-২১বৰ্ষতে এই প্ৰকল্পই ২৫০০০ পৰিয়াল সাঙুৰি লোৱাৰ কথা আছিল। গুৱাহাটীৰ এই ২৫ হেজাৰ পৰিয়ালে নিয়মীয়াভাৱে পানী পাই আছেনে? নে আজিলৈ পানী সংযোগৰ পাইপো বহুওৱা হোৱা নাই।

৪। যিহেতু বিজেপি নেতৃত্বাধীন অসম চৰকাৰে গুৱাহাটীক বিকশিত কৰাৰ বিষয়ত মহানগৰবাসীক প্ৰদান কৰা সৰহভাগ প্ৰতিশ্ৰুতিয়ে ৰূপায়ণ কৰিব পৰা নাছিল সেয়ে ২০১৯-২০ বৰ্ষৰ বাজেটত গুৱাহাটীৰ উন্নয়ন বিষয়ক একো বিশেষ প্ৰস্তাৱ ৰখা হোৱা নাছিল। ২০২০-২১ বৰ্ষত দিয়া প্ৰতিশ্ৰুতিবোৰ আছিল আগৰ প্ৰতিশ্ৰুতিসমূহৰে নতুন পেকেজিং। ২০২১-২২ বিত্তীয় বৰ্ষৰ বাজেটত বিত্তমন্ত্ৰী অজন্তা নেওগে ২০১৬-১৭ বিত্তীয় বৰ্ষৰ বাজেট প্ৰতিশ্ৰুতিবোৰৰ ব্যৰ্থতাৰ কথা ভাবিয়েই বোধহয় তেনেই চকুত নপৰা ধৰণেৰে এটা প্ৰতিশ্ৰুতি দিছিল। প্ৰতিশ্ৰুতিটো আছিল এনেধৰণৰ— ‘মহোদয়, গুৱাহাটীবাসী ৰাইজৰ বাবে মহানগৰখনক বানপানীমুক্ত মহানগৰ হিচাপে গঢ়ি তুলিব পৰাকৈ আমি কাম কৰি আছো। কামাখ্যা, পাণবজাৰ আৰু সাতপুখুৰীত পানী যোগান আঁচনি সংযোজনৰ কামো কৰি আছো।’ ২০২২-২৩ বিত্তীয় বৰ্ষত বিত্তমন্ত্ৰীজনে এক বুজিব নোৱাৰা, সপোন সপোন লগা ‘অমৃত—গুৱাহাটী সংহত গোলকীয় মহানগৰ’ প্ৰকল্পৰ কথা কৈছে যাৰ প্ৰথম পৰ্যায় ২০৩০ বৰ্ষৰ ভিতৰত আৰু দ্বিতীয় পৰ্যায় ২০৩৫ বৰ্ষৰ ভিতৰত সম্পূৰ্ণ হোৱাৰ কথা। স্মাৰ্ট চিটীৰ কথাৰে মহানগৰবাসীক আৰু বেছিদিন প্ৰলোভিত কৰি ৰাখিব নোৱাৰি বাবেই নতুন পেকেজটোৰ নামকৰণ হৈছে 'Amrit GIG City'। ভৱিষ্যতৰ এই গোলকীয় মহানগৰখনত অসমৰ থলুৱা লোকসকলে বাস কৰিব পাৰিব নে তেওঁলোক ক্ৰমাগতভাৱে উচ্ছেদিত হৈ বহিৰাগতক মাটি এৰি দিব লগা হয় তাক গুৱাহাটীবাসীয়ে এবাৰ ভাবি চাব।

ফোন : ৬৯০০০১০৩৬৬



# মহানগৰীৰ কৃত্ৰিম বান আৰু কিমান বছৰলৈ?

**অৱলোকন**

**মানসী মিশ্ৰ**



**যোৱা** কেইটামান দিন ধৰি হৈ থকা বৰষুণত মহানগৰীৰ ভিন্ন প্ৰান্ত একাঁঠু পানীৰ তলত। কৰ্মব্যস্ত মানুহৰ আলৈ-আথানি অৱস্থা। অফিচ, কাছাৰী, স্কুল, কলেজলৈ যোৱা লোকসকলে একপ্ৰকাৰ জীয়াতু ভুগিবলগীয়া হৈছে। সময়মতে গন্তব্য স্থানত উপস্থিত হ’ব নোৱাৰে তীব্ৰ যান-জঁট। লগতে পৰিয়ালৰ মানুহবোৰৰ মনতো চিন্তা, কিয়নো গুৱাহাটী মহানগৰীৰ প্ৰায়ভাগ ঠাইতে বাট পথৰ যিহে দুৰৱস্থা গতিকে মানুহে কেনে ধৰণৰ বিপদৰ হঠাতে মুখামুখি হ’বলগীয়া হয় সেয়া কোনেও নাজানে। প্ৰতিটো পথ-উপপথ পাঁচ মিনিটৰ ভিতৰতে সাগৰ সদৃশ পৰিৱেশত পৰিণত হয় আৰু ইয়াৰ ফলস্বৰূপে জনসাধাৰণে স্কুল-কলেজৰ পৰা ঘৰলৈ উভতি অহা ছাত্ৰ-ছাত্ৰীসকলে ১০-১২ ঘণ্টালৈ পথৰ ওপৰতে গাড়ী-মটৰ, ৰিক্সা আদিতে আবদ্ধ হৈ থাকে। বৰষুণজাক অহাৰ পাছতেই মহানগৰীত পদপথ, ৰাস্তা, নৰ্দমা, দলং একাকাৰ হৈ সাগৰ সদৃশ পৰিৱেশ হৈ পৰে। এজাক বৰষুণে সৃষ্টি কৰা কৃত্ৰিম বানপানীয়ে কোনটো পৰিয়ালৰ জীৱনলৈ আঁউসীৰ অন্ধকাৰ নমাই আনে তাৰ কোনো ভৰসা নাই।

কোনো ব্যক্তিয়ে নিজৰ কৰ্মস্থলীৰ পৰা নিজ গৃহাভিমুখে ওলাই কৃত্ৰিম বানত আধাবাটতে বন্দী হৈ নিশা এক-দুই বজাত ঘৰত উপস্থিত হয়, তাৰ অলেখ উদাহৰণ আমাৰ মাজত আছে। আগদিনা বানে উটুৱাই লৈ যোৱা অতি মৰমৰ মানুহজন পাছদিনা ঘূৰি আহে চেতনাহীন মৃতদেহ হৈ। ইয়াতকৈ দুখৰ কথা ৰাজধানী মহানগৰী আৰু ইয়াৰ বাসিন্দাসকলৰ বাবে কি হ’ব পাৰে? বিগত বৰ্ষসমূহত বৰষুণৰ ফলত সৃষ্টি হোৱা কৃত্ৰিম বানপানীত মহানগৰীৰ ভিন্ন প্ৰান্তত একেলগে ১২জন লোকে মৃত্যুক আঁকোৱালি ল’বলগীয়া হোৱাৰ দৰে কৰুণ ঘটনা সংঘটিত হৈ গৈছে। দুদিনৰ মূৰে মূৰে গুৱাহাটীৰ লাচিতনগৰ, ৰাজগড়ৰ বৃহৎ অঞ্চল, অনিল নগৰ, নবীন নগৰ, ভঙাগড়, চান্দমাৰি, জু-ৰোড, ৰাৱলেছ আদি অঞ্চলৰ মানুহে জীয়াতু ভুগিবলগীয়া হৈছে। এনে পৰিস্থিতিৰো উদ্ভৱ হয় য’ত মানুহে দুই তিনি দিনলৈ ঘৰৰ ভিতৰত আৱদ্ধ থাকিবলগীয়া হয়। আটাইতকৈ দুখৰ কথা যেতিয়া কোনো এজন বেমাৰ-আজাৰ নথকা মানুহ সুস্থ শৰীৰেৰে, সুস্থ মনেৰে ঘৰৰ পৰা ওলাই গৈ মহানগৰীৰ কৃত্ৰিম বানৰ বলী হৈ মৃতদেহ হৈ ঘৰলৈ উভতি আহিব লাগে, সেই ঘটনাৰ মৰ্মবেদনা আটাইতকৈ বেছিকৈ উপলব্ধি কৰে পৰিয়ালৰ লোকসকলে। এই ক্ষেত্ৰত অন্য লোকসকলৰ সান্ত্বনা দিবলৈ কোনো ভাষা নাথাকে। এনে ধৰণৰ দুৰ্ভাগ্যজনক পৰিস্থিতি আমাৰ ৰাজ্যতেই হোৱা দেখিবলৈ পাইছো। এগৰাকী ব্যক্তি এনে ধৰণৰ কৰুণ পৰিস্থিতিৰ সন্মুখীন হৈ মৃত্যুক আঁকোৱালি ল’লে সেই পৰিয়ালটোক চৰকাৰৰ তৰফৰ পৰা ২৫ হেজাৰ বা ৫০ হেজাৰ টকা দি দায়িত্ব সামৰিবলৈ বিচাৰে। সুন্দৰকৈ পৰিপাটি সাজপোছাক পিন্ধি মাকৰ ঘৰলৈ যোৱা মহিলা আবেলি ঘৰলৈ ওভতাৰ পথত কৃত্ৰিম বানত উটি গৈ মৃতদেহ উদ্ধাৰ হৈছিল পল্টন বজাৰৰ এটা নৰ্দমাত। কাৰ্যালয়ৰ কাম শেষ কৰি গধূলি ঘৰলৈ ওভতাৰ পথত এজন ব্যক্তিক চান্দমাৰিত কৃত্ৰিম বানে উটুৱাই লৈ গৈছিল। পাছদিনা ভৰলুত তেওঁৰ প্ৰাণহীন দেহ উদ্ধাৰ কৰা হৈছিল। এটা বানত মহানগৰীৰ এজাক বৰষুণৰ কৃত্ৰিম বানত একেটা দিনতে বাৰজনকৈ লোকে কৰুণ মৃত্যুক আঁকোৱালি ল’বলগীয়া হৈছিল। সেই একেটা বৰ্ষতে কম সময়ৰ ব্যৱধানতে এখন ব্যক্তিগত মাধ্যমৰ বিদ্যালয়ৰ এগৰাকী প্ৰতিভাৱান ছাত্ৰীয়ে কৃত্ৰিম বানত কৰুণ পৰিস্থিতিত মৃত্যুক আঁকোৱালি ল’বলগীয়া হৈছিল। এজাক বৰষুণেই মহানগৰীক সাগৰ সদৃশ কৰি তোলে। এইটো বৰ্ষতো এইকেইদিন হোৱা বৰষুণত মহানগৰীৰ বহু অঞ্চল পানীৰ তলত বুৰ গৈ আছে। বাহিৰলৈ ওলাই যোৱাসকলৰ দুৰ্গতিৰ সীমা নোহোৱা হৈছে এক প্ৰকাৰ। প্ৰায়ভাগ পানীৰ তলত বুৰ গৈ থকা অঞ্চলতে যান-জঁটৰ সমস্যাৰো সৃষ্টি হৈছে। বিদ্যালয়-মহাবিদ্যালয়লৈ যোৱা ছাত্ৰ-ছাত্ৰীসকলেও দুৰ্ভোগ ভুগিবলগীয়া হৈছে। প্ৰতিবছৰে মানুহে হাৰাশাস্তি ভোগ কৰি থাকিবলগীয়া হৈছে বাৰিষাৰ এই দীঘলীয়া সময়ছোৱাত। বৰষুণ আৰম্ভ হোৱাৰ লগে লগে মানুহে এই পৰিস্থিতিৰ স’তে মোকাবিলা কৰিবলৈ চিন্তা কৰিবলগীয়া হয়। যিসকলৰ পৰিয়ালত ৰুগীয়া, বৃদ্ধ, গৰ্ভৱতী আৰু শিশু আছে তেওঁলোকে আৰু অধিক চিন্তা কৰিবলগীয়া হয়। এই লোকসকলৰ যদি কোনোৰ স্বাস্থ্যজনিত সমস্যাই দেখা দিয়ে তেন্তে এনে জটিল পৰিস্থিতিৰ মাজেদি উলিয়াই নিবলৈ যথেষ্ট কষ্ট সাধ্য হয়।সকলোৰে মনত এইটোৱে প্ৰশ্ন যে বছৰ বছৰ ধৰি ভুগি অহা এই সমস্যাটোৰ কেতিয়া সমাধান হ’ব? ইয়াৰ এক স্থায়ী সমাধান সকলো ৰাইজেই বিচাৰিছে। এই সমস্যাটো ৰোধ কৰাৰ বাবে নলা-নৰ্দমাৰ সু-ব্যৱস্থা কৰি আৰু দ-কৈ খান্দি সেইবোৰ যাতে পৰিষ্কাৰ পৰিচ্ছন্ন কৰি পানী উলিয়াই দিয়াৰ ব্যৱস্থা কৰিব পৰা যায় চৰকাৰে শীঘ্ৰে কাৰ্যকৰী কৰিব লাগে। ৰাস্তা-ঘাট, নলা-নৰ্দমা ঠিক কৰা কথাটো বাৰিষাৰ দিনকেইটালৈ পিছুৱাই নথৈ খৰালি কালতে ইয়াৰ ব্যৱস্থা কৰিব লাগে যাতে নলা-নৰ্দমাসমূহ কতো বন্ধ হৈ থাকি পানী আবদ্ধ হৈ থাকিব নোৱাৰে। বছৰত দুই-তিনিবাৰমান নলা-নৰ্দমাসমূহ পৰিষ্কাৰ কৰি জাবৰ-জোঁথৰসমূহ বাহিৰ কৰা দেখা যায় যদিও পুনৰাই জাবৰ-জোঁথৰসমূহ নলাটোৰ মুখতে দ’মাই থৈ অহাটো পৰিলক্ষিত হয়। ইয়াৰ ফলস্বৰূপে কেইজাকমান বৰষুণ হ’লেই সেইসমূহ খহি গৈ পুনৰ নলাত জমা হয়। গতিকে এইটো বৰ পৰিতাপৰ বিষয়। গতিকে নলা-নৰ্দমাসমূহ পৰিষ্কাৰ কৰাৰ পাছত সেইসমূহ উঠাই নি জাবৰ পেলোৱা ঠাইত পেলাব লাগে। চৰকাৰে এই বিষয়টো গুৰুত্ব সহকাৰে ল’ব লাগে। এই ক্ষেত্ৰত বিষয়টো পৌৰ নিগম আয়ুক্তৰ কাৰ্যালয়ে যথেষ্ট গুৰুত্ব সহকাৰে বিবেচনা কৰা উচিত। মহানগৰীৰ অ’ত-ত’ত বিপদসংকুল অৱস্থাত বৈদ্যুতিক ট্ৰেন্সফৰ্মাৰসমূহৰো মেৰামতি হ’ব লাগে। এইসমূহ মানুহৰ জীৱন যাত্ৰাৰ নিৰাপত্তাৰ ভাবুকিৰ কাৰণ হৈ দেখা দিয়ে। চৰকাৰে মানুহৰ মৃত্যু হ’লে এককালীন সাহায্য দি দায়িত্ব সামৰিলে ৰাইজে দীৰ্ঘদিন ধৰি জীয়াতু ভুগি থকা এই সমস্যাটোৰ সমাধান হ’ব নোৱাৰে। সেইবাবে চৰকাৰে এই সমস্যাটো স্থায়ীভাৱে সমাধান কৰিবলৈ প্ৰণালীবদ্ধ, সুপৰিকল্পিত ব্যৱস্থা গ্ৰহণ কৰক। ৰাইজেও ঘৰৰ জাবৰ-জোঁথৰসমূহ নলাটোত অথবা পথৰ দাঁতিত পেলাই যোৱাৰ পৰিৱৰ্তে পৌৰ নিগমৰ ডাষ্টবিনটোত পেলোৱাটো নিশ্চিত কৰক। চৰকাৰী প্ৰশাসনে নিজৰ দায়িত্বখিনি পালন কৰিলে লগতে প্ৰতিঘৰ পৰিয়ালে মহানগৰীখনত পৰিচ্ছন্ন কৰি ৰখাৰ এক সুন্দৰ অনুভূতি আৰু দায়িত্ববোধ জাগ্ৰত হ’লেহে মহানগৰীক ৰক্ষা কৰা আৰু পুনৰুদ্ধাৰ কৰাটো সম্ভৱ হৈ উঠিব।

ফোন : ৮৬৩৮০৬০৫৭৩






## ৰক্ষণশীলতাৰ বিৰুদ্ধে যুদ্ধ ঃ বৈধব্য প্ৰথাত নিষেধাজ্ঞাৰ আহ্বান মহাৰাষ্ট্ৰৰ গ্ৰাম পঞ্চায়তৰ



**নিউজ ব্যুৰ’, কোলাপুৰ, ২২ মে’ ঃ** বহু কাল ধৰি প্ৰচলিত হৈ অহা বৈধব্য প্ৰথা পালনত নিষেধাজ্ঞা আৰোপৰ উদ্যোগ গ্ৰহণ কৰিলে মহাৰাষ্ট্ৰৰ এখন গাঁৱে। মহাৰাষ্ট্ৰৰ গ্ৰামোন্নয়ন মন্ত্ৰী হাছান মুছৰিফে ৰাজ্যৰ সকলো গ্ৰাম পঞ্চায়তক বৈধব্য প্ৰথা অৱসানৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা ল’বলৈ আহ্বান জনাইছে। মহাৰাষ্ট্ৰৰ কোলাপুৰৰ হেৰৱাড় গাঁৱত যোৱা চাৰি মে’ত পঞ্চায়তে পৰম্পৰাগত বৈধব্য প্ৰথা বাতিল কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। এই বিষয়ত গাঁও পঞ্চায়তে এক প্ৰস্তাৱ গ্ৰহণ কৰি কয় যে স্বামীৰ মৃত্যুৰ পাছত মহিলাৰ সেন্দুৰ মচি দিয়া, মঙল সূত্ৰ খুলি পেলোৱাৰ বাধ্যতামূলক প্ৰথাৰ বিৰুদ্ধে পঞ্চায়তে নিষেধাজ্ঞা আৰোপ কৰিব বিচাৰিছে। মহিলাসকলক বৈধব্য প্ৰথা মানি ল’বলৈ বাধ্য কৰোৱাটো অসন্মানজনক বুলিও পঞ্চায়তে মত প্ৰকাশ কৰে। উল্লেখ্য যে কোলাপুৰৰ দৰে ৰাজ্যখনৰ মনগাঁও পঞ্চায়তেও একেধৰণৰ পদক্ষেপ গ্ৰহণ কৰিছে।

## ভাৰততো ‘মংকীপক্স’ৰ সংক্ৰমণৰ শংকা বৃদ্ধি ঃ কেৰালা-মহাৰাষ্ট্ৰত সতৰ্কতা

**নিউজ ব্যুৰ’, নতুন দিল্লী, ২২ মে’ ঃ** দুবছৰৰো অধিক সময় ধৰি বিশ্বক ক’ভিড-১৯ মহামাৰীয়ে আতংকিত কৰি ৰখাৰ পাছত এইবাৰ বিপদঘণ্টা বজাইছে ‘মংকীপক্স’-এ। ভাৰততো ‘মংকীপক্স’ৰ সংক্ৰমণৰ সন্দৰ্ভত সতৰ্কতা জাৰি কৰিলে বিশ্ব স্বাস্থ্য সংস্থাই। সম্প্ৰতি ইউৰোপত ‘মংকীপক্স’ৰ সংক্ৰমণ বৃদ্ধি পাইছে। বৰ্তমানলৈকে ভাৰতৰ ১২ খন দেশত মাত্ৰ ১০ দিনৰ ব্যৱধানত ৯০ জনৰো অধিক লোক এই ভাইৰাছত সংক্ৰমিত হৈছে। বিশ্ব স্বাস্থ্য সংস্থাই প্ৰকাশ কৰা অনুসৰি সমকামী পুৰুষৰ মাজতো ‘মংকীপক্স’ৰ সংক্ৰমণে দেখা দিছে। আগন্তুক দিনত আক্ৰান্ত ৰোগীৰ সংখ্যা অধিক বৃদ্ধি পাব বুলি শংকা প্ৰকাশ কৰিছে বিশ্ব স্বাস্থ্য সংস্থাই। ইতিমধ্যে ভাৰতৰ দুই ৰাজ্য কেৰালা আৰু মহাৰাষ্ট্ৰৰ স্বাস্থ্য বিভাগে ‘মংকীপক্স’ৰ সন্দৰ্ভত



প্ৰয়োজনীয় সতৰ্কতা জাৰি কৰিলে। এই দুই ৰাজ্যত সকলো জিলাত স্বাস্থ্য কৰ্তৃপক্ষক সতৰ্ক হ’বলৈ চৰকাৰে নিৰ্দেশ দিছে। আমেৰিকা, পশ্চিম আফ্ৰিকা, ব্ৰিটেইন, স্পেইন, পৰ্তুগাল, ইটালী, ছুইডেন আৰু কানাডাত ‘মংকীপক্স’ত আক্ৰান্ত ৰোগীক ইতিমধ্যে চিনাক্ত কৰা হৈছে। ইজৰাইলতো কালি প্ৰথমজন ‘মংকীপক্স’ আক্ৰান্তত চিনাক্ত কৰা হৈছে।

### বিজেপিৰ বিৰুদ্ধে কংগ্ৰেছবিহীন এক বিকল্প মৰ্চা গঠন কৰিব বিচাৰিছে ৰাৱে

## মিছন ২০২৪লৈ প্ৰস্তুতি চন্দ্ৰশেখৰৰ ঃ দিল্লীত অখিলেশ-কেজৰিৱালক সাক্ষাৎ তেলেংগানাৰ মুখ্যমন্ত্ৰীৰ

**নিউজ ব্যুৰ’ নতুন দিল্লী, ২২ মে’ ঃ** লোকসভাৰ নিৰ্বাচন ২০২৪ক লৈ বিৰোধীয়ে ইতিমধ্যে প্ৰস্তুতি আৰম্ভ কৰিছে। বিৰোধীৰ কে’বাজনো নেতাই ইতিমধ্যে লোকসভাৰ আগন্তুক নিৰ্বাচনৰ বাবে মৰ্চা গঠনৰ বাবে তৎপৰতা প্ৰদৰ্শন কৰিছে। পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জী আৰু তেলেংগানাৰ মুখ্যমন্ত্ৰী কে চন্দ্ৰশেখৰ ৰাৱে এই ক্ষেত্ৰত সবাতোকৈ অগ্ৰণী ভূমিকা গ্ৰহণ কৰা প্ৰত্যক্ষ হৈ আহিছে। মমতাই বিৰোধীক একত্ৰিত কৰি তৃণমূল কংগ্ৰেছৰ নেতৃত্বক লোকসভাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতাৰ ৰণকৌশলত বিশেষ গুৰুত্ব দিছে। কিন্তু কংগ্ৰেছসহ আন কে’বাটাও বিৰোধীৰ দলে তৃণমূল কংগ্ৰেছৰ এই প্ৰস্তাৱলৈ বিশেষ সঁহাৰি দিয়া নাই। এইবাৰ ২০২৪ৰ লোকসভাৰ নিৰ্বাচনক লৈ সক্ৰিয়তা প্ৰদৰ্শন কৰিলে তেলেংগানাৰ মুখ্যমন্ত্ৰী ৰাৱে। দুদিনীয়া ভ্ৰমণসূচীৰে দিল্লীত উপস্থিত হোৱা তেলেংগানাৰ মুখ্যমন্ত্ৰীয়ে আজি ৰাজধানীত সমাজবাদী পাৰ্টিৰ মুৰব্বী অখিলেশ যাদৱ আৰু দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালক সাক্ষাৎ কৰে। ৰাৱে এইদৰে কেজৰিৱাল আৰু অখিলেশক সাক্ষাৎ কৰাৰ পাছতে বিৰোধীৰ



শিবিৰত নতুন জল্পনা-কল্পনা অব্যাহত আছে।

তেলেংগানাৰ মুখ্যমন্ত্ৰীয়ে আজি টুইটাৰ হেণ্ডেলত অখিলেশ আৰু কেজৰিৱালক সাক্ষাৎ কৰাৰ ফটো শ্বেয়াৰ কৰে। টুইটাৰত ৰাৱে প্ৰকাশ কৰা মতে, অখিলেশ আৰু কেজৰিৱালৰ স’তে তেওঁ দেশৰ সাম্প্ৰতিক পৰিস্থিতিৰ সন্দৰ্ভত আলোচনা কৰিলে। প্ৰকাশিত বাতৰি অনুসৰি অখিলেশৰ স’তে হোৱা আলোচনাত ৰাৱে দেশৰ মূল্যবৃদ্ধি, নিবনুৱা সমস্যাসহ একাধিক বিষয়ত মত বিনিময় কৰে। সমাজবাদী পাৰ্টিৰ মুৰব্বীক সাক্ষাৎ কৰাৰ পাছত ৰাৱে দিল্লীৰ মুখ্যমন্ত্ৰীক লগ কৰে। কেজৰিৱালৰ স’তে হোৱা সাক্ষাৎকাৰত ৰাৱে দিল্লীৰ মোহল্লা ক্লিনিক আৰু ৰাষ্ট্ৰীয় ৰাজধানীৰ চৰকাৰী শিক্ষানুষ্ঠানৰ বিষয়ত আলোচনা কৰে। ৰাৱে মতিবাগত থকা চৰকাৰী বিদ্যালয় এখনো পৰিদৰ্শন কৰে। দিল্লীৰ উপ-মুখ্যমন্ত্ৰী মনিষ ছিছ’দিয়াই ৰাওক সংগ দিয়ে। উল্লেখ্য যে দেশৰ ৰাষ্ট্ৰপতিৰ নিৰ্বাচনৰ পূৰ্বে টি আৰ এছৰ মুৰব্বী ৰাৱে এইদৰে দিল্লীত অখিলেশ আৰু কেজৰিৱালক সাক্ষাৎ কৰাটো তাৎপৰ্যপূৰ্ণ বিবেচিত হৈছে। প্ৰকাশিত বাতৰি অনুসৰি বিহাৰ আৰু পশ্চিমবংগ ভ্ৰমণ কৰাৰ সম্ভাৱনা আছে। দৰাচলতে ৰাৱে বিজেপিৰ বিৰুদ্ধে কংগ্ৰেছবিহীন এক বিকল্প মৰ্চা গঠন কৰিব বিচাৰিছে আৰু এই উদ্দেশ্যৰে টি আৰ এছৰ মুৰব্বীয়ে আন বিৰোধী দলসমূহৰ মতামত গ্ৰহণ অভিযান চলাইছে।

## চীনত পুনৰ বৃদ্ধি কৰ’নাৰ সংক্ৰমণ, বেইজিঙৰ বহু অঞ্চলত তলাবন্ধ



**নিউজ ব্যুৰ’, বেইজিং, ২২ মে’ ঃ** বিশ্বৰ প্ৰায়বোৰ দেশতে কৰ’নাৰ সংক্ৰমণ সম্প্ৰতি হ্ৰাস পাইছে। কিন্তু চীন, উত্তৰ কোৰিয়াৰ দৰে দেশত ক’ভিডৰ সংক্ৰমণ পুনৰ বৃদ্ধি পাবলৈ ধৰিছে। চীনৰ ৰাজধানী বেইজিঙত বহু অঞ্চলত আজি তলাবন্ধ ঘোষণা কৰা হ’ল। ক’ভিড প্ৰতিৰোধৰ বাবে জি জিনপিং চৰকাৰে ‘ক’ভিড শূন্য’ নীতি অৱলম্বন কৰি আহিছে আৰু এই নীতি অনুসৰি বেইজিঙত ক’ভিডৰ সংক্ৰমণ বৃদ্ধি পোৱাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰশাসনে চহৰখনৰ বহু অঞ্চলত স্থানীয়ভাৱে তলাবন্ধ ঘোষণা কৰিছে। বেইজিঙৰ পাঁচখন জিলাৰ বাসিন্দাসকলক অহা ২৮ মে’লৈকে ঘৰতে থাকি কৰ্মক্ষেত্ৰৰ কাম-কাজ কৰিবলৈ প্ৰশাসনে নিৰ্দেশ দিছে। কালি চীনত স্থানীয়ভাৱে ক’ভিডত সংক্ৰমিত হোৱা ১৫৭ জন ৰোগীক চিনাক্ত কৰা হৈছিল। এইসকল ক’ভিড আক্ৰান্তৰ ৫২ জন বেইজিঙৰ বাসিন্দা। নতুনকৈ ক’ভিড আক্ৰান্তৰ সংখ্যা বৃদ্ধি পোৱাৰ প্ৰমাণ লাভৰ পাছতে প্ৰশাসনে বেইজিঙৰ একাধিক অঞ্চলত কঠোৰ তলাবন্ধ ঘোষণা কৰিছে।



## অষ্ট্ৰেলিয়াৰ নিৰ্বাচনত মৰিছনৰ পৰাজয়, নতুন প্ৰধানমন্ত্ৰী এন্থনী এলবানেজি

**নিউজ ব্যুৰ’ কেনবেৰা, ২২ মে’ ঃ** সুদীৰ্ঘ ন বছৰৰ পাছত অষ্ট্ৰেলিয়াৰ কনজাৰভেটিভ চৰকাৰক পৰাস্ত কৰি দেশখনৰ ক্ষমতা দখল কৰিলে লেবাৰ পাৰ্টিয়ে। দীৰ্ঘদিনৰ প্ৰধানমন্ত্ৰী স্কট মৰিছনৰ দল নিৰ্বাচনত পৰাজিত হোৱাৰ পাছত এইবাৰ অষ্ট্ৰেলিয়াৰ নতুন প্ৰধানমন্ত্ৰী হিচাপে দায়িত্ব লাভ কৰিলে লেবাৰ পাৰ্টিৰ নেতা এন্থনী এলবানেজিয়ে। প্ৰাথমিক গণনাৰ ফলাফল অনুসৰি চৰকাৰ গঠনৰ বাবে প্ৰয়োজনীয় ৭৬ আসনৰ ৭২ খন এলবানেজিৰ দলটোৱে লাভ কৰাৰ বিপৰীতে মৰিছনৰ নেতৃত্বত শাসকীয় মৰ্চাই ৫২ আসন লাভ কৰিলে। নিৰ্বাচনৰ ফলাফলৰ পাছতে পৰাজয় স্বীকাৰ কৰি মৰিছনে লিবাৰেল পাৰ্টিৰ নেতৃত্বৰ পৰা পদত্যাগৰ প্ৰতিশ্ৰুতি দিয়ে।

## কানাডাত ধুমুহাৰ তাণ্ডৱত চাৰিজন লোকৰ মৃত্যু



**নিউজ ব্যুৰ’, অণ্টাৰিঅ’, ২২ মে’ ঃ** ভয়াৱহ ধুমুহাই তাণ্ডৱ সৃষ্টি কৰিলে কানাডাৰ বিভিন্ন অঞ্চলত। দেশখনত পূৰ্বাঞ্চলত শক্তিশালী ধুমুহাৰ পৰিণতিত কমেও ন লাখ বাসগৃহ বিদ্যুৎ সংযোগহীন হ’ল প্ৰবল ধুমুহাত বহু গছ-গছনি ভাঙি পৰাৰ লগতে অগণন বাসগৃহৰ ক্ষতি হ’ল। এই প্ৰাকৃতিক দুৰ্যোগৰ ফলত দেওবাৰলৈকে দেশখনত চাৰিজন লোকৰ মৃত্যু হ’ল। পূৰ্বাঞ্চলৰ দুই ৰাজ্য অণ্টৰিঅ’ আৰু কিউবেকত ধুমুহাই সৰ্বাধিক ক্ষতি কৰিলে। যোৱা নিশা অহা ধুমুহাজাকত গছ বাগৰি পৰাৰ ফলত তিনিজন লোকৰ আৰু পানীত ডুবাৰ ফলত আন এজন লোকৰ মৃত্যু হ’ল।

## অবিলম্বে উমৈহতীয়া দেৱানী বিধি-জনসংখ্যা নিয়ন্ত্ৰণ আইন প্ৰৱৰ্তনৰ দাবী এম এন এছৰ মুৰব্বী থাকৰেৰ

**নিউজ ব্যুৰ’ মুম্বাই, ২২ মে’ ঃ** দেশত উমৈহতীয়া দেৱানী বিধি প্ৰৱৰ্তনৰ বিষয়ত এইবাৰ সৰৱ হ’ল মহাৰাষ্ট্ৰ নৱনিৰ্মাণ সেনা (এম এন এছ)ৰ মুৰব্বী ৰাজ থাকৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক অনুৰোধ জনাই এম এন এছৰ মুৰব্বীয়ে কয় যে ভাৰতত অবিলম্বে উমৈহতীয়া দেৱানী বিধি আৰু জনসংখ্যা নিয়ন্ত্ৰণ আইন চৰকাৰে প্ৰৱৰ্তন কৰা উচিত। আজি পুনেত এখন সভাত অংশ লোৱাৰ সময়ত



থাকৰেয়ে উমৈহতীয়া দেৱানী বিধি আৰু জনসংখ্যা নিয়ন্ত্ৰণ আইনৰ প্ৰসংগ উল্লেখ কৰি কয়, ‘মই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক অনুৰোধ জনাইছো, অবিলম্বে উমৈহতীয়া দেৱানী বিধি প্ৰৱৰ্তন কৰক। একে সময়তে দেশত জনসংখ্যা নিয়ন্ত্ৰণৰ বাবে আইন প্ৰৱৰ্তন কৰা উচিত।’ এম এন এছৰ মুৰব্বীজনে ঔৰংগাবাদৰ নাম সমভাজিনগৰ ৰাখিবলৈকো দাবী জনালে। উল্লেখ্য যে বিজেপি শাসিত উত্তৰাখণ্ডত চৰকাৰে ইতিমধ্যে উমৈহতীয়া দেৱানী বিধি প্ৰৱৰ্তনৰ উদ্যোগ গ্ৰহণ কৰিছে। ৰাজ্য চৰকাৰে নিজাববীয়াকৈ উমৈহতীয়া দেৱানী বিধি প্ৰৱৰ্তন কৰিব পাৰে নে নোৱাৰে সেই বিষয়ত উত্তৰাখণ্ডৰ বিজেপি চৰকাৰে আইনী বিশেষজ্ঞৰ পৰামৰ্শ গ্ৰহণ কৰিছে।



## ৪০ ঘণ্টাৰ জাপান ভ্ৰমণত ২৩ অনুষ্ঠানত অংশ ল’ব প্ৰধানমন্ত্ৰী মোদীয়ে

**নিউজ ব্যুৰ’ নতুন দিল্লী, ২২ মে’ ঃ** বিদেশ ভ্ৰমণৰ ক্ষেত্ৰত কম সময়ত অধিক সংখ্যক বৈঠকত অংশ লোৱাৰ ধাৰাবাহিকতা জাপান ভ্ৰমণতো অব্যাহত ৰাখিব ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। প্ৰধানমন্ত্ৰীয়ে জাপানত মুঠ ৪০ ঘণ্টা অতিবাহিত কৰিব আৰু এই সময়ছোৱাত তেওঁ ২৩ খন বৈঠকত অংশ ল’ব। উল্লেখ্য যে টকিঅ’ত কোৱাড বৈঠকত অংশ ল’বলৈ মোদীয়ে ২৪ মে’ত জাপানলৈ যাত্ৰা কৰিব। উক্ত বৈঠকৰ লগতে মোদীয়ে আমেৰিকা, জাপান আৰু অষ্ট্ৰেলিয়াৰ ৰাষ্ট্ৰনেতাৰ স’তে পৃথক বৈঠকতো অংশ ল’ব।

## অহা মাহত হ’ব জি এছ টি পৰিষদৰ বৈঠক, ল’ব পাৰে গুৰুত্বপূৰ্ণ সিদ্ধান্ত




**নিউজ ব্যুৰ’, নতুন দিল্লী, ২২ মে’ ঃ** ভাৰতত বিগত কিছুদিন ধৰি কৰফাকিৰ একাধিক অভিযোগ উত্থাপিত হৈ আহিছে। কৰফাকি প্ৰতিৰোধৰ বাবে সামগ্ৰী আৰু সেৱাকৰ (জি এছ টি) পৰিষদে অহা মাহত অনুষ্ঠিত হ’বলগীয়া বৈঠকত গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱাৰ সম্ভাৱনা আছে। জি এছ টি পৰিষদে কৰ আদায়ৰ জি এছ টি আৰ-৩ বি আবেদনপত্ৰৰ সংশোধনীৰ সিদ্ধান্ত ল’ব পাৰে। উল্লেখ্য যে জি এছ টি ব্যৱস্থাত একাংশ অসাধু ব্যৱসায়ীয়ে কূটকৌশল অৱলম্বনৰে কৰ ফাকিৰ দিয়াৰ অভিযোগ শেহতীয়াভাৱে উত্থাপিত হৈছে। কৰ ফাকিৰ ক্ষেত্ৰত জালিয়াতিৰ আশ্ৰয় লোৱাৰ ঘটনাও ইতিমধ্যে ধৰা পেলোৱা হৈছে। জি এছ টি সংগ্ৰহৰ প্ৰক্ৰিয়াটো অধিক সফল কৰি তোলাৰ বাবে পৰিষদে অহা মাহত অনুষ্ঠিত হ’বলগীয়া বৈঠকত উপায় নিৰ্ধাৰণৰ আলোচনা কৰিব। একাধিক পণ্য আৰু সেৱাৰ কৰৰ নিৰিখো আগন্তুক বৈঠকত সলনি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিব পাৰে জি এছ টি পৰিষদে। কেচিন’, ৰেচক’ৰ্চ আৰু অনলাইন গেমিঙৰ ক্ষেত্ৰত জি এছ টিৰ পৰিমাণ বৃদ্ধি কৰাৰো সম্ভাৱনা আছে। পৰিষদে সৰ্বসন্মতভাৱে এনে সেৱাৰ ক্ষেত্ৰত কৰৰ নিৰিখ বৃদ্ধি কৰি ২৮ শতাংশ নিৰ্ধাৰণ কৰিব পাৰে। বৰ্তমানে কেচিন’, ঘোঁৰাদৌৰ প্ৰতিযোগিতা অনলাইন গেমিঙৰ সেৱাৰ ক্ষেত্ৰত ১৮ শতাংশ জি এছ টি আদায় দিব লাগে।

## মেহুল চ’কচীৰ বিৰুদ্ধে অনুপ্ৰৱেশৰ গোচৰ প্ৰত্যাহাৰ ড’মিনিকাৰ



**নিউজ ব্যুৰ’, এণ্টিগুৱা, ২২ মে’ ঃ** ভাৰতত বেংকৰ পৰা বৃহৎ পৰিমাণৰ ঋণ গ্ৰহণ কৰি পৰিশোধ নকৰাকৈ বিদেশলৈ পলায়ন কৰা মেহুল চ’কচীৰ বিৰুদ্ধে অনুপ্ৰৱেশৰ গোচৰ প্ৰত্যাহাৰ কৰিলে ড’মিনিকা ৰিপাব্লিকানে। ড’মিনিকাৰ এই সিদ্ধান্তৰ ফলত পলাতক ভাৰতীয় প্ৰৱঞ্চকজনক স্বদেশলৈ ওভতালৈ অনাৰ প্ৰক্ৰিয়া অধিক জটিল হ’ল। ড’মিনিকাৰ দণ্ডাধীশৰ আদালতত দেশখনৰ পাব্লিক প্ৰচিকিউটৰ চেৰপা ডেলৰিপেলে চ’কচীৰ বিৰুদ্ধে পূৰ্বে উত্থাপন কৰা অনুপ্ৰৱেশৰ গোচৰ প্ৰত্যাহাৰ কৰাৰ কথা ঘোষণা কৰিলে। এণ্টিগুৱাৰ ৰয়েল আৰক্ষীৰ তদন্তত লাভ কৰা তথ্য অনুসৰি চ’কচীয়ে ড’মিনিকাত অনুপ্ৰৱেশ কৰা নাছিল, বৰঞ্চ তেওঁ দাবী কৰাৰ দৰে অপহৰণ কৰা হৈছিল। উল্লেখ্য যে পঞ্জাৱ নেচনেল বেংকৰ পৰা বৃহৎ পৰিমাণৰ ঋণ লৈ ভাৰত ত্যাগ কৰা চ’কচীয়ে ২০১৮ৰ পৰা এণ্টিগুৱাত বসবাস কৰি আহিছে।

## খাৰকীভত পুনৰ ৰাছিয়াৰ ক্ষেপণাস্ত্ৰ আক্ৰমণ



**নিউজ ব্যুৰ’ কীভ, ২২ মে’ ঃ** উত্তৰ খাৰকীভক ৰুছ সেনামুক্ত কৰাৰ পাছতো আক্ৰমণ অব্যাহত ৰাখিছে ৰাছিয়াই। কালি ৰাছিয়াই নিক্ষেপ কৰা ক্ষেপণাস্ত্ৰৰ আক্ৰমণত চূৰ্ণ-বিচূৰ্ণ হ’ল খাৰকীভত সদ্য পুনৰ নিৰ্মিত এটা সাংস্কৃতিক কেন্দ্ৰ। ৰাছিয়াৰ এই ক্ষেপণাস্ত্ৰ আক্ৰমণৰ ঘটনাক এটি শিশুসহ কমেও আঠজন লোক গুৰুতৰভাৱে আহত হ’ল। ইফালে, ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ জেলেনস্কিয়ে মন্তব্য প্ৰকাশ কৰি ক’লে যে একমাত্ৰ কূটনৈতিক পথৰ অবিহনে এই যুদ্ধত বন্ধ কৰাটো সম্ভৱ নহ’ব। খাৰকীভত ৰুছ সৈন্যই ক্ষেপণাস্ত্ৰৰে চলোৱা আক্ৰমণত ক্ষোভ প্ৰকাশ কৰি জেলেনস্কিয়ে সামাজিক মাধ্যমৰ জৰিয়তে কয়, ‘সদ্য নিৰ্মিত ল’জ’ভা চহৰৰ সাংস্কৃতিক কেন্দ্ৰটোক লক্ষ্য হিচাপে ল’লে ৰাছিয়াই। এয়া সম্পূৰ্ণৰূপে বুদ্ধিহীন অসৎ কাৰ্য। মানৱতা, শিক্ষাক্ষেত্ৰ, সংস্কৃতি—দখলদাৰীৰ আক্ৰমণত এতিয়া অক্ষত একো নাই। আমি এনে কাৰ্যক তীব্ৰ গৰিহণা দিওঁ।’

## দেশত পুনৰ ২৪ ঘণ্টাত ২,২২৬ জন ক’ভিডত আক্ৰান্ত, মৃত্যু বৃদ্ধি ৬৫ জনলৈ



**নিউজ ব্যুৰ’, নতুন দিল্লী, ২২ মে’ ঃ যোৱা ২৪ ঘণ্টাত ভাৰতত নতুনকৈ ২,২২৬ জন লোক ক’ভিড-১৯ত সংক্ৰমিত হ’ল। আনহাতে, এই মাৰাত্মক ভাইৰাছৰ সংক্ৰমণত দেশত পুনৰ ৬৫ জন ৰোগীৰ বিগত এদিনত মৃত্যু হ’ল। বৰ্তমানলৈকে ভাৰতত ৫,২৪,৪১৩ জন লোকৰ ক’ভিডত মৃত্যু হ’ল। বৰ্তমানে দেশত ১৪,৯৫৫ জন সক্ৰিয় ক’ভিড ৰোগী আছে। বিগত এদিনত কেৰালাত ৬৩ জন, দিল্লী আৰু উত্তৰ প্ৰদেশত এজনকৈ ক’ভিড ৰোগীৰ মৃত্যু হ’ল।**

## ধপাত জাতীয় পণ্যৰ বিজ্ঞাপনত অংশ লোৱা অজয়-শ্বাহৰুখৰ বিৰুদ্ধে গোচৰ ৰুজু

**নিউজ ব্যুৰ’, মুজফ্‌ফৰপুৰ, ২২ মে’ ঃ** ধপাতজাতীয় সামগ্ৰীৰ বিজ্ঞাপনত অংশ লৈ কঠোৰভাৱে সমালোচিত হৈ অহা বলিউড তাৰকাৰ বিৰুদ্ধে এইবাৰ ৰুজু হ’ল গোচৰ। মুজফ্‌ফৰপুৰৰ এখন আদালতত বলিউডী অভিনেতা শ্বাহৰুখ খান, অজয় দেৱগণ, অক্ষয় কুমাৰ, কুমাৰ ৰণবীৰ সিঙৰ বিৰুদ্ধে এক গোচৰ ৰুজু হ’ল। তমন্না হাছমি নামৰ এগৰাকী সমাজকৰ্মীয়ে মুজফ্‌ফৰপুৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত ধপাত জাতীয় সামগ্ৰীৰ প্ৰচাৰত অংশ লোৱাৰ অভিযোগত শ্বাহৰুখ, অজয়, অক্ষয় আৰু ৰণবীৰৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰিলে। ভাৰতীয় দণ্ডবিধিৰ ৩১১, ৪২০, ৪৬৭ আৰু ৪৬৮ ধাৰাৰ অধীনত এই চাৰি অভিনেতাৰ বিৰুদ্ধে তৰুণ প্ৰজন্মক ধপাতজাতীয় পণ্য



ব্যৱহাৰ কৰিবলৈ অনুপ্ৰাণিত কৰাৰ অভিযোগত গোচৰ তৰা হৈছে। উল্লেখ্য যে ধপাতজাতীয় পণ্যৰ বিজ্ঞাপনৰ স’তে জড়িত বলিউড তাৰকাক চৰকাৰে প্ৰদান কৰা পদ্মসন্মান প্ৰত্যাহাৰ কৰিবলৈকো বিজেপিৰ এজন নেতাই অলপতে দাবী জনাইছিল।

## শ্ৰীলংকাত জৰুৰী অৱস্থা প্ৰত্যাহাৰ



**নিউজ ব্যুৰ’ কলম্বো, ২২ মে’ ঃ** দেশৰ অৰ্থনীতি এতিয়াও বিপৰ্যস্ত। অব্যাহত আছে ব্যাপক প্ৰতিবাদ আৰু বিক্ষোভ। ইয়াৰ মাজতে জৰুৰী অৱস্থা প্ৰত্যাহাৰ কৰিলে শ্ৰীলংকা চৰকাৰে। কালিৰে পৰা শ্ৰীলংকাত জৰুৰী অৱস্থা প্ৰত্যাহাৰ কৰা হ’ল। উল্লেখ্য যে দেশব্যাপী বিক্ষোভ নিয়ন্ত্ৰণ কৰিবলৈ যোৱা ছয় মে’ত শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি গুটাবায়া ৰাজাপক্ষেয়ে দেশখনত জৰুৰী অৱস্থা ঘোষণা কৰিছিল। সূত্ৰৰ খবৰ অনুসৰি যোৱা দুসপ্তাহত শ্ৰীলংকাৰ আইন শৃংখলাৰ পৰিস্থিতি কিছু উন্নত হৈছে। ইয়াৰ পাছতে চৰকাৰে জৰুৰী অৱস্থা প্ৰত্যাহাৰৰ সিদ্ধান্ত ল’লে।

## দীৰ্ঘদিন বিৰতিৰ পাছত ৰাজনৈতিক টুইট নুছৰতৰ, মোদীক কটাক্ষ তৃণমূল সাংসদৰ

**নিউজ ব্যুৰ’, কলকাতা, ২২ মে’ ঃ** পশ্চিমবংগৰ বছিৰহাটৰ তৃণমূল কংগ্ৰেছৰ সাংসদ নুছৰত জাহানে আকৌ এবাৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক কটাক্ষ কৰি টুইট কৰিলে। উল্লেখ্য যে কিছুদিন পূৰ্বে সাংসদ নুছৰত সন্ধানহীন হোৱা বুলি নিজ সমৰ্থিত তৃণমূল কংগ্ৰেছৰে একাংশ কৰ্মীয়ে প’ষ্টাৰ আঁৰিছিল। সাংসদগৰাকীৰ সন্ধান বিচাৰি এইদৰে তৃণমূল কংগ্ৰেছৰ কৰ্মীয়ে নুছৰতৰ প’ষ্টাৰ লগাইছিল। দীৰ্ঘদিন ধৰি নুছৰতে ৰাজনৈতিক সক্ৰিয়তা প্ৰদৰ্শনৰ পৰা বিৰত আছিল। আজি তৃণমূল কংগ্ৰেছৰ সাংসদগৰাকীয়ে মোদীক সামাজিক মাধ্যমৰ জৰিয়তে কটাক্ষ কৰে। উল্লেখ্য যে যোৱা শুকুৰবাৰে মোদীয়ে বিৰোধীক কটাক্ষ কৰি কৈছিল, ‘ৰাজনৈতিক স্বাৰ্থ চৰিতাৰ্থ কৰিবলৈ সৰু সৰু ঘটনাক লৈ ব্যস্ত থাকে বিৰোধী। এইদৰেই মানুহৰ মাজত বিদ্বেষ বিয়পাইছে ৰাজনৈতিক দলসমূহে।’



প্ৰধানমন্ত্ৰীৰ বক্তব্যৰ এই অংশ দাঙি ধৰি এক টুইটত নুছৰতে এইদৰে কয়, ‘প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নিশ্চয় ৰাজ্যিক বিজেপিৰ কথা কৈছে।’ নুছৰতৰ এই মন্তব্যৰ পাছতে সামাজিক মাধ্যমত বিষয়টোৱে বিশেষ চৰ্চা লাভ কৰিছে। একাংশ সামাজিক মাধ্যম ব্যৱহাৰকাৰীয়ে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে পুনৰ ৰাজনীতিত প্ৰাসংগিক হ’বলৈ নুছৰতে এইদৰে ৰাজনৈতিক টুইট কৰিলে। ইমানদিনে ক’ত আছিল বুলিও একাংশই তৃণমূল কংগ্ৰেছৰ সাংসদগৰাকীক প্ৰশ্নও কৰে।

## উত্তৰ প্ৰদেশত পথ দুৰ্ঘটনাত আঠ বিবাহযাত্ৰীৰ মৃত্যু




**নিউজ ব্যুৰ’, লক্ষ্ণৌ, ২২ মে’ ঃ বিবাহ মণ্ডপৰ পৰা ঘৰলৈ উভতি অহাৰ পথত এক মৰ্মান্তিক দুৰ্ঘটনাত প্ৰাণ হেৰুৱালে আঠজন লোকে। এখন যাত্ৰীবাহী জীপে পথৰ কাষত থকা এখন ট্ৰাকত খুন্দা মৰাৰ ফলত এই দুৰ্ঘটনাটো সংঘটিত হ’ল। ঘটনাত তিনিজন লোক গুৰুতৰভাৱে আহত হৈছে। উত্তৰ প্ৰদেশৰ সিদ্ধাৰ্থ নগৰৰ আজি পুৱা এই দুৰ্ঘটনা সংঘটিত হৈছিল। দ্ৰুত গতিত বাহন চলোৱাৰ ফলতে দুৰ্ঘটনাটো সংঘটিত হ’ল বুলি সন্দেহ কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে দুৰ্ঘটনাৰ সন্দৰ্ভত শোক প্ৰকাশ কৰাৰ লগতে নিহত আৰু আহতৰ পৰিয়ালক ক্ৰমে দুই লাখ আৰু ৫০ হেজাৰ টকাৰ ক্ষতিপূৰণ প্ৰদানৰ কথা ঘোষণা কৰিছে।**





# শংকৰদেৱৰ সংঘৰ নগাঁও জিলাৰ মাধৱদেৱৰ আৱিৰ্ভাৱ মহোৎসৱ

## ■ হৰিনামেৰে মুখৰিত চকলাঘাট




**অগ্ৰদূত বাৰ্তা**

**বেৰেজীয়া, ২২ মে’ ঃ** শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নগাঁও জিলা শাখাৰ ৫৩৪ সংখ্যক শ্ৰীশ্ৰী মাধৱদেৱৰ আৱিৰ্ভাৱ মহোৎসৱ শ্ৰীমন্ত শংকৰদেৱ আঞ্চলিক শাখাৰ আতিথ্য আৰু ব্যৱস্থাপনাত আজি হাতীচোং মৌজাৰ চকলাঘাটত বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হয়। সেয়ে জিলাখনৰ ১৯খন আঞ্চলিকৰ কে’বাসহস্ৰাধিক বাপ-বান্ধৱ, আই-মাতৃসকলৰ উপস্থিতিত হৰিনামৰ ধ্বনিৰে পুৱাৰে পৰা মুখৰিত হৈ পৰে চকলাঘাট ৰাস মন্দিৰ প্ৰাংগণ। এই উপলক্ষে কাৰ্যসূচী অনুসৰি পুৱা প্ৰাতঃপ্ৰসংগ, পৰিৱেশ নিকাকৰণৰ পাছতে বৃক্ষৰোপণৰ আৰম্ভ কৰে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নগাঁও জিলা শাখাৰ উপ-সভাপতি তথা প্ৰবীণ শিক্ষাবিদ, কবি ৰাণা প্ৰকাশ বৰাই। গুৰুঘাটৰ মংগলধ্বনি আৰু আয়তিসকলৰ উৰুলিৰ মাজেৰে এক বৰ্নাঢ্য পৰিৱেশত পুৱা ন বজাত মহোৎসৱৰ পতাকা উত্তোলন কৰি শ্ৰীমন্ত শংকৰদেৱ সংঘৰ জিলা শাখাৰ সভাপতি জ্যোতি প্ৰসাদ ভূঞাই শ্ৰীমন্ত শংকৰদেৱ সংঘই গুৰুজনাৰ কৃষ্টি-সংস্কৃতি আৰু নাম-ধৰ্মৰ প্ৰচাৰৰ বাবে গ্ৰহণ কৰি অহা কৰ্মৰাজি সন্দৰ্ভত ভাষণ আগবঢ়ায়। ইয়াৰ পাছতে ভাগৱত আৰু সাংস্কৃতিক শোভাযাত্ৰা মুকলি কৰে মূলৰ সদস্য নলিনী বৰাই। অসমীয়া ভাওনাৰ দৃশ্যপট, গায়ন-বায়ন, আয়তিসকলৰ জাত জাত দিহা নাম আদিৰে মুখৰিত শোভাযাত্ৰাটো বৃহত্তৰ অঞ্চলটোৰ বিভিন্ন গাঁও পৰিভ্ৰমণ কৰে। দিনৰ ১১.৩০ বজাত স্থানীয় আইসকলৰ দিহা নাম পৰিৱেশনৰে আৰম্ভ হোৱা ধৰ্মালোচনী সভাত পৌৰোহিত্য কৰে জ্যোতি প্ৰসাদ ভূঞাই। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নগাঁও জিলা শাখাৰ সম্পাদক তোষেশ্বৰ বৰাই ধৰ্মালোচনী সভাখন উদ্বোধন কৰি ভাষণ প্ৰসংগত কয় যে নামঘোষাতেই মাধৱদেৱ সম্পূৰ্ণ হৈ আছে। ধৰ্মালোচনী সভাত অতিথিৰূপে মূলৰ সদস্য তথা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰাক্তন সম্পাদক প্ৰফুল্ল চন্দ্ৰ বৰা, মূলৰ সদস্য হৰিদাস ৰাজকুমাৰ আৰু শণিৰাম দাস আদিয়ে ধৰ্মীয় বিষয়ত ভাষণ আগবঢ়ায়। জিলা সম্পাদক তোষেশ্বৰ বৰা, আদৰণি সমিতিৰ সম্পাদক উৎপল হাজৰিকা আৰু শ্ৰীমন্ত শংকৰদেৱ আঞ্চলিকৰ সম্পাদক পংকজ শইকীয়াই আঁত ধৰি আগবঢ়াই নিয়া ধৰ্মালোচনী সভাত জিলা শাখাৰ বিষয়ববীয়া ৰাণাপ্ৰকাশ বৰা, চেনাৰাম ডেকা, ধীৰসিং বৰদলৈ, দিপাংকৰ বৰদলৈ, জিলাধিনায়ক নৰজ্যোতি বৰুৱা, শংকৰদেৱ আঞ্চলিকৰ সভাপতি চেনীৰাম ভূঞা, চকলাঘাট ৰাস মন্দিৰৰ সভাপতি ক্ষিতেশ্বৰ বৰা, সম্পাদক অনন্ত শইকীয়া, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ মহিলা নেত্ৰী ৰুমী বৰা, ববী বৰদলৈ আৰু মমতা বৰকাকতি আদি উপস্থিত থাকে। ধৰ্মালোচনী সভাখনত কৃষ্টি কন্যা শইকীয়া আৰু কস্তুৰী শইকীয়াই বৰগীত, শিল্পী জিতু ডেকাৰ পৰিচালনাত ঝুমুৰা নৃত্য আৰু মথুৰা দাস আতা প্ৰাথমিকৰ আইসকলে দিহা নাম পৰিৱেশন কৰে। ইফালে, মহোৎসৱৰ স’তে সংগতি ৰাখি কাইলৈ নিশা পূৱ হাতীচোং ৰাস মন্দিৰৰ সৌজন্যত বিশিষ্ট নাট্যকাৰ গম্ভীৰ শইকীয়াৰ ৰচিত নাটক ‘শ্ৰীশ্ৰী মাধৱদেৱ’ মঞ্চায়ন হ’ব।

# জনজাতিকৰণকে ধৰি অন্যান্য দাবীত গঢ়ি তুলিব বৌদ্ধিক আন্দোলন

## ডিব্ৰুগড়ত টাইপাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ২২ মে’ ঃ** জনজাতিকৰণ আৰু স্বায়ত্ত শাসনৰ দাবীত পুনৰ আহোম জনগোষ্ঠীক ঐক্যবদ্ধ কৰি আন্দোলন অব্যাহত ৰাখিব জনগোষ্ঠীটোৰ অন্যতম সংগঠন টাইপাই। কেৱল ৰাজপথৰ আন্দোলনতে সীমাবদ্ধ নহয়, বৌদ্ধিকভাৱেও আন্দোলন আগবঢ়াই নিয়াৰ পদক্ষেপ গ্ৰহণ কৰিছে টাই আহোম যুৱ পৰিষদ চমুকৈ টাইপাই আৰু এই উদ্দেশ্যে বৌদ্ধিক অভিৱৰ্তন টাইপাই অনুষ্ঠিত কৰাৰো সিদ্ধান্ত গ্ৰহণ কৰে। এনে বিভিন্ন বিষয়ৰ ওপৰত আজি ডিব্ৰুগড়ত টাইপাৰ কেন্দ্ৰীয় সমিতিৰ এখন কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। আগন্তুক সময়ত সংগঠনে প্ৰদান কৰি অহা লাচিত বৰফুকন বঁটা আৰু পূজা অনুষ্ঠিত কৰাকে আদি কৰি কেঁবাটাও কাৰ্যসূচী সন্দৰ্ভতো আলোচনা কৰা হয়। আনহাতে, ৰাজ্যৰ বানবিধ্বস্ত অঞ্চলসমূহত বান সাহায্য প্ৰদান কৰাৰ বিষয়েও আলোচনাত মিলিত হয় টাইপা। ইফালে বানৰ সময়ত কেন্দ্ৰীয় চৰকাৰক উপযুক্ত বান সাহায্য প্ৰদান কৰিবলৈকো দাবী জনায় সংগঠনটোৱে। ইপিনে বটদ্ৰৱাত এখন থানা জ্বলাই দিয়া ঘটনাত চৰকাৰৰ ব্যৰ্থতাৰ অভিযোগ তুলি ৰাজহুৱা সম্পত্তি সুৰক্ষা দিয়াৰ ক্ষেত্ৰত চৰকাৰ বিফল হৈছে বুলি মন্তব্য প্ৰদান কৰে সংগঠনটোৰ কেন্দ্ৰীয় নেতৃবৃন্দই। ডিব্ৰুগড়ৰ হোটেল লিটিল প্লেচত অনুষ্ঠিত কাৰ্যনিৰ্বাহক সভাত সভাপতি দিলীপ গগৈ, যুটীয়া সম্পাদক দিগন্ত তামুলী, দ্বীপ দুৱৰা, কাৰ্যকৰী সভাপতি ভীগু হাটীমূৰীয়াসহ অন্যান্য বিষয়ববীয়াসকল উপস্থিত থাকে।

# মন্ত্ৰী ৰণজিৎ দাসৰ সৰ্থেবাৰীৰ বানাক্ৰান্ত অঞ্চল পৰিদৰ্শন



**অগ্ৰদূত বাৰ্তা**

**সৰ্থেবাৰী, ২২ মে’ ঃ** অসম চৰকাৰৰ জ্যেষ্ঠ মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে বছৰৰ প্ৰথমটো বানে বিধ্বস্ত কৰা সৰ্থেবাৰী ৰাজহ চক্ৰৰ কে’বাখনো গাঁও আজি পৰিভ্ৰমণ কৰি ক্ষয়-ক্ষতিৰ বুজ লয়। আজি পুৱা প্ৰায় ন বজাত সৰ্থেবাৰীত উপস্থিত হৈ মন্ত্ৰীজনে ৰাজহ চক্ৰটোৰ পাৰাহকুছি, কালাতলী আদি কে’বাখনো গাঁও পৰিভ্ৰমণ কৰি বানাক্ৰান্ত ৰাইজৰ লগত মত বিনিময়ত কৰে। এই সময়ছোৱাত মন্ত্ৰী দাসে গাঁৱৰ ৰাইজৰ মাজত কিছু পশু খাদ্যও বিতৰণ কৰে। মন্ত্ৰীজনে অঞ্চলটোৰ মাজেৰে যোৱা বুঢ়াদিয়া নদীৰ ভঙা মথাউৰি পৰিদৰ্শন কৰে আৰু ইয়াৰ তৎকালীন মেৰামতিৰ বাবে জলসম্পদ বিভাগক নিৰ্দেশ দিয়ে। উল্লেখ্য যে সৰ্থেবাৰী ৰাজহ চক্ৰৰ মাজেৰে বৈ যোৱা টিহু, বুঢ়াদিয়া আৰু কালদিয়া নদীয়ে প্ৰতি বছৰে অঞ্চলটোত ত্ৰাসৰ সৃষ্টি কৰি আহিছে। বিগত ২০২০ত হোৱা প্ৰলয়ংকাৰী বানপানীয়ে কেউখন নদীৰে মথাউৰি ভাঙি পেলায় যদিও জলসম্পদ বিভাগে আজিলৈকে সেই মথাউৰি মেৰামতি নকৰিলে। অঞ্চলটোৰ ৰাইজে বাৰম্বাৰ সংশ্লিষ্ট বিভাগক কালাতলী, খৰিয়া, বতিয়া আদি গাঁৱত উন্মুক্ত হৈ থকা বুঢ়াদিয়া নদীৰ মথাউৰি নিৰ্মাণৰ বাবে অনুৰোধ কৰি আহিছিল যদিও বিভাগে তাৰ প্ৰতি কোনো কাণসাৰ নিদিলে। ফলস্বৰূপে এইবাৰৰ প্ৰথমটো বানতে এই নৈ সমূহৰ বাঢ়নী পানীয়ে ৰাজহ চক্ৰটোৰ অৰ্ধশতাধিক গাঁও প্লাৱিত কৰে। বানপানীয়ে খেতিপথাৰ প্লাৱিত কৰাত ইৰি ধানৰ খেতিৰ বিস্তৰ ক্ষতি হয়। ইয়াৰ পাছত মন্ত্ৰীজনে সৰ্থেবাৰী পৌৰসভাৰ কাৰ্যালয়লৈ গৈ নবনিৰ্বাচিত প্ৰতিনিধিসকলৰ স’তে মত বিনিময় কৰে। আজিৰ এই ভ্ৰমণ কালত তেওঁৰ লগত বৰপেটাৰ উপযুক্ত তেজপ্ৰসাদ ভূষাল, বিজেপিৰ বজালী জিলা সমিতিৰ সভাপতি নগেন চৌধুৰী, অগপৰ ৰাজ্যিক মুখপাত্ৰ ধৰ্মেশ্বৰ ৰয়ৰ উপৰি কে’বাজনো স্থানীয় নেতা-কৰ্মী উপস্থিত থাকে।

# ক্ৰমাৎ উন্নত দৰং জিলাৰ বান পৰিস্থিতি

## উপায়ুক্তই পৰিদৰ্শন কৰে গৰুখুঁটি প্ৰকল্প

**বিশেষ সংবাদদাতা**

**মঙলদৈ, ২২ মে’ ঃ** ক্ৰমাৎ উন্নত হ’বলৈ ধৰিছে দৰং জিলাৰ বান পৰিস্থিতি। ব্ৰহ্মপুত্ৰকে ধৰি বৰনদী, ননৈ, মঙলদৈ, নোৱানদী আদি সকলো নদীৰে জলপৃষ্ঠ হ্ৰাস হ’বলৈ ধৰাত পূৰ্বৰ প্লাৱিত গাওঁৰ সংখ্যা ১৫৪ ৰ পৰা কমি আজি ৮৮ খন হয়। বৰ্তমান জিলাখনত বানাক্ৰান্তৰ সংখ্যা হৈছে ২৮০০১ জন লোক আৰু ২০১৯৭.৪০ হেক্টৰ মুঠ কৃষিভূমি অঞ্চল প্লাৱিত হৈ আছে। তদুপৰি বানৰ কবলত পৰা পশুধন হৈছে ৫৮৩৭৬ টা। বান পৰিস্থিতি উন্নত হোৱাৰ পৰিপ্ৰেক্ষিতত প্ৰশাসনৰ দ্বাৰা স্থাপিত কে’বাটাও সাহায্য শিবিৰৰ পৰা নিজ নিজ ঘৰলৈ বানপীড়িত আজি উভতি যায়। এতিয়া কেৱল মঙলদৈ ৰাজহ চক্ৰৰ অধীনত চাৰিটা সাহায্য শিবিৰ কাৰ্যক্ষম হৈ আছে। আনহাতে, জিলা উপায়ুক্ত প্ৰণৱ কুমাৰ শৰ্মাই আজি ছিপাঝাৰ সমষ্টিৰ অন্তৰ্গত গৰুখুঁটি ভ্ৰমণ কৰি কৃষি প্ৰকল্পৰ বিভিন্ন কাম-কাজৰ বুজ লয় আৰু বান পৰিস্থিতি মোকাবিলা কৰিব পৰাকৈ সংশ্লিষ্ট বিভাগসমূহক সক্ষম থাকিবলৈ নিৰ্দেশ প্ৰদান কৰে ।



*দোতমাত সদৌ অসম বাঙালী যুব-ছাত্ৰ ফেডাৰেছনৰ কোকৰাঝাৰ জিলা সমিতিৰ সাধাৰণ সভা ।*

# বটদ্ৰৱা আৰক্ষী থানা জ্বলোৱা কাৰ্যক তীব্ৰ গৰিহণা বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ

**অগ্ৰদূত বাৰ্তা**

**ডিমৌ, ২২ মে’ ঃ** নগাঁও জিলাৰ বটদ্ৰৱা থানাত এজন আটকাধীন লোক আৰক্ষীৰ জিম্মাত চিকিৎসাধীন অৱস্থাত মৃত্যু হোৱাক কেন্দ্ৰ কৰি কালি এদল উন্মত্ত দুষ্কৃতিকাৰীয়ে প্ৰতিবাদৰ নামত চৰম উদ্ভণ্ডালি কৰি আইন হাতত তুলি লৈ বটদ্ৰৱা থানা জ্বলাই দিয়া কাৰ্যক বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ কাৰ্যকৰী সভাপতি যাদৱ গগৈয়ে তীব্ৰ প্ৰতিক্ৰিয়া কৰি অসম চৰকাৰৰ গৃহ বিভাগ চূড়ান্ত ব্যৰ্থ হৈছে বুলি অভিযোগ উত্থাপন কৰিছে। যি সময়ত চৰকাৰখনে সাধাৰণ জনতাক সুৰক্ষা দিয়াৰ কথা কয়, তেনে সময়তে অসমত আৰক্ষীৰ নিৰাপত্তা নোহোৱা ঘটনাই অসম আৰক্ষীৰ ফোঁপোলা স্বৰূপটোকে উদঙাই দিছে বুলি উল্লেখ কৰি থানাখন জ্বলি যোৱাৰ ফলত বহু গুৰুত্বপূৰ্ণ নথিপত্ৰ বন্দুক-বাৰুদ, গাড়ী-মটৰ জ্বলি ছাৰখাৰ হোৱা বাবে হয়তো বহু অপৰাধীৰ তথ্য থকা গোচৰসমূহৰ ক্ষেত্ৰত কি ব্যৱস্থা গ্ৰহণ কৰিব তাকে লৈ তেওঁ প্ৰশ্ন কৰে। থানা জ্বলাই দিয়াৰ দৰে ঘটনা সংঘটিত কৰা দোষীসকলক চিনাক্ত কৰি কঠোৰ শাস্তি প্ৰদান কৰাৰ সমান্তৰালকৈ আৰক্ষীৰ জিম্মাত কেনেকৈ এজন আটকাধীন লোকৰ মৃত্যু হ’ল, তাৰো এক উচিত তদন্ত কৰিবলৈ দাবী জনাইছে।

# শিৱসাগৰ-চৰাইদেউৰ পৰা হজলৈ ৰাওনা হ’ব লগা ৯৬ গৰাকী হজযাত্ৰীৰ প্ৰশিক্ষণ সমাপ্ত

**বিশেষ সংবাদদাতা,**

**শিৱসাগৰ, ২২ মে’ ঃ** প্ৰতিবছৰৰ দৰে এইবাৰো বিশ্বৰ অন্য ঠাইৰ লগতে শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ পৰা চৰকাৰী আৰু ব্যক্তিগতভাৱে পৱিত্ৰ আৰৱ দেশলৈ হজৰ বাবে ৰাওনা হ’ব ৯৬ গৰাকী হজযাত্ৰী। শিৱসাগৰ জিলাখনৰ পৰা ৬৯ গৰাকী, চৰাইদেউৰ পৰা ১৭ গৰাকীৰ লগতে ব্যক্তিগতভাৱে ১০ গৰাকী হজযাত্ৰীক আজি শিৱসাগৰ জিলা হজ কমিটীয়ে আনুষ্ঠানিকভাৱে প্ৰশিক্ষণ প্ৰদান কৰে। ঐতিহাসিক শিৱসাগৰ নগৰৰ সমীপৰ হাতীখোক ছোৱালী মাদ্ৰাছাৰ প্ৰাংগণত অনুষ্ঠিত প্ৰশিক্ষণৰ অনুষ্ঠানটো উদ্বোধন কৰি জিলা হজ কমিটীৰ যুটীয়া সম্পাদক তথা জিলা অতিৰিক্ত উপায়ুক্ত বিতোপন নেওগে সকলো হজযাত্ৰীক শুভেচ্ছা জনোৱাৰ লগতে সকলোকে পৱিত্ৰ মক্কা-মদিনালৈ গৈ ভাৰতবাসীৰ লগতে অসমবাসীৰ শান্তিৰ বাবে প্ৰাৰ্থনা জনাবলৈ আহ্বান জনায়। শিৱসাগৰ ছোৱালী মাদ্ৰাছাৰ পৰিচালনা সমিতিৰ সভাপতি আলহাজ চাহজামাল আহমেদৰ সঞ্চালনাত অনুষ্ঠিত অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা কৰে জিলা হজ কমিটীৰ আন এগৰাকী যুটীয়া সম্পাদক আলহাজ জুনু খানে। চৰকাৰীভাৱে দায়িত্ব দিয়া হাজীসকলৰ সহায়ক আচিফ জামান আহমেদ, চৈয়দ আতিকুৰ ৰহমানৰ উপস্থিতিত প্ৰশিক্ষক হিচাপে অংশগ্ৰহণ কৰি মৌলানা মইনুল হকে হজযাত্ৰীসকলে পৱিত্ৰ মক্কা আৰু মদিনাত কৰিবলৈ কামসমূহ কেনেদৰে সম্পন্ন কৰিব পাৰিব তাৰ ওপৰত বিস্তৃত বৰ্ণনা আগবঢ়ায়। অনুষ্ঠানৰ আৰম্ভণিত মৌলানা জিয়াউৰ ৰহমানে কোৰাণ তিলাৱতে আৰম্ভ কৰা অনুষ্ঠানত অভিজ্ঞ আলিম তথা শিৱসাগৰ দ্বিনী মাদ্ৰাছাৰ অধ্যক্ষ মৌলানা আতিকুৰ ৰহমানৰ উপৰি কে’বাগৰাকী বিশিষ্ট মৌলানাই ধৰ্মীয় নীতি-নিয়মৰ সন্দৰ্ভত সুন্দৰ বক্তব্য প্ৰদান কৰে। আনহাতে ২৯ মে’ত সিংহদুৱাৰ মছজিদ পৰিচালনা সমিতি আৰু গাঁওবাসীৰ উদ্যোগত হজলৈ ৰাওনা হ’বলগীয়া হাজীসকলৰ এক প্ৰশিক্ষণ কাৰ্যসূচী ৰূপায়ণ কৰা হ’ব বুলি সদৰী কৰিছে। এই প্ৰশিক্ষণ প্ৰদান কৰিব আলহাজ নৌচাদ হুছেইন (জইন) চাহাবে। পৰৱৰ্তী পৰ্যায়ত জিলাখনৰ প্ৰতিগৰাকী হজযাত্ৰীক শিৱসাগৰ স্বাস্থ্য বিভাগে শিৱসাগৰ দ্বীনি মাদ্ৰাছাৰ প্ৰাংগণত এক প্ৰতিষেধক কাৰ্যসূচীও হাতত লৈছে বুলিও সদৰী কৰিছে।

# শিৱসাগৰ জিলা কংগ্ৰেছৰ উদ্যোগত ৰাজীৱ গান্ধীৰ মৃত্যু দিৱস উদযাপন

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ২২ মে’ ঃ** শিৱসাগৰ ৰাজীৱ ভৱনত জিলা কংগ্ৰেছৰ উদ্যোগত কালি দেশৰ সপ্তম প্ৰধানমন্ত্ৰী ভাৰতৰত্ন প্ৰয়াত ৰাজীৱ গান্ধীৰ ৩১ সংখ্যক মৃত্যু দিৱস দিনজোৰা কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। স্মৃতি তৰ্পণেৰে অনুষ্ঠানৰ আৰম্ভ কৰে শিৱসাগৰ জিলা কংগ্ৰেছৰ নৱ-নিযুক্ত সভাপতি মঞ্জীৰ গগৈয়ে। স্মৃতিচাৰণ সভাত নিৰ্দিষ্ট বক্তাৰূপে অংশগ্ৰহণ কৰি স্তম্ভ লেখক চামচুল বাৰিকে ৰাজীৱ গান্ধীক আধুনিক ভাৰতৰ সপোন দেখা প্ৰধানমন্ত্ৰী বুলি কয়। ভাষণ প্ৰসংগত তেওঁ কয় যে দেশৰ টেলিকম ব্যৱস্থাক সময়ৰ স’তে খাপ খোৱাই নিবৰ বাবে গান্ধীয়ে গুৰুত্বপূৰ্ণ কাৰ্যব্যৱস্থা গ্ৰহণ কৰিছিল। ভোটাধিকাৰীৰ বয়সৰ সীমা ২১ বছৰৰ পৰা ১৮ বছৰলৈ আনি জনপ্ৰতিনিধি নিৰ্বাচনত উঠি অহা চামক অংশগ্ৰহণৰ সময়োপযোগী সিদ্ধান্ত নেতাগৰাকীৰ দিনতে হৈছিল আৰু নৱোদয় বিদ্যালয়ৰ ধাৰণা আৰম্ভ কৰাৰ যোগেদি দেশৰ সাধাৰণ লোকৰ সন্তানক বিনামূলীয়াকৈ আৱাসিক অঞ্চলত গৃহ শিক্ষা দিয়াৰ ব্যৱস্থা গান্ধীয়েই কৰিছিল বুলি বক্তাজনে উল্লেখ কৰে। এজন ৰাষ্ট্ৰীয়তাবাদী নেতা হৈয়ো অসম আৰু অসমীয়াৰ হকে চিন্তা কৰাৰ বাবেই প্ৰাক্তন প্ৰধানমন্ত্ৰীজনে ঐতিহাসিক ‘অসম চুক্তি’ত স্বাক্ষৰ প্ৰদান কৰিছিল। এই অনুষ্ঠানটোত শিৱসাগৰ জিলা কংগ্ৰেছৰ উপ-সভাপতি প্ৰবীণ বৰুৱা, জ্যেষ্ঠ কংগ্ৰেছ কৰ্মী নৱ গোহাঁই, জিলা মহিলা কংগ্ৰেছৰ সভানেত্ৰী নীনা বৰুৱা আৰু জিলা সংখ্যালঘু কোষৰ সভাপতি ৰবীন্দ্ৰ সিং উপস্থিত আছিল। সভাত জিলাৰ অন্তৰ্গত বিভিন্ন সমষ্টিৰ দলীয় কৰ্মীসকল উপস্থিত আছিল। সভাপতিৰ ভাষণত গগৈয়ে প্ৰয়াত ৰাজীৱ গান্ধীক দেশৰ এজন সুযোগ্য কনিষ্ঠ প্ৰধানমন্ত্ৰী বুলি অভিহিত কৰে আৰু তেওঁৰ আদৰ্শক বাস্তৱায়িত কৰাৰ প্ৰতি উপস্থিত সুধীবৃন্দক আহ্বান জনায়।

# বিজেপিৰ ৰংপুৰ মহিলা মৰ্চাৰ প্ৰথমখন কাৰ্যনিৰ্বাহক সভা

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ২২ মে’ ঃ** শিৱসাগৰ জিলাৰ বিজেপিৰ মহিলা মৰ্চাৰ ৰংপুৰ মণ্ডলৰ প্ৰথমখন কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। সুন্দৰপুৰ ৰংগমঞ্চত অনুষ্ঠিত সভাখনৰ সঞ্চালনা কৰে ৰংপুৰ মহিলা মৰ্চাৰ সভানেত্ৰী ববী দত্তয়ে। দলটোৰ সাংগঠনিক দিশক সবল কৰা লক্ষ্যৰে আয়োজিত কাৰ্যনিবাহক সভাত অংশগ্ৰহণ কৰি জিলা বিজেপিৰ সভাপতি ময়ূৰ বৰগোহাঁই, ৰাজ্যিক বিজেপিৰ সদস্যা দীপিকা দুৱৰী, জিলাৰ মহিলাৰ মৰ্চাৰ সভানেত্ৰী ববী কাকতি, ৰাজ্যিক সদস্য মানস সন্দিকৈ,হেমন্ত কুমাৰ গগৈ, বিশ্ব জ্যোতি ভূঞা, ৰংপুৰ মণ্ডলৰ সভাপতি ধ্ৰুৱ প্ৰসাদ শইকীয়া, সম্পাদক জিন্টু দত্ত কে ধৰি ভালে সংখ্যক বিষয়ববীয়াই সাংগঠনিক দিশত আলোকপাত কৰে। অনুষ্ঠানত খেলুৱৈ গীতিমণি শইকীয়াক সম্বৰ্ধনা জনোৱা হয়।

# তামুলপুৰত বড়োলেণ্ড সাংবাদিক সন্থাৰ কাৰ্যনিৰ্বাহক সভা



**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ ২২ মে’ ঃ** তামুলপুৰ প্ৰেছ ক্লাবৰ উদ্যোগত আজি তামুলপুৰ জিলা সদৰস্থিত ৰাজহুৱা উদ্যানত বড়োলেণ্ড সাংবাদিক সন্থাৰ এখন গুৰুত্বপূৰ্ণ কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয় । সন্থাৰ সভাপতি আবুবক্কৰ ছিদ্দিকৰ পৌৰহিত্যত অনুষ্ঠিত সভাত উদ্দেশ্য ব্যাখ্যা কৰে বড়োলেণ্ড সাংবাদিক সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক ৰমেন দাসে। সভাৰ আৰম্ভণিতে প্ৰতিগৰাকী কাৰ্যনিৰ্বাহক সদস্যকে গামোচা, কভাৰ ফাইলেৰে সম্বৰ্ধনা জ্ঞাপন কৰে তামুলপুৰ প্ৰেছ ক্লাবৰ সদস্যসকলে। বড়োলেণ্ড সাংবাদিক সন্থাৰ সাধাৰণ সম্পাদক হান্তিগিৰি নাৰ্জাৰীয়ে একান্ত ব্যক্তিগত কাৰণত পদত্যাগ কৰাত আজিৰ কাৰ্যনিৰ্বাহক সভাতেই সৰ্বসন্মতভাৱে সহকাৰী সাধৰণ সম্পাদক ৰমেন দাসক ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক হিচাবে দায়িত্বভাৰ অৰ্পণ কৰাৰ লগতে জুলিমা ডেকাক উপ-সভাপতি হিচাবে নিয়োগ কৰা হয়। আজিৰ কাৰ্যনিৰ্বাহক সভাত বিটিআৰৰ মূল সুতিৰ সাংবাদিকসকলক বড়োলেণ্ড সাংবাদিক সন্থাৰ সদস্যভৰ্তি কৰি সন্থাৰ সাংগঠনিক ভেটি শক্তিশালী কৰাৰ লগতে বিটিআৰ অঞ্চলক সাংবাদিকসকলৰ পেঞ্চনকে আদি কৰি কেতবোৰ গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত আলোচনা কৰা হয়। আজিৰ সভাতেই বিচিআৰৰ ৬২ গৰাকী সাংবাদিকৰ পৰিয়ালৰ বাবে বিটিআৰ চৰকাৰ স্বাস্থ্য বীমাৰ ব্যৱস্থা কৰাৰ বাবে বিটিআৰ চৰকালৈ এক ধন্যবাদ সুচক প্ৰস্তাৱ গ্ৰহণ কৰাৰ লগতে অসম চৰকাৰৰ জনসংযোগ বিভাগৰ দ্বাৰ স্বীকৃতি প্ৰাপ্ত বিটিআৰৰ সাংবাদিকসকলক জিলা সদৰত কমেও দুই কঠাকৈ মাটি প্ৰদান ,বড়োলেণ্ড জাৰ্নেলিষ্ট এছ’চিয়েছনৰ মুখ্য কাৰ্যলয়ৰ বাবে কোকৰাঝাৰত মাটি আৱন্টন দিয়া, বড়োলেণ্ড সাংবাদিকসকলক ভ্ৰমণলৈ নিয়া, বিগত বিটিআৰ নিৰ্বাচনৰ সময়ত নিৰ্বাচনী ইস্তাহাৰত ইউপিপিএল দলে সাংবাদিকসকলৰ কল্যাণৰ বাবে ঘোষণা কৰা আঁচনিসমমূহ কাৰ্যকৰী কৰাৰ বাবে দাবী জনাই স্মাৰকপত্ৰ প্ৰেৰণ কৰাৰ লগতে আন কে’বাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। আজিৰ সভাতেই এছ’চিয়েছনৰ পৰৱৰ্তী কাৰ্যনিৰ্বাহক সভাখন ওডালগুৰি জিলাৰ ভেৰগাওত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয় । বিটিআৰৰ পাঁচখনো জিলাৰ প্ৰায় ৫০ গৰাকীকৈ কাৰ্যনিৰ্বাহক সদস্য উপস্থিত থকা আজিৰ সভাতে প্ৰাক্তন সাধাৰণ সম্পাদক হান্তিগিৰি নাৰ্জাৰীক ফুলাম গামোচা, আৰনাই, শৰাই, কলম আদিৰে বিদায়ী সম্বৰ্ধনা জ্ঞাপন কৰা হয় ।

# পদম বাহাদুৰ লিম্বুক জাতীয় ছহিদ ঘোষণা অসম গোৰ্খা সন্মিলনৰ

## লিম্বুৰ বাসগৃহত উপস্থিত গোৰ্খা উন্নয়ন পৰিষদৰ অধ্যক্ষ প্ৰেম তামাং

**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ , ২২ মে’ ঃ** বাগ্‌সা জিলাৰ নিকাছিস্থিত মণি কুমাৰ চুৰ্বা সমন্বয় ক্ষেত্ৰত অনুষ্ঠিত হোৱা অসম গোৰ্খা সন্মিলনৰ কেন্দ্ৰীয় সমিতিৰ ২৭ সংখ্যক ত্ৰি-বাৰ্ষিক অধিৱেশনৰ ১৮ মে’ৰ মুকলি সভাত অংশগ্ৰহণ কৰিবলৈ গৈ মৃত্যু বৰণ কৰা তামুলপুৰ জিলাৰ কুমাৰীকাটা দুই নম্বৰ কালিপুৰ নিবাসী পদম বাহাদুৰ লিম্বুৰ বাসগৃহত আজি উপস্থিত হয় গোৰ্খা উন্নয়ন পৰিষদৰ অধ্যক্ষ প্ৰেম তামাং। লিম্বুৰ বাসগৃহত উপস্থিত তেওঁ প্ৰয়াত পদম বাহাদুৰ লিম্বুলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে শোক সন্তপ্ত পৰিয়াল বৰ্গক সমবেদনা জ্ঞাপন কৰে। অধ্যক্ষ তামাঙৰ লগতে সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাৰ বাক্সা জিলা সমিতিৰ সাধাৰণ সম্পাদক মাধৱ চেত্ৰী, কুমাৰীকাটা আঞ্চলিক আগছুৰ সভাপতি ৰাজু তামাং, সাধাৰণ সম্পাদক শেষৰ চেত্ৰী, পুৰ ডেফেলী আঞ্চলিক আগছুৰ সভাপতি প্ৰকাশ লামা, সাধাৰণ সম্পাদক বিপ্লৱ চিমৰীয়া, অসম গোৰ্খা সন্মিলনৰ বাক্সা জিলা সমিতিৰ সভাপতি ধনপতি পৌড়লে, সম্পাদক অৰ্জুন ৰিমাল, কাৰ্যকৰী সভাপতি নাৰায়ণ ভাণ্ডাৰীৰ লগতে কে’বাগৰাকী ব্যক্তি উপস্থিত থাকে। ইপিনে পদম বাহাদুৰ লিম্বুক অসম গোৰ্খা সন্মিলনে জাতীয় ছহিদ ঘোষণা কৰিছে।

# ভাওৰাগুৰীত সদৌ অসম বাঙালী যুব ছাত্ৰ ফেডাৰেছৰ সাধাৰণ সভা

**অগ্ৰদূত বাৰ্তা**

**দোতমা, চচ মে’ঃ** সদৌ অসম বাঙালী যুব ছাত্ৰ ফেডাৰেছনৰ কোকৰাঝাৰ জিলা সমিতিৰ উদ্যোগত আজি এক সাধাৰণ সভা অনুষ্ঠিত হয়। গোসাইগাঁও মহকুমাৰ ভাওৰাগুৰীত কোকৰাঝাৰ জিলাৰ সভাপতি ইন্দ্ৰজিৎ দেৱনাথৰ সভাপতিত্বত অনুষ্ঠিত সভাত ভাওৰাগুৰী আঞ্চলিক সমিতি পুনৰ গঠন কৰা হয়। চন্দন সাহাক সভাপতি আৰু পাপন কুণ্ডুক সাধাৰণ সম্পাদকৰূপে লৈ মুঠ ৩১ জনীয়া এখন শক্তিশালী আঞ্চলিক সমিতি গঠন কৰা হয়। উক্ত সভাত উপস্থিত থাকি সদৌ অসম বাঙালী যুৱ ছাত্ৰ ফেডাৰেছন বিটিআৰ ক্ষেত্ৰীয় সমিতিৰ সভাপতি গোপাল ঘোষে নৱ গঠিত আঞ্চলিক সমিতিক শুভেচ্ছা জ্ঞাপন কৰি সংগঠনৰ নীতি-নিয়ম মানি কাম কৰি যাবলৈ আহ্বান জনোৱাৰ লগতে ভাওৰাগুৰী অঞ্চলত ছাত্ৰ-ছাত্ৰীসকলৰ উচ্চ শিক্ষালাভৰ বাবে এখন মহাবিদ্যালয় স্থাপন কৰি দিয়াৰ বাবে চৰকাৰক দাবী জনায়। আনহাতে, এনআৰচি পুনৰীক্ষণৰ সন্দৰ্ভত ক্ষেত্ৰীয় সভাপতিজনে কয় যে মহামান্য উচ্চতম ন্যায়ালয়ৰ তত্ত্বাৱধানত কোটি কোটি টকা ব্যয় কৰি এনআৰচি প্ৰস্তুত কৰা হৈছে আৰু এনআৰচিৰ চূড়ান্ত তালিকা প্ৰকাশ কৰাৰ পাছত দল-সংগঠনে মিঠাই খাই আনন্দ উল্লাস কৰিছে। তেনে ক্ষেত্ৰত এনআৰচি পুনৰীক্ষণ কৰা অৰ্থই হ’ল অসমত বসবাস কৰা বাঙালীসকলক হাৰাশাস্তি কৰা। ‘ডি’ ভোটাৰ আৰু বিদেশীৰ নামত হাৰাশাস্তিৰ সন্মুখীন হৈ অহা বাঙালীসকলক চৰকাৰে পুনৰ হাৰাশাস্তি কৰি নিশেষ কৰাৰ ষড়যন্ত্ৰত লিপ্ত হৈছে বুলি সভাপতিজনে অভিযোগ কৰে। তেওঁ আৰু কয় যে এই সংগঠনটোৱে ডি ভোটাৰ, ডিটেনচন কেম্প আদি কৰি কে’বাটাও দাবী উত্থাপন কৰি অসম তথা দিল্লীলৈকে বিভিন্ন গণতান্ত্ৰিক আন্দোলনৰ জৰিয়তে চৰকাৰক দাবীসমূহ মানি ল’বলৈ আহ্বান জনোৱা হৈছে যদিও কেন্দ্ৰ তথা ৰাজ্য চৰকাৰে কোনো ধৰণৰ সঁহাৰি জনোৱা নাই। হিন্দুৰ চৰকাৰ বুলি কোৱা বিজেপি চৰকাৰক সোনকালে সংগঠনটোৰ দাবীসমূহ মানি এই জাতিটোক শান্তিপূৰ্ণভাৱে জীয়াই থকাৰ ব্যৱস্থা কৰি দিবলৈ আহ্বান জনোৱাৰ লগতে চেটেলাইট কাউঞ্চিলৰ দাবী কৰে অন্যথা তীব্ৰ আন্দোলন গঢ়ি তোলাৰ হুংকাৰ দিয়ে। সভাত জিলা সাধাৰণ সম্পাদক দীপক দাস, কাৰ্যকৰী সভাপতি সমৰ দাস লগতে কে’বাখনো গাঁৱৰ গাঁওবুঢ়া, বিশিষ্ট ব্যক্তি, সমাজকৰ্মীৰ লগতে সংগঠনৰ সদস্যসকল উপস্থিত থাকে।

## ■ ভাওৰাগুৰী আঞ্চলিক সমিতি পুনৰ গঠন

# অসমৰ প্ৰথমটো সংহত মহকুমাধিপতি কাৰ্যালয় নিৰ্মাণৰ বাবে অনুমোদন

**অগ্ৰদূত বাৰ্তা**

**ৰঙিয়া, ২২ মে’ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বিজেপি চৰকাৰে ৰঙিয়া মহকুমাবাসী ৰাইজৰ বাবে এক সুখবৰ কঢ়িয়াই আনিছে। ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° শৰ্মা আৰু অসম ৰাজ্যিক বিজেপিৰ সভাপতি তথা ৰঙিয়া সমষ্টিৰ বিধায়ক ভবেশ কলিতাৰ প্ৰচেষ্টাৰ ফলত ৰাজ্য চৰকাৰে অসমৰ ভিতৰতে প্ৰথমটো সংহত ৰঙিয়া মহকুমাধিপতি কাৰ্যালয় নিৰ্মাণৰ বাবে অনুমোদন প্ৰদান কৰিছে। উল্লেখ্য যে কিছুদিন পূৰ্বে ষ্টেচন ফিডাৰ ৰোড, তিনিআলিৰ ৰঙিয়া উন্নয়ন খণ্ডৰ চৌহদত কাৰ্যালয়টোৰ প্ৰস্তাৱিত স্থানৰ আৰম্ভ কৰা হয়। প্ৰায় ১৮ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ’বলগীয়া কাৰ্যালয়টো কম দিনৰ ভিতৰতে নিৰ্মাণ কাম আৰম্ভ হ’ব বুলি বিজেপিৰ ৰাজ্যিক সভাপতি কলিতাই সদৰী কৰিছে। কাৰ্যালয়টোত ১০ টাকৈ চৰকাৰী বিভাগ সংযোজিত হ’ব। প্ৰশাসনিক কাৰ্যালয়টো নিৰ্মাণ হৈ উঠিলে ৰঙিয়া মহকুমাৰ ৰাইজৰ প্ৰশাসনিক বিভিন্ন কাম-কাজৰ লগতে যাতায়াত আৰু যোগাযোগৰ ক্ষেত্ৰত যথেষ্ট সুবিধা হ’ব বুলি কলিতাই কয়। উল্লেখ্য যে প্ৰাক্তন মন্ত্ৰী থানেশ্বৰ বড়োৰ সময়ত ৰঙিয়া মহকুমাধিপতিৰ কাৰ্যালয়টো বিটিআৰৰ সীমান্তত স্থাপন কৰাত কাৰ্যালয়টোৰ কিছু অংশ বিটিআৰত সোমাই যোৱাৰ অভিযোগ উত্থাপিত হৈছিল। তাৰ উপৰি ৰঙিয়াৰ এটা চুকত ৰঙিয়া মহকুমাৰ অত্যন্ত গুৰুত্বপূৰ্ণ কাৰ্যালয়টোত স্থাপন কৰাত অহা-যোৱাৰ নামত ৰাইজে অকল যে দুৰ্ভোগ ভূগিবলগীয়া হৈছিল সেয়া নহয়, খৰচান্তও হ’বলগীয়া হৈছিল। ৰঙিয়াৰ বিধায়ক কলিতাই কাৰ্যালয়টো ৰঙিয়া চহৰলৈ স্থানান্তৰ কৰাৰ বাবে ৰাজ্য চৰকাৰৰ তৰফৰ পৰা অনুমোদন সংগ্ৰহ কৰাত ৰাইজ উৎফুল্লিত হৈ পৰিছে। আজি বিধায়ক কলিতাই প্ৰস্তাৱিত মহকুমাধিপতিৰ কাৰ্যালয়ৰ ঠাইখিনি পৰিদৰ্শন কৰে।

# ■ শিলভৰ্তি ডাম্পাৰৰ দৌৰাত্ম্যত চামগুৰি-উদমাৰী-কঠালগুৰি সংযোগী পথ বিধ্বস্ত

# অনিৰ্দিষ্ট কাললৈ ৰাইজৰ পথ বন্ধৰ হুংকাৰ




অগ্ৰদূত বাৰ্তা

**চামগুৰি, ২২ মে' ঃ** নগাঁও জিলাৰ চামগুৰি ৰাষ্ট্ৰীয় পথৰ পৰা উদমাৰী আৰু কঠালগুৰি সংযোগী মূল পথটো বিগত বহুদিন ধৰি বিধ্বস্ত হৈ থকাত যোৱা ২১ মে'ত স্থানীয় ৰাইজে পথটো মেৰামতি বা পুনৰ নিৰ্মাণৰ দাবীত তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। বিগত বহুদিন ধৰি চামগুৰিৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় পথৰ পৰা উদমাৰী আৰু কঠালগুৰি সংযোগী গড়কাপ্তানী বিভাগৰ পথটোৰ জৰাজীৰ্ণ অৱস্থা হোৱাত বৃহত্তৰ অঞ্চলসমূহৰ ৰাইজে জ্বলা-কলা খাব লগাত পৰিছে। স্থানীয় কে'বা শতাধিক পুৰুষ-মহিলা আৰু যুৱক-যুৱতীসকলে উক্ত পথটো মেৰামতি বা পুনৰ নিৰ্মাণ কৰিবলৈ চৰকাৰৰ লগতে লোকনিৰ্মাণ বিভাগৰ ওচৰত দাবী জনাই এক প্ৰতিবাদী সমদল উলিওৱাৰ লগতে পথটো অৱৰোধ কৰি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদীকাৰীসকলে চামগুৰিৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় পথৰ পৰা উদমাৰী আৰু কঠালগুৰি সংযোগী মূল গুৰুত্বপূৰ্ণ উক্ত পথটো ডাম্পাৰৰ দৌৰাত্ম্যৰ ফলত বিধ্বস্ত হৈ পৰিছে বুলি অভিযোগ কৰে। ডাম্পাৰেৰে অধিকমাত্ৰা শিল কঢ়িয়াই নিয়াৰ ফলত পথটোত পুখুৰী সদৃশ গাঁতৰ সৃষ্টি হোৱাৰ লগতে জৰাজীৰ্ণ হৈ পৰিছে। উল্লেখ্য যে বৰজুৰি, পাৰ্কুপ পাহাৰ, কঠালগুৰি আদিকে ধৰি বিভিন্ন অঞ্চলত থকা সৰু-বৰ শিলৰ মহলৰ পৰা বিভিন্ন ক্ৰেচাৰ মেচিনসমূহলৈ সৰবৰাহ কৰা শিলভৰ্তি ডাম্পাৰ আৰু ট্ৰাক চলাচল কৰি উক্ত পথটো জৰাজীৰ্ণ কৰিছে। যাৰ ফলত পথটোত সৃষ্টি হোৱা পুখুৰী সদৃশ গাঁতত পৰি প্ৰায়েই বহুলোক দুৰ্ঘটনাত পতিত হৈ আঘাতপ্ৰাপ্ত হ'বলগীয়া হৈছে বুলি প্ৰতিবাদকাৰীসকলে অভিযোগ কৰে। লগতে উক্ত অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগতে চামগুৰি স্বাস্থ্য কেন্দ্ৰলৈ চিকিৎসাৰ বাবে অহা-যোৱা কৰা ৰোগীসকলেও জ্বলা-কলা খাব লগাত পৰিছে বুলি প্ৰতিবাদকাৰীসকলে জানিবলৈ দিয়ে। বিগত দিনত স্থানীয় ভুক্তভোগী ৰাইজৰ লগতে বিভিন্ন সংগঠনে পথটোত অধিকমাত্ৰা শিলভৰ্তি ডাম্পাৰ চলাচল বন্ধ কৰিবলৈ বিভাগীয়ৰ ওচৰত দাবী জনাই আহিছিল যদিও কোনো সুফল লাভ নকৰিলে। লগতে পথটো মেৰামতি বা পুনৰ নিৰ্মাণৰ ক্ষেত্ৰত দীৰ্ঘদিনৰ পৰা বিভাগীয়ৰ ওচৰত আবেদন-নিবেদন কৰি আহিছিল যদিও বৰ্তমানলৈকে কোনো সুফল লাভ কৰিবলৈ সক্ষম হোৱা নাই বুলি প্ৰতিবাদকাৰীসকলে অভিযোগ কৰিছে। বিভাগীয় কৰ্তৃপক্ষৰ লগতে ডাম্পাৰ আৰু ক্ৰেছাৰ মালিকসকলে ৰাইজৰ দীৰ্ঘদিনীয়া দাবীক গুৰুত্ব নিদিয়া বুলি ভুক্তভোগী প্ৰতিবাদকাৰীসকলে অভিযোগ কৰাৰ লগতে অতি শীঘ্ৰে উক্ত জৰাজীৰ্ণ পথটো মেৰামতি বা পুনৰ নিৰ্মাণ নকৰা পৰ্যন্ত শিলভৰ্তি ডাম্পাৰ চলাচল নিষিদ্ধ কৰাৰ লগতে অনিৰ্দিষ্ট কাললৈ ৰাইজৰ প্ৰতিবাদ অব্যাহত ৰক্ষা হ'ব বুলি প্ৰতিবাদকাৰীসকলে হুংকাৰ প্ৰদান কৰিছে।

## লাহৰীঘাটত ৩২ প্ৰহৰ শ্ৰীশ্ৰী হৰি নাম মহাযজ্ঞৰ সামৰণি

অগ্ৰদূত বাৰ্তা

**লাহৰীঘাট, ২২ মে' ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট হৰি মন্দিৰ প্ৰাংগণত যোৱা ১৬ মে'ৰ পৰা ছদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হোৱা ৩২ প্ৰহৰ শ্ৰীশ্ৰী হৰিৰ নাম মহাযজ্ঞ অনুষ্ঠানৰ যোৱা ২১ মে'ত সামৰণি পৰে। উল্লেখ্য যে বিগত দুটা বছৰে ক'ভিড সৃষ্ট পৰিৱেশৰ বাবে শ্ৰী শ্ৰী হৰিৰ নাম মহাযজ্ঞ পালন কৰিব পৰা নাছিল আয়োজক সমিতিয়ে। এইবাৰ সম্পূৰ্ণ ক'ভিডমুক্ত পৰিৱেশৰ বাবে পূৰ্বৰ দৰে ভক্তপ্ৰাণ ৰাইজে ছয়দিনীয়াকৈ আয়োজন কৰিছে শ্ৰীশ্ৰী হৰিৰ নাম মহাযজ্ঞ। হৰিৰ নাম মহাযজ্ঞত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা ভক্তপ্ৰাণ লোক তথা নাম-কীৰ্তন গোটে অংশগ্ৰহণ কৰে। লাহৰীঘাট হৰি মন্দিৰ প্ৰাংগণত যোৱা ১৬ মে'ৰ পৰা অবিৰাম চলি থকা শ্ৰীশ্ৰী হৰিনাম সংকীৰ্তনত অঞ্চলটো সহস্ৰাধিক ভক্তপ্ৰাণ ৰাইজে উপস্থিত থাকি মহাযজ্ঞ অনুষ্ঠান উপভোগ কৰে। আয়োজক সমিতিয়ে সমূহ অসমবাসী ৰাইজৰ মাজত শান্তি শৃংখলাই বিৰাজ কৰক তাৰ কামনা কৰাৰ লগতে মহাযজ্ঞ অনুষ্ঠানৰ পৰা বিশ্ব শান্তিৰ বাবে প্ৰাৰ্থনা কৰে। অন্তিম দিনা দুপৰীয়া ১২ বজাত মহাপ্ৰভুৰ ভোগৰাগ আৰু বিয়লি এক বজাৰ পৰা মহাপ্ৰভুৰ প্ৰসাদ বিতৰণৰে শ্ৰীশ্ৰী হৰিনাম সংকীৰ্তনৰ সমাপ্ত কৰে।

## অৰণ্য সুৰক্ষা সমিতিৰ বৃক্ষৰোপণ যাত্ৰাৰ এমাহ

বিশেষ সংবাদদাতা

**বিলাসীপাৰা, ২২ মে' ঃ** প্ৰকৃতি সংগঠন অৰণ্য সুৰক্ষা সমিতি অসমে যোৱা ২২ এপ্ৰিলৰ পৰা চলাই অহা বৃক্ষৰোপণ যাত্ৰাই কালি এমাহ সম্পূৰ্ণ কৰে। উল্লেখ্য যে ধৰিত্ৰী দিৱসৰ দিনা এই যাত্ৰা সমিতিয়ে ধুবুৰী জিলাৰ বিলাসীপাৰা মহাবিদ্যালয়ৰ পৰা আৰম্ভ কৰিছিল বৃক্ষৰোপণৰ কাৰ্যসূচী। কালি এমাহ পূৰ্ণ হোৱা দিনটোত সমিতিৰ এই যাত্ৰাত অংশগ্ৰহণ কৰে ধুবুৰী



জিলাৰ ফুটুকীবাৰী জাতীয় বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তথা শিক্ষক-শিক্ষয়িত্ৰীসকলে। ফুটুকীবাৰী জাতীয় বিদ্যালয়ৰ প্ৰধান শিক্ষক নিকুঞ্জ দাসৰ পৰিচালনাত অনুষ্ঠিত বৃক্ষৰোপণ যাত্ৰাত উপস্থিত থাকি অৰণ্য সুৰক্ষা সমিতি অসমৰ সচিব প্ৰধান ড° হৰিচৰণ দাসে কয় যে পৰিৱেশৰ ভাৰসাম্য ৰক্ষাৰ প্ৰধান উপায় হৈছে বৃক্ষৰোপণ। তেওঁ কয় যে গোলকীয় উষ্ণতা বৃদ্ধিৰ ফলতে বানপানীৰ প্ৰকোপ বৃদ্ধি পাইছে। উদ্যোগ আৰু যানবাহনৰ সংখ্যা দিনক দিনে বঢ়াৰ ফলত প্ৰদূষণ আৰু গৰম গেছৰ পৰিমাণ বায়ুমণ্ডলত বৃদ্ধি পোৱা বাবে জলাশয়ৰ পৰা বাষ্পীভৱনো বেছিকৈ হ'ব ধৰিছে। ফলত ব্যাপক হাৰত মেঘৰ সৃষ্টি হৈছে আৰু তাৰ ফলস্বৰূপে অত্যধিক আবতৰীয়া বৃষ্টিপাত হ'বলৈ ধৰিছে। গোলকীয় উষ্ণতা প্ৰশমিত কৰিবলৈ হ'লে বৃক্ষৰোপণৰ বিকল্প নাই। তেওঁ সেয়েহে সকলো শ্ৰেণীৰ ৰাইজকে বৃক্ষৰোপণ যাত্ৰাত অংশ ল'বলৈ আহ্বান জনায় আৰু এই যাত্ৰাত অংশগ্ৰহণ কৰা ফুটুকীবাৰী জাতীয় বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তথা শিক্ষক-শিক্ষয়িত্ৰীসকলক ধন্যবাদ জ্ঞাপন কৰে। ফুটুকীবাৰী জাতীয় বিদ্যালয়ৰ শিক্ষয়িত্ৰী মামণি কলিতাই জাতীয় বিদ্যালয়খনক বৃক্ষৰোপণ যাত্ৰাত অংশগ্ৰহণ কৰাৰ সুযোগ দিয়া বাবে অৰণ্য সুৰক্ষা সমিতিলৈ শলাগ আগবঢ়ায়।

## মৰাণত কেন্দ্ৰীয়ভাৱে ৰাভা দিৱসৰ প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা

**মৰাণ, ২২ মে' ঃ** চৰাইদেউ জিলাত নতুনকৈ গঠন হোৱা প্ৰাথমিক শিক্ষক সন্থাই ছাত্ৰকেন্দ্ৰিক কাম কৰাৰ কাৰ্যসূচী হাতত লৈছে। এই উদ্দেশ্য আগত ৰাখি চৰাইদেউ জিলা প্ৰাথমিক শিক্ষক সন্থাৰ উদ্যোগত সৌমাৰজ্যোতি প্ৰাথমিক বিদ্যালয়ত সন্থাৰ সভাপতি ৰঞ্জিত কোঁৱৰৰ সভাপতিত্বত যোৱা ২১ মে'ত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। সন্থাৰ সম্পাদক নকুল ফুকনে উদ্দেশ্য ব্যাখ্যা কৰা সভাত অঞ্চলটোৰ প্ৰাথমিক আৰু উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষকসকলে যোগদান কৰাৰ লগতে স্থানীয় যুৱক সংঘৰ কৰ্মী সকলে অংশগ্ৰহণ কৰে। সভাত সৰ্বসন্মত সিদ্ধান্ত অনুসৰি অহা ২০ জুনত বিস্তৃত কাৰ্যসূচীৰে কেন্দ্ৰীয়ভাৱে ৰাভা দিৱস উদ্‌যাপনৰ সিদ্ধান্ত লোৱা হয়। ৰাভা দিৱস আৰু ছাত্ৰকেন্দ্ৰিক কাৰ্যসূচী ৰূপায়ণৰ ওপৰত বক্তব্য ৰাখে হিংৰিজান বাগিচা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক তথা সন্থাৰ মুখ্য উপদেষ্টা জিতেন দাস, বিভিন্ন শিক্ষানুষ্ঠানৰ শিক্ষক-শিক্ষয়িত্ৰী ক্ৰমে অৰ্পণা গগৈ, ডিম্বেশ্বৰ গগৈ, হেমন্ত গগৈ, গিৰিণ ফুকন, বিমলা প্ৰসাদ গগৈ, জামাল উদ্দিন আহমেদ আৰু ক্ষীৰেশ্বৰ চুতীয়াই।

### অভ্যৰ্থনা সমিতি গঠন

এই সভাতেই কে'বাটাও সিদ্ধান্ত গ্ৰহণ কৰাৰ লগতে সমাজকৰ্মী ডিম্বেশ্বৰ গগৈক সভাপতি, জিতেন দাসক সম্পাদক, বিমলা গগৈ, যোগেশ্বৰ গগৈ, নিৰঞ্জন গগৈ, উত্তম বৰুৱাক উপ-সভাপতি, ৰন্টু বৰুৱা, প্ৰদীপ চাংমাইক সহকাৰী সম্পাদক, অৰ্পণা গগৈ আৰু গিৰিণ ফুকনক সাংস্কৃতিক সম্পাদক, ক্ষীৰেশ্বৰ চুতীয়াক প্ৰতিযোগিতা বিভাগ, হেমন্ত গগৈক কাৰ্যালয় সম্পাদকৰূপে লৈ এখন অভ্যৰ্থনা সমিতি গঠন কৰে।

## অৱসৰপ্ৰাপ্ত শিক্ষক ঐক্যমঞ্চৰ সম্বৰ্ধনা সভা



ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ২২ মে' ঃ** 'নিজৰ কৰ্মৰ প্ৰতি ভালপোৱাৰ মাজেৰেই জীৱনত আগবাঢ়িবলৈ প্ৰেৰণা পোৱা যায়।' এই মন্তব্য বিশিষ্ট কণ্ঠশিল্পী দুৰ্গাময়ী বৰাৰ। বৃহত্তৰ তেজপুৰ অৱসৰপ্ৰাপ্ত শিক্ষক ঐক্যমঞ্চই কালি তেজপুৰস্থিত অসমীয়া ক্লাবত আয়োজন কৰা এক সম্বৰ্ধনা অনুষ্ঠানত কণ্ঠশিল্পী বৰাই শিল্পী জীৱনৰ ঘাত-প্ৰতিঘাত নেওচি কৰা নিৰলস সাধনাৰ বিষয়ে উল্লেখ কৰে। সভাত সভাপতিত্ব কৰে ঐক্যমঞ্চৰ সভাপতি লাৱণ্য দেৱীয়ে। সভাৰ আৰম্ভণিতে সম্পাদক ৰাজু বৰুৱাই উপস্থিতসকলক আদৰণি জনাই সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে। অনুষ্ঠানত ঐক্যমঞ্চৰ জ্যেষ্ঠ সদস্য, বৰ্তমানৰ উপদেষ্টা তথা প্ৰাক্তন সভাপতি গিৰিবালা ভূঞাৰ ৮৪ সংখ্যক জন্মবাৰ্ষিকী পালন কৰা হয়। সভাত সম্বৰ্ধিত কণ্ঠশিল্পী বৰা আৰু ঐক্যমঞ্চৰ প্ৰাক্তন সভাপতি ভূঞাক ফুলাম গামোচা আৰু গ্ৰন্থ উপহাৰেৰে সম্ভাষণ জ্ঞাপন কৰা হয়। শিল্পী বৰাই অনুষ্ঠানত দুটা গীতো পৰিবেশন কৰে। আনহাতে জন্মদিনৰ শুভেচ্ছা গ্ৰহণ কৰি ভূঞাই নিজ জীৱনৰ মধুৰ স্মৃতি আবেগেৰে বৰ্ণনা কৰে। সভাত কৰুণা ভূঞা আৰু শশীপ্ৰভা দেৱীয়ে বৰগীত আৰু আধুনিক গীত পৰিবেশন কৰে। উল্লেখ্য যে এই সম্বৰ্ধনা আৰু জন্মদিন পালনৰ কাৰ্যসূচীৰ স'তে সংগতি ৰাখি আয়োজন কৰা প্ৰীতিমেলত প্ৰভা বৰা, নয়া দেৱী, কৃষ্ণা দাস নাথ, মণিমালা শইকীয়া, প্ৰেমলতা দাস, মৃণালিনী দাস, কমলা দেৱী, সাবিত্ৰী নাথ, কৃষ্ণা পাইন ভট্টাচাৰ্য, অনু দেৱী মহন্ত, ৰীণা বৰদলৈ, মণি দেৱী আৰু সমাজকৰ্মী ৰুবুল শৰ্মাই অংশগ্ৰহণ কৰে।

## ৰাইজে চৰকাৰৰ পৰা আশা কৰা মতে ফল পোৱা নাই ঃ সাংসদ শৰণীয়া

### ■ গাঁও কৰ্তনকে ধৰি মূল দাবীসমূহ কাৰ্যকৰী কৰিলে অবড়ো সুৰক্ষা সমিতি-জিএছপিয়ে নিদিয়ে প্ৰাৰ্থী

অগ্ৰদূত বাৰ্তা

**জালাহ, ২২ মে' ঃ** বাগ্‌সা জিলাৰ ২২ নম্বৰ ককলাবাৰী পৰিষদীয় সমষ্টিৰ উপ-নিৰ্বাচনৰ মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিনলৈ মাজত মাত্ৰ এদিন বাকী থকাৰ সময়ত বিভিন্ন ৰাজনৈতিক দলসমূহৰ মাজত তৎপৰতা বৃদ্ধি পাইছে। জালাহত কালি অবড়ো সুৰক্ষা সমিতিৰ শীৰ্ষ নেতৃবৃন্দৰ স'তে কোকৰাঝাৰ লোকসভাৰ সাংসদ নব কুমাৰ শৰণীয়াই আলোচনাত মিলিত হোৱাৰ পাছত সংবাদ মাধ্যমৰ আগত কয়, 'ককলাবাৰী সমষ্টিৰ বহু জনা-বুজা লোক আছে। অবড়ো সুৰক্ষা সমিতি আৰু জিএছপিৰ উমৈহতীয়া এজন প্ৰাৰ্থী থাকিব। প্ৰমোদ বড়ো নাইবা বিজেপিৰ পৰাও যিহেতু উমৈহতীয়া প্ৰাৰ্থী নাথাকে সেয়ে সেই ৰাস্তা খোলা আছে। ২৪ মে'ত প্ৰকৃত ছবিখন প্ৰতিফলতি হ'ব। 'ককলাবাৰী পৰিষদীয় সমষ্টিত আলোচনা মৰ্মে টিএলচিচিৰ সভাপতিকে ধৰি বহুকেইটা আলোচনা আছিল যদিও সেইটো হৈ নুঠিল। তেওঁলোকে যদি গাঁও কৰ্তন কৰাটো সম্পূৰ্ণ কৰি দিব পাৰে আৰু ছহিদৰ প্ৰতি দিবলগীয়াখিনি সম্পূৰ্ণ কৰি দিয়ে তেতিয়া হ'লে আমি চিন্তা কৰিম অন্যথা ইয়াত আমাৰ ফালৰ পৰা প্ৰাৰ্থী প্ৰক্ষেপ কৰি যুঁজি যাম। 'ক'ভিডৰ আগৰ সময়ছোৱাত বহুহেজাৰ লোক বাহিৰত আছিল বাবে ক'ভিডৰ পাছত এইসকল কৰ্মবিহীন হৈ পৰিছিল বুলি উল্লেখ কৰি শৰণীয়াই পুনৰ কয়, 'ৰাইজে চৰকাৰৰ পৰা আশা কৰা মতে ফল পোৱা নাই আৰু ৰাজনৈতিকভাৱে সুবিধা পোৱা নাই আনফালে সংস্থাপন নাই। সেয়ে আলফালৈ ধাৱিত হৈছে যদিও আনফালে যোৱাৰ আগতে ১০বাৰ ভাবিবলৈ আহ্বান জনাইছে। কাৰণ আলফাত কাম কৰা সহজ কথা নহয় যাৰ ফলত ইয়াত বহুকেইজন যুৱকে মৃত্যুক আঁকোৱালি ল'বলগীয়া হৈছে।' ইফালে, আজি জালাহস্থিত বি বি কিষাণ মহাবিদ্যালয়ত উপস্থিত হৈ অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই সাংসদ শৰণীয়াক ইতিকিং কৰি কয়, 'নব শৰণীয়া জিএছপিৰ নেতা হ'লেও আমাৰ পাৰ্টিৰ এলায়েন্সৰ বাহিৰত আছে। তেওঁ আৰম্ভণিৰ পৰাই এলায়েন্সৰ বাহিৰত আছিল। সেয়ে যোৱা বিধানসভা নিৰ্বাচন প্ৰাৰ্থী হৈ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিছিল।' ককলাবাৰী পৰিষদীয় সমষ্টিত ইউপিপিএলে নিশ্চিতভাৱে জয়লাভ কৰিব বুলিও মন্ত্ৰী ব্ৰহ্মই মতপোষণ কৰে।

## অৱসৰপ্ৰাপ্ত আৰক্ষী বিষয়া তালেব হুছেইনৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**লাহদৈগড়, ২২ মে' ঃ** অসম আৰক্ষী চিআইডি বিভাগৰ অৱসৰপ্ৰাপ্ত পৰিদৰ্শক লাহদৈগড় চাৰআলি নিবাসী আলহাজ তালেব হুছেইন (৮৮)ৰ কালি সন্ধিয়া নিজ বাসভৱনত মৃত্যু হয়। বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ স'তে জড়িত হুছেইনৰ মৃত্যুত বৃহত্তৰ লাহদৈগড় অঞ্চলত শোকৰ ছাঁ পৰে। হুছেইনে মৃত্যুৰ সময়ত পত্নীসহ দুজন পুত্ৰ আৰু এগৰাকী কন্যা এৰি যায়। তেওঁৰ মৃত্যুত লাহদৈগড় মজিদ সমিতি, কাকজান মছিদ সমিতি, উদয়ন কাকজান, আপকু যোৰহাট জিলা সমিতিয়ে শোক প্ৰকাশ কৰিছে।

## মঙলদৈত বিনামূলীয়া স্বাস্থ্য শিবিৰ

অগ্ৰদূত বাৰ্তা

**মঙলদৈ, ২২ মে' ঃ** বছৰৰ প্ৰথমটো বানত আক্ৰান্ত দৰঙৰ অৰ্ধেক ঠাই। এনে সময়ত ৰোগৰ প্ৰাদুৰ্ভাৱ হোৱাটো স্বাভাৱিক। সেয়েহে কালি মঙলদৈৰ জেব্ৰা ফ'ৰ্চৰ উদ্যোগত আৰু ডাঃ ভৱ দাস ফাউণ্ডেছনৰ সহযোগত হেলথ চিটী হাস্পতালত বিনামূলীয়া স্বাস্থ্য শিবিৰ অনুষ্ঠিত কৰে। উক্ত শিবিৰত ডাঃ অতনু বৰঠাকুৰ, ডাঃ বিকাশ চৌধুৰী, ডাঃ কল্পনা চৌধুৰী, ডাঃ সোণালী বি ভূঞা, ডাঃ ভূমিতা দত্ত, পৰাগজ্যোতি দত্ত, কল্পনা চৌধুৰী উপস্থিত থাকে। শিবিৰত দুশতকৈও অধিক লোকে বিভিন্ন ৰোগৰ চিকিৎসা লাভ কৰে।

## সোণতলীত ড্ৰাগছ কণ্টেইনাৰসহ ধৃত এক

অগ্ৰদূত বাৰ্তা

**সোণতলী, ২২ মে' ঃ** আজি কামৰূপ জিলাৰ বকো আৰক্ষী আৰু সোণতলী আৰক্ষীয়ে যুটীয়াভাৱে অভিযান চলাই আঠটা কণ্টেইনাৰ ভৰ্তি ১০ গ্ৰাম ৭৬ মিলিগ্ৰাম ড্ৰাগছসহ এজন যুৱকক গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে কালাতলী বজাৰৰ পৰা নতুন কাঠমী গাঁৱৰ ছাহেদ আলীৰ পুত্ৰ ৰাব্বুল আলমক (২২)ক হাতে-লোটে গ্ৰেপ্তাৰ কৰে। উল্লেখ্য যে দীৰ্ঘদিন ধৰি এইজন যুৱকে কালাতলীৰ বিভিন্ন ঠাইত ড্ৰাগছৰ ৰমৰমীয়া ব্যৱসায় চলাই আহিছিল।

## শুৱালকুছি বালক মজলীয়া বিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা উন্মোচন



**শুৱালকুছি, ২২ মে' ঃ** 'বিদ্যালয়ত প্ৰাচীৰ পত্ৰিকা প্ৰকাশ কৰাটো ছাত্ৰ-ছাত্ৰীৰ বাবে আশাৰ বতৰা। কিয়নো প্ৰাচীৰ পত্ৰিকাত শিক্ষাৰ্থীসকল নিজে লিখা কবিতা, প্ৰবন্ধ, গল্প আদি প্ৰকাশৰ প্ৰথম খোজ। এইদৰে হয়তো পৰৱৰ্তী সময়ত ছাত্ৰ-ছাত্ৰীসকলে উৎসাহিত হৈ সাহিত্যৰ দিশে গতি কৰিব পাৰে আৰু পৰৱৰ্তী দিনত একো একোগৰাকী প্ৰতিষ্ঠিত লেখক, কবি, সাহিত্যিক, নাট্যকাৰ, গল্পকাৰ, ঔপন্যাসিক আদি হোৱাৰ সম্ভাৱনা থাকে। সেয়ে বিদ্যালয়সমূহে প্ৰতিমাহে একোখনকৈ প্ৰাচীৰ পত্ৰিকা প্ৰকাশ কৰি ছাত্ৰ-ছাত্ৰীসকলৰ লেখাসমূহ প্ৰকাশ কৰিলে অনুপ্ৰাণিত হ'ব আৰু শিক্ষাৰ্থীৰ উত্তৰণ হ'ব।' এই ভাষ্য শুৱালকুছি সাংবাদিক সন্থাৰ সভাপতি দিলীপ মেধিৰ। যোৱা ২১ মে'ত বস্ত্ৰনগৰীৰ অতি প্ৰাচীন শুৱালকুছি বালক মজলীয়া বিদ্যালয়ৰ সহকাৰী শিক্ষকদ্বয় ৰত্ন কুমাৰ দাস আৰু বিকাশ মুছাহাৰীৰ সম্পাদনাত প্ৰকাশিত প্ৰাচীৰ পত্ৰিকা ৰামধেনু আৰু গণিত বিজ্ঞান সংঘৰ দুয়োখন প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰি মেধিয়ে প্ৰাচীৰ পত্ৰিকা বিদ্যালয়ৰ দাপোণ স্বৰূপ বুলিও উল্লেখ কৰে। অনুষ্ঠানৰ পূৰ্বে মংগলদীপ প্ৰজ্বলন কৰে বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী পখিলা কাকতিয়ে। সহকাৰী শিক্ষক ৰত্ন কুমাৰ দাসে আঁত ধৰা অনুষ্ঠানতে বিদ্যালয়ৰ শিক্ষয়িত্ৰী অনামিকা দাসৰ সম্পাদনাত প্ৰকাশ কৰা জৈৱ বৈচিত্ৰ্য পঞ্জী উন্মোচন কৰি দিয়া বক্তব্যত সহ শিক্ষক চতীন কলিতাই কয় যে ছাত্ৰ-ছাত্ৰীসকলে অধ্যয়নৰ মাজেৰে বহিঃবিদ্যায়তনিক দিশৰ ফালে ধাউতি দিয়াতো প্ৰয়োজন। সাহিত্য চৰ্চাও বহিঃবিদ্যায়তনিক ভাগতে অন্তৰ্ভুক্ত। জৈৱ বৈচিত্ৰ্য পঞ্জীত আমি সকলোৱে জানিব লগা বহু কথা লিপিবদ্ধ আছে। যাৰ পৰা ছাত্ৰ-ছাত্ৰী শিক্ষক-শিক্ষয়িত্ৰীয়ে ভালেমান কথা জানিব পাৰিব বুলি উল্লেখ কৰে। অনুষ্ঠানৰ পূৰ্বে বিদ্যালয়ৰ ছাত্ৰীদ্বয় ৰুমী বৈশ্য আৰু বন্দিতা দাসৰ আধুনিক নৃত্যই সকলোকে আপ্লুত কৰে।

## 'স্মৃতিধাৰা, অসম'ৰ নাজিৰাৰ সভা সম্পন্ন

অগ্ৰদূত বাৰ্তা

**নাজিৰা, ২২ মে' ঃ** ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ সামাজিক-সাংস্কৃতিক অনুষ্ঠানৰ এক সমাৰোহ কালি নাজিৰা মহাবিদ্যালয়ত অনুষ্ঠিত হয়। সভাত সভাপতিত্ব কৰে নকছাৰী মহাবিদ্যালয়ৰ অধ্যাপক উত্তম বৰুৱাই। মঞ্চত আসন গ্ৰহণ কৰে ড° গুণাৰাম নাথ, ড° ৰাজু ফুকন, ৰমানন্দ দাসে। 'স্মৃতিধাৰা' অসমৰ লক্ষ্য আৰু উদ্দেশ্যৰ বিষয়ে সুদীৰ্ঘ বক্তব্য ৰাখে তিতাবৰ নন্দলাল শইকীয়া মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° গুণাৰাম নাথে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ত এটি অতিথি গৃহ, এটি জিৰণি কোঠা, বিশ্ববিদ্যালয়ৰ ইতিপূৰ্বে প্ৰয়াত পাঁচগৰাকী শিক্ষক-শিক্ষয়িত্ৰীৰ মধুৰ স্মৃতিত আৰু অৱসৰ গ্ৰহণ কৰা পাঁচগৰাকী শিক্ষক-শিক্ষয়িত্ৰীৰ জীৱন আৰু কৰ্মৰ আধাৰত গ্ৰন্থ প্ৰকাশ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ কথা উল্লেখ কৰে। একেদৰে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ভলীবল প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ কথাও জনায়। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰাজু ফুকনে আদৰণি ভাষণ আগবঢ়ায়। তেওঁ স্মৃতিধাৰাৰ মূল উদ্যোক্তা দীপক বৰ্মনক শলাগ জ্ঞাপন কৰে। ইয়াৰ পাছত গীত পৰিবেশন কৰে জাণ্টুমণি শইকীয়া আৰু বিশিষ্ট কণ্ঠশিল্পী দিলীপ দাসে। ৰমানন্দ দাসে স্মৃতিধাৰাৰ সন্দৰ্ভত বক্তব্য ৰাখে। দীপক বৰ্মনে সংবিধান সন্দৰ্ভত বক্তব্য ৰাখে। তাৰ উপৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ত গুৰুসেৱা নামৰ এক অনুষ্ঠানৰ যোগে আত্মপ্ৰকাশৰ কথা ঘোষণা কৰে। আমগুৰি শাখাৰ কৃপাল ভূঞাই বক্তৃতাত স্মৃতিধাৰাক 'ৰামসেতু'ৰ লগত তুলনা কৰে। পিয়লি ফুকন মহাবিদ্যালয়ৰ অধ্যাপিকা মৌচুমী খনিকৰে স্মৃতিধাৰাৰ ভৱিষ্যৎ অতি উজ্জ্বল হোৱাৰ কামনা কৰে। গড়গাঁও মহাবিদ্যালয়ৰ অধ্যাপক ড° অনিল তাঁতী, ধ্ৰুৱজ্যোতি সন্দিকৈয়ে নতুন প্ৰজন্মৰ কথাও চিন্তা কৰিবলৈ আহ্বান জনায়। সভাত অধ্যক্ষ ড° ৰাজু ফুকন, ড° দিগন্ত কোঁৱৰ, ড° ধ্ৰুৱজ্যোতি নাথ, ড° ৰমানন্দ দাস, ড° অৰূপ বৰগোহাঞিক উপদেষ্টা, প্ৰমোদ গগৈক সভাপতি, ড° জিতু শইকীয়া, মৌচুমী খনিকৰ, শান্তনু বৰগোহাঞি, যোগদা মহন্তক উপ-সভাপতি, ড° পল্লৱজ্যোতি কোঁৱৰক সাধাৰণ সম্পাদক, পৱিত্ৰ বৰগোহাঞি, মন্দিতা কোঁৱৰ, ৰাজীৱ বৰা, ড° অনিল তঁতী, খাদিজা বেগমক সহকাৰী সম্পাদক, যতীন গগৈ, ড° কৃষ্ণজ্যোতি সন্দিকৈক ক্ৰীড়া সম্পাদক, ড° জীৱন কলিতা, ড° জ্যোতিৰঞ্জন মিলিক আলোচনী সম্পাদক, জিতেন ফুকনক কোষাধ্যক্ষ, প্ৰণৱ দুৱৰাক সাংস্কৃতিক সম্পাদক। নীলাক্ষি মহন, প্ৰণাৱলী বৰুৱা, পূৰ্ণকান্ত গগৈ, পৱিত্ৰ শৰ্মা, হেমন্ত মাধৱ নাথ, কৃষ্ণকান্ত মহন্ত, মিঞ্জু সভাপণ্ডিত আৰু নিৰ্মল বৰাক সদস্য-সদস্যা হিচাপে লৈ নাজিৰাৰ সমিতিখন গঠন কৰা হয়। যুগল ভৰালী আৰু ধ্ৰুৱজ্যোতি সন্দিকৈক কেন্দ্ৰীয় সমিতিৰ সদস্য হিচাপে প্ৰেৰণ কৰে।

## আগিয়াত চকু চিকিৎসা শিবিৰ

অগ্ৰদূত বাৰ্তা

**কৃষ্ণাই, ২২ মে' ঃ** গোৱালপাৰা জিলাৰ স্বেচ্ছাসেৱী সংগঠন ওৱেচিচ ট্ৰাষ্টৰ উদ্যোগত আজিৰে পৰা আগিয়াত ট্ৰাকচালকসকলৰ বাবে এটি সাতদিনীয়া বিনামূলীয়া চকু চিকিৎসা শিবিৰ অনুষ্ঠিত কৰা হৈছে। পথ পৰিবহণ আৰু ৰাষ্ট্ৰীয় পথ মন্ত্ৰণালয়ৰ পথ সুৰক্ষা কোষৰ অৰ্থ সাহায্যৰে আয়োজন কৰা হৈছে এই চকু চিকিৎসা শিবিৰৰ। জিলাখনৰ আগিয়াৰ লক্ষীপুৰ-গোৱালপাৰা পথৰ কাষত অৱস্থিত ম'মো হাটত অহা ২৮ মে'লৈ আয়োজিত বিনামূলীয়া চকু চিকিৎসা শিবিৰত কে'বাগৰাকী অভিজ্ঞ চকু চিকিৎসকৰ দ্বাৰা চিকিৎসা আগবঢ়োৱা হ'ব। গোৱালপাৰা পূব বিধানসভা সমষ্টিৰ বিধায়ক এ কে ৰশিদ আলকে উদ্বোধন কৰিবলগীয়া চিকিৎসা শিবিৰত আমন্ত্ৰিত অতিথিৰূপে জিলা উপায়ুক্ত মীনাক্ষী দাস নাথ আৰু জিলা আৰক্ষী অধীক্ষক ভি ভি ৰাকেশ ৰেড্ডী পিয়ে সন্মানীয় অতিথিৰূপে উপস্থিত থাকে। আনহাতে, উদ্বোধনী অনুষ্ঠানত জিলা যুটীয়া স্বাস্থ্য সঞ্চালক, জিলা পৰিবহণ বিষয়া, জিলা সমাজ কল্যাণ বিষয়া আদিৰ লগতে আগিয়াৰ বহুকেইজন স্থানীয় বিশিষ্ট লোকো উপস্থিত থাকে বুলি ওৱেচিচ ট্ৰাষ্টৰ সাধাৰণ সম্পাদক আবু তাহেৰ মহম্মদ ফাৰহাদ আলীয়ে সদৰী কৰিছে।

## গোৱালপাৰা জিলা মাধ্যমিক অতিৰিক্ত (ঠিকাভিত্তিক) শিক্ষকৰ খালী পদ সংৰক্ষণ পত্ৰ বিতৰণ



অগ্ৰদূত বাৰ্তা

**দুধনৈ, ২২ মে' ঃ** গোৱালপাৰা জিলা মাধ্যমিক অতিৰিক্ত (ঠিকাভিত্তিক) শিক্ষক সন্থাৰ উদ্যোগত জিলাখনৰ অতিৰিক্ত (ঠিকাভিত্তিক) শিক্ষকসকলৰ খালী পদ সংৰক্ষণ পত্ৰ বিতৰণৰ বাবে এক সভা অনুষ্ঠিত কৰা হয়। যোৱা ২০ মে'ত বলদমাৰী হাইস্কুলত শিক্ষক সন্থাৰ গোৱালপাৰা জিলা সমিতিৰ সভাপতি আব্দুল হাই আহমেদৰ সভাপতিত্বত অনুষ্ঠিত সভাতে গোৱালপাৰা জিলাৰ মাধ্যমিক অতিৰিক্ত (ঠিকাভিত্তিক) শিক্ষকসকলৰ পদ সংৰক্ষণ পত্ৰসমূহ বিতৰণ কৰা হয়। গোৱালপাৰা জিলা সমিতিৰ সম্পাদক শান্তনু কলিতাই আঁত ধৰা সভাখনত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে গোৱালপাৰা জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক চাদুল্লা খানে। ভাষণ প্ৰসংগত বিদ্যালয়সমূহৰ পৰিদৰ্শকজনে ঠিকাভিত্তিক শিক্ষকসকলৰ ভূয়সী প্ৰশংসা কৰি ২০১০ৰ পৰা অতি আন্তৰিকতাৰে সেৱা আগবঢ়াই অহা ঠিকাভিত্তিক শিক্ষকসকলে বিদ্যালয়ৰ শৈক্ষিক দিশৰ উপৰি বিদ্যালয় এখনৰ উত্তোৰণৰ সকলো দিশতে সমানে চকু দি সেৱা আগবঢ়োৱা বুলি প্ৰকাশ কৰে। সভাত বৃক্কৰ জটিল ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ থকা ঠিকাভিত্তিক শিক্ষক চন্দন কলিতালৈ বিদ্যালয়সমূহৰ পৰিদৰ্শক আৰু সন্থাৰ তৰফৰ পৰা আৰ্থিক সাহায্য প্ৰদান কৰে। সভাত গোৱালপাৰা জিলা অধিবিদ্যা পৰিষদৰ বিষয়ববীয়াসকলে অংশগ্ৰহণ কৰে।

## নিৰ্মাণৰ এবছৰ নৌহওঁতেই বিধ্বস্ত কালভাৰ্ট

### ■ পিৰাকাটা-শিঙৰী কালিস্থান সংযোগী পথ বিধ্বস্ত

অগ্ৰদূত বাৰ্তা

**শিঙৰী, ২২ মে' ঃ** শিঙৰী চাহ বাগিচাত প্ৰধানমন্ত্ৰী গ্ৰামচড়ক যোজনাৰ অধীনত নিৰ্মিত এটা পথৰ কালভাৰ্ট বৰষুণৰ পানীত বিধ্বস্ত হৈছে।

উল্লেখ্য যে বৰছলা সমষ্টিৰ কেহেৰুখন্দা-পিৰাকাটা-শিঙৰী কালিস্থান সংযোগী পথটো বিগত বৰ্ষত প্ৰধানমন্ত্ৰী গ্ৰামচড়ক যোজনাৰ অধীনত নিৰ্মাণ কৰা হৈছিল। এই পথৰ মাজত শিঙৰী চাহ বাগিচাত ক্ৰেছ হাউছৰ সমীপত এটা জানৰ ওপৰত এটা কালভাৰ্ট নিৰ্মাণ কৰা হৈছিল। কিন্তু কালভাৰ্টটো নিৰ্মাণৰ এবছৰ নৌহওঁতেই বৰষুণৰ পানীত বিধ্বস্ত হয়। যোৱা কেইদিনৰ বৰষুণৰ ফলত কালভাৰ্টটোৰ দুয়োকাষৰ সংলগ্ন মাটি বৰষুণৰ পানীত খহি যোৱাত কালভাৰ্টটোৰ উত্তৰ দিশৰ এটা অংশ বিধ্বস্ত হয়। চি চি পেভাৰ ব্লকেৰে নিৰ্মিত পথটো কালভাৰ্টটোৰ দুয়ো কাষৰ অংশ বহি হৈছে। ফলত যানবাহন পাৰ হৈ যোৱাত অসুবিধাৰ সৃষ্টি হৈছে। নিৰ্মাণৰ এবছৰ নৌহওঁতেই বৰষুণৰ পানীত কালভাৰ্টটো



বিধ্বস্ত হৈ পৰাত স্থানীয় ৰাইজ উদ্বিগ্ন হৈ পৰিছে। কালভাৰ্টটো নিৰ্মাণত বিসংগতি হোৱাৰ বাবে বৰষুণৰ পানীত কালভাৰ্টটো বিধ্বস্ত হৈছে বুলি স্থানীয় ৰাইজে প্ৰকাশ কৰিছে। এই পথত শিঙৰী চাহ বাগিচাৰ ফেক্টৰী লাইনৰ কাষত আন এটা কালভাৰ্ট অকামিলা হৈ পৰিছে। কালভাৰ্টটোৰ পূব দিশৰ অংশ বহি গৈছে। ফলত যানবাহন চলাচলত অসুবিধাৰ সৃষ্টি হৈছে। এই ক্ষেত্ৰত সঠিক ব্যৱস্থা গ্ৰহণ কৰিবলৈ স্থানীয় ৰাইজে লোকনিৰ্মাণ বিভাগক দাবী জনাইছে।

## আক্ৰমণত জেহাদী জড়িত থকাৰ

*এক পৃষ্ঠাৰ পৰা* আহিছে; কিন্তু সাধাৰণ মুছলমান লোকৰ ইয়াত সমৰ্থন নাই। তেওঁলোকে নগাঁৱত এনে কাণ্ড সংঘটিত কৰাৰ চেষ্টা চলাই আছে। বটদ্ৰৱা কাণ্ডত ইয়াৰ চিন স্পষ্ট ৰূপত পোৱা গৈছে।'

থানা আক্ৰমণ কৰিবলৈ কোনোৱে পেট্ৰ'ল লৈ অহাটো স্পষ্ট হৈছে যদিও পেট্ৰ'ল বোমাও আনিছিল নেকি তাৰ পৰীক্ষা আৰক্ষীয়ে কৰি থকা বুলি সঞ্চালক প্ৰধান মহন্তই জনায়। ইপিনে, আক্ৰমণকাৰীৰ মাজত আনোৱাৰ আৰু আলাউদ্দিন বুলি পৰিচিত দুজন ডকাইত থকাও আৰক্ষীয়ে প্ৰত্যক্ষ কৰাৰ কথা উল্লেখ কৰি মহন্তই কয়, 'মানুহবোৰৰ মাজত ড্ৰাগছ মাফিয়া, ডকাইত আৰু আন অপৰাধৰ লগত জড়িত লোক থকাৰো সন্দেহ কৰা হৈছে। তেওঁলোকৰ উদ্দেশ্য নথিপত্ৰ নষ্ট কৰা। ইয়াত জনা-শুনা অথবা প্ৰশিক্ষণপ্ৰাপ্ত লোক থাকিব লাগিব। তেওঁলোকে আৰক্ষীৰ পৰা অস্ত্ৰ লৈ যোৱাৰো আশংকা কৰা হৈছে। সেইকাৰণে তেওঁলোকৰ বাসগৃহসমূহ ভাঙি পেলোৱা হৈছে। প্ৰয়োজনত মাটি খান্দি হ'লেও চুৰি কৰা অস্ত্ৰসমূহ উদ্ধাৰ কৰা হ'ব। তাৰ বাবে এটা বিশেষ দল গঠনৰ নিৰ্দেশ দিয়া হৈছে। এজন অতিৰিক্ত আৰক্ষী অধীক্ষকৰ নেতৃত্বত থাকিব এই দলটো। সমগ্ৰ ঘটনাত ষড়যন্ত্ৰ জড়িত আছে। বৃহৎ দমনমূলক কাৰ্যকলাপৰ উদাহৰণ এয়া। এই কাৰ্য কোনো কাৰণতে মানি লোৱা নহ'ব। কঠোৰ হাতেৰে এনে কাৰ্য দমন কৰা হ'ব।' যি ছফিকুল ইছলামৰ আৰক্ষী জিম্মাত মৃত্যুৰ অভিযোগ কৰি থানা আক্ৰমণ কৰা হয়, সেই সন্দৰ্ভত সঞ্চালক প্ৰধানজনে কয়, 'ছফিকুল ইছলামক মদ খাই পৰি থকা অৱস্থাত তুলি অনা হৈছিল। তাৰ আলোকচিত্ৰ আমাৰ হাতত আছে। নিচাগ্ৰস্ত অৱস্থাত লোকজনক আমাৰ থানাৰ নতুন বলেৰ' গাড়ীৰে অনা হৈছিল। অৱশ্যে টেকনিকেলি পুলিচৰ জিম্মাতে তেওঁৰ মৃত্যু হৈছে। পুলিচৰ জিম্মাত মৃত্যু হোৱাটো আচৰিত নহয়। কাৰ্বি আংলঙৰ অতিৰিক্ত আৰক্ষী অধীক্ষক প্ৰকাশ সোণোৱালক ইয়াৰ তদন্ত কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। গোটেই ঘটনাটোক লৈ ধিং থানাত এটা গোচৰ পঞ্জীয়ন কৰা হৈছে।'

### এছ আই টিয়ে তদন্ত কৰিব

ইপিনে, সমগ্ৰ ঘটনাৰ তদন্ত বিশেষ অনুসন্ধানৰ গোট (এছ আই টি)-এ কৰিব বুলি বটদ্ৰৱা আৰক্ষী থানাত আন এখন সংবাদমেলত সদৰী কৰে আৰক্ষীৰ বিশেষ সঞ্চালক প্ৰধান জি পি সিঙে। এছ আই টিয়ে ৪৫ দিনৰ ভিতৰত তদন্ত সম্পূৰ্ণ কৰি ৬০ দিনৰ ভিতৰত অভিযোগনামা দাখিল কৰিব লাগিব বুলি সিঙে কয়। ইপিনে, ঘটনাৰ লগত জেহাদীৰ সম্পৰ্ক থকা বুলি সিঙেও সন্দেহ কৰে। তেওঁ কয়, 'বৰপেটা আৰু বঙাইগাঁৱত জেহাদীৰ সন্দৰ্ভত জিলা দুখনৰ আৰক্ষীয়ে যি তদন্ত কৰি আছে তাৰ লগত যোগাযোগ কৰিবলৈ আমি এছ আই টিক নিৰ্দেশ দিছো। বটদ্ৰৱা থানা আক্ৰমণত জড়িতসকলৰ কাৰোবাৰ নাম এই জিলাকেইখনত অব্যাহত থকা জেহাদীৰ তদন্তৰ লগত ক'ৰবাত যোগসূত্ৰ আছে নেকি সেই সম্পৰ্কত আৰক্ষী নিশ্চিত হ'ব লাগিব। তেনে কিবা তথ্য প্ৰমাণ পালে গোচৰত নতুন ধাৰা সংযোগ হ'ব। আমাৰ সন্দেহ, আক্ৰমণকাৰী প্ৰস্তুত হৈ আহিছিল। তেওঁলোকৰ উদ্দেশ্য আছিল থানাৰ নথি-কেছ ডায়েৰি নষ্ট কৰা, অস্ত্ৰ-শস্ত্ৰ লুট কৰা।' তদুপৰি সিঙে কয় যে ছফিকুল ইছলামৰ মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন, ফৰেনছিকৰ প্ৰতিবেদন আদিৰ পৰা লোকজনৰ মৃত্যুৰ বাবে কোনোবা দোষী হয় নে নহয় তাক নিশ্চিত কৰা হ'ব।

প্ৰসংগক্ৰমে উল্লেখ্য যে আজি মধ্য অসমৰ আৰক্ষী উপ-মহাপৰিদৰ্শক সত্যৰাজ হাজৰিকা, আৰু নগাঁৱৰ আৰক্ষী অধীক্ষক লীনা দলেই ঘটনাস্থলীৰ শেহতীয়া পৰিস্থিতিৰ বুজ লয়।

## থানা আক্ৰমণকাৰীৰ বাসগৃহ উচ্ছেদ

*এক পৃষ্ঠাৰ পৰা* জিলা প্ৰশাসনৰ এনে কাৰ্যক লৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

ইপিনে, আজি ঘটনাস্থলী পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লয় অসম আৰক্ষীৰ সঞ্চালক প্ৰধান, বিশেষ সঞ্চালক প্ৰধান আদিকে ধৰি উচ্চপদস্থ বিষয়াৰ দলে। লক্ষ্যণীয়ভাৱে আৰক্ষী থানাত যিধৰণে আক্ৰমণ সংঘটিত কৰা হ'ল তাৰ লগত জেহাদীৰ সম্পৰ্ক থকা বুলি পোনপটীয়াকৈ নক'লেও আৰক্ষীয়ে সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্তই নুইও নকৰিলে। ইপিনে, পুনৰ থানাত আক্ৰমণ কৰি অস্ত্ৰ-শস্ত্ৰ লুটৰ আশংকাও কৰা হৈছে। কালিৰ ঘটনা আৰু আজি তাৰ প্ৰতিক্ৰিয়াক লৈ সমগ্ৰ বটদ্ৰৱা অঞ্চলত চেপা উত্তেজনা বিৰাজ কৰিছে। পৰিস্থিতি নিয়ন্ত্ৰণত ৰাখিবলৈ থানা অঞ্চলটোৰ লগতে আজি গৃহ উচ্ছেদ কৰা শালনাবড়ীতো অসম আৰক্ষীৰ উপৰি অৰ্ধসামৰিক বাহিনীৰ বৃহৎ দল নিয়োগ কৰা হৈছে। ইপিনে, আজি বিয়লি পৰ্যন্ত আৰক্ষীয়ে দুগৰাকী মহিলাসহ ছজনক গ্ৰেপ্তাৰ কৰাৰ লগতে মহিলাসহ ১৫ জনক আটক কৰে।

### পুৱাতে আৰম্ভ উচ্ছেদ

আজি পুৱা নগাঁও জিলা প্ৰশাসনৰ এটা দল আৰু আৰক্ষীয়ে বুলডজাৰ, এক্সকেভেটৰ আদি লৈ শালনাবড়ীত উপস্থিত হয়। তাৰপাছত ছফিকুল ইছলামৰ পাঁচজন আত্মীয়ৰ বাসগৃহ উচ্ছেদ কৰে। তাৰ পাছত জামতলাত আৰু হাইডুবিত আন দুটা পৰিয়ালৰ ঘৰ উচ্ছেদ কৰা হয়। উচ্ছেদিত পৰিয়ালকেইটাৰ লোক কালিৰ থানা আক্ৰমণৰ ঘটনাত জড়িত থকাৰ অভিযোগ উঠিছে। তাৰে কে'বাজনক ইতিমধ্যে গ্ৰেপ্তাৰো কৰা হৈছে; কিন্তু জিলা প্ৰশাসনে আগতীয়া জাননী নিদিয়াকৈ এনেদৰে ঘৰ উচ্ছেদ কৰা বুলি অভিযোগ উঠিছে। স্থানীয় একাংশ লোকে দাবী কৰে যে পৰিয়ালকেইটাই বেদখলী মাটিত বাস কৰি থকা নাই; বৰঞ্চ নিজে মাটি ক্ৰয় কৰি বাস কৰি আছে। সেয়েহে এই উচ্ছেদ বেআইনী আৰু অমানৱীয় বুলি মন্তব্য কৰে উচ্ছেদিতসকলৰ আত্মীয়সকলে। ইয়াৰ বিপৰীতে অসম আৰক্ষীৰ বিশেষ সঞ্চালক প্ৰধান জি পি সিঙে বটদ্ৰৱাত বাসগৃহ উচ্ছেদৰ সন্দৰ্ভত কয়, 'আমাৰ তদন্তত পোহৰলৈ আহিছে যে যিসকল লোকে কালি আৰক্ষী থানা জ্বলাইছিল তাৰ ভিতৰৰ বহু লোকে যি ঠাইত ঘৰ সাজি বাস কৰি আছে সেয়া বেদখলী ভূমি। তাত তেওঁলোকে বেদখলকাৰী হিচাপে আছে। তেওঁলোক যি পট্টা লৈছে সেয়া ভুৱা নথিৰে লোৱা। যিহেতু সেই লোকসকলে বেদখলী ভূমিত বাস কৰি তাত বেআইনী কাৰ্যকলাপ চলাই আছে সেয়েহে আজি একাংশৰ ঘৰ উচ্ছেদ কৰা হয়।'

### অভিযুক্তৰ সন্ধানত অভিযান

আজিলৈকে গ্ৰেপ্তাৰ হোৱা সকলৰ ভিতৰত এগৰাকী যুৱতী আৰু এগৰাকী মহিলাও আছে। তেওঁলোক হ'ল ক্ৰমে ৰছিদা খাতুন (৩৬) আৰু ছাবিনা খাতুন (১৮)। ধৃত আন লোককেইজন হ'ল ক্ৰমে শালনাবড়ীৰ মজিবুৰ ৰহমান (৪৯), ৰফিকুল ইছলাম (৩৬), শালাপথাৰৰ আনোৱাৰ হুছেইন আৰু হাইডুবিৰ আনোৱাৰ হুছেইন। ইয়াৰে ছাবিনা খাতুন সপ্তম শ্ৰেণীৰ ছাত্ৰী। ধৃত ৰছিদা খাতুন মৃত ছফিকুল ইছলামৰ পত্নী। খাতুনক পাঁচদিনৰ ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰা হৈছে। আনহাতে, ছাবিনাৰ বাদে গ্ৰেপ্তাৰ কৰা আন অভিযুক্তকেইজনক নগাঁও সদৰ আৰক্ষী থানাত জেৰা অব্যাহত ৰখা হৈছে। আনহাতে, ভিডিঅ' ফুটেজ আৰু প্ৰত্যক্ষদৰ্শীৰ তথ্যৰ ভিত্তিত আৰক্ষীয়ে থানা আক্ৰমণত জড়িতসকলক চিনাক্তকৰণ প্ৰক্ৰিয়া অব্যাহত ৰাখি আটক কৰাৰ অভিযানো আৰম্ভ কৰিছে। অৱশ্যে একাংশ লোকে আত্মগোপন কৰা বুলি আৰক্ষীয়ে সন্দেহ কৰিছে।

### অস্ত্ৰ-শস্ত্ৰ লুটৰ সন্দেহ

থানাত অগ্নিসংযোগ কৰাৰ ফলত কে'বাখনো যানবাহন, বহু নথিপত্ৰ, নগদ ধন আদিৰ লগতে কে'বাবিধো অস্ত্ৰ-শস্ত্ৰ ভস্মীভূত হয়। সেয়েহে আশংকা কৰা হৈছে যে আক্ৰমণকাৰীৰ মাজৰ কোনোৱে থানাৰ অস্ত্ৰও লুটি নিয়ে। তেনে অস্ত্ৰৰ তথ্য উদ্ধাৰৰ বাবে অনুসন্ধান অব্যাহত ৰাখিছে আৰক্ষীয়ে।

## বটদ্ৰৱাৰ ঘটনাক লৈ শাসক-বিৰোধীৰ

*এক পৃষ্ঠাৰ পৰা* নহ'ব। এসময়ত অসমৰ কিছু অঞ্চলত আইন কানুন বুলি কোনো কথাই নাছিল, চোৰ-ডকাইতৰ ৰাজত্ব আছিল। বিশেষকৈ কংগ্ৰেছ চৰকাৰৰ দিনত থানা আক্ৰমণ নিত্য নৈমিত্তিক এক ঘটনা আছিল। ড° হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰৰ দিনত তেনে কথাই হ'ব নোৱাৰে।' মন্ত্ৰী হাজৰিকাই লগতে কয় যে আৰক্ষীৰ জিম্মাত এজন লোকৰ মৃত্যু হোৱাৰ যি অভিযোগ উত্থাপিত হৈছে তাৰ নিশ্চিত ৰূপত তদন্ত হ'ব; কিন্তু আইন হাতত তুলি পূৰ্বপৰিকল্পিতৰ দৰে তেল ঢালি থানা জ্বলাই দিয়া কাৰ্য কোনোমতে গ্ৰহণ কৰা নহয়।

ইপিনে, বিজেপিৰ বিধায়ক পদ্ম হাজৰিকাই তেজপুৰত কয় যে ঘটনাত জড়িতসকলৰ বিৰুদ্ধে শাস্তি ইমানেই কঠোৰ হোৱা উচিত যে ভৱিষ্যতে যাতে কোনো লোকে বটদ্ৰৱাৰ দৰে থানাত প্ৰৱেশ কৰিবলৈ সাহস কৰিব নোৱাৰে। হাজৰিকাই লগতে কয়, 'যদিহে আৰক্ষী বিষয়াই দোষ কৰিছিল তেনেহ'লে চৰকাৰক আহ্বান নজনাই এইসকল লোকে যি তাণ্ডৱ চলালে সেয়া কোনো কাৰণতে সহ্য কৰা নহ'ব।' একেদৰে তেজপুৰৰ সাংসদ পল্লৱলোচন দাসে হাতত কেৰাচিনৰ টিন লৈ থানা আক্ৰমণ কৰিবলৈ যোৱাটো এক পৰিকল্পিত ঘটনা বুলি মন্তব্য কৰি ইয়াত মহিলাও জড়িত হোৱাটো দুৰ্ভাগ্যজনক বুলি কয়। ইপিনে, মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব জয়ন্তমল্ল বৰুৱাই থানা জ্বলাই দিয়া কাৰ্য অসমৰ ৰাইজে কেতিয়াও সহ্য নকৰে বুলি কয়।

অসম ৰাজ্যিক বিজেপিয়ে থানাত অগ্নিসংযোগ কৰা ঘটনাটো এক সন্ত্ৰাসবাদী কাৰ্য বুলি অভিহিত কৰি ইয়াৰ লগত জড়িত প্ৰতিজন লোক প্ৰশিক্ষণপ্ৰাপ্ত জেহাদী বুলিও কয়। আজি দলৰ ৰাজ্যিক মুখ্য কাৰ্যালয়ত আয়োজিত এক সংবাদমেলত মুখপাত্ৰদ্বয় ৰঞ্জীৱ কুমাৰ শৰ্মা আৰু সুভাষ দত্তই কয়, 'অসমত বৰ্তমান পি এফ আইৰ দৰে সংগঠনৰ সাংগঠনিক কাম-কাজ বাংলাদেশী মূলৰ মুছলমান লোকৰ মাজত যথেষ্ট শক্তিশালী হৈ উঠিছে। পি এফ আইৰ প্ৰশিক্ষণ শিবিৰত প্ৰশিক্ষিত জেহাদীসকলেহে বটদ্ৰৱা থানা আক্ৰমণ কৰিছিল। সেয়েহে এই আক্ৰমণকাৰীসকলক আৰক্ষীয়ে সন্ত্ৰাসবাদী হিচাপে গণ্য কৰিব লাগে।' মুখপাত্ৰদ্বয়ে লগতে ৰাইজৰ দলৰ বিধায়ক অখিল গগৈ আৰু বটদ্ৰৱাৰ কংগ্ৰেছ বিধায়িকা শিবামণি বৰাই প্ৰশাসনে চলোৱা উচ্ছেদ অভিযানৰ বিৰোধিতা কৰা কাৰ্য মুছলমান তুষ্টিকৰণৰ বাহিৰে আন একো নহয় বুলি মন্তব্য কৰে। ইপিনে, কংগ্ৰেছে থানা আক্ৰমণৰ ঘটনাক গৰিহণা দিলেও প্ৰশাসনে অভিযুক্তৰ বাসগৃহ উচ্ছেদৰ গৰিহণা দিয়ে। প্ৰদেশ কংগ্ৰেছ সভাপতি ভূপেন বৰাই আজি দলৰ কাৰ্যকৰী সভাপতি ৰাণা গোস্বামীক অধ্যক্ষৰূপে লৈ এখন সাতজনীয়া সমিতিও গঠন কৰি দিয়ে। বৰাই কয় যে এই সমিতিয়ে শীঘ্ৰে বটদ্ৰৱা সমষ্টিলৈ গৈ থানা আক্ৰমণৰ ঘটনাৰ বুজ ল'ব। তদুপৰি আৰক্ষীৰ জিম্মাত এজন লোকৰ মৃত্যু হোৱাৰ ঘটনাৰো বুজ ল'ব। সমিতিৰ সদস্যসকল হ'ল বিধায়ক নুৰুল হুদা, বিধায়ক শিবামণি বৰা, আন এজন বিধায়ক আব্দুল বাতেন খণ্ডকাৰ, নগাঁও জিলা কংগ্ৰেছ কমিটীৰ সভাপতি সুৰেশ বৰা, প্ৰদেশ কংগ্ৰেছ কমিটীৰ সাধাৰণ সম্পাদক স্বপন কুমাৰ মণ্ডল আৰু নগাঁও পৌৰসভাৰ ৱাৰ্ড কমিছনাৰ আব্দুল কাদিৰ। প্ৰদেশ কংগ্ৰেছ কমিটীৰ সাধাৰণ সম্পাদক ৰমেন বৰঠাকুৰেও থানা জ্বলোৱাৰ ঘটনাক নিন্দা কৰিছে। অৱশ্যে কি কাৰণে থানা জ্বলাই দিবলগীয়া পৰিস্থিতি হ'ল সেয়া বিশ্লেষণৰ প্ৰয়োজন আছে নেকি মন্তব্য কৰে।

চি পি আই (এম)য়ে বটদ্ৰৱাৰ ঘটনাত উদ্বেগ প্ৰকাশ কৰি কয় যে এজন লোকৰ আৰক্ষীৰ জিম্মাত থকা অৱস্থাত মৃত্যু হোৱাৰ পাছত কালি বটদ্ৰৱা আৰক্ষী থানাত আক্ৰমণ কৰাৰ ঘটনা আৰু আজি আৰক্ষীয়ে গাঁওবাসীৰ মাজত 'উপদ্ৰৱৰ অত্যাচাৰ চলোৱা' কাৰ্যত দলে গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। সেয়েহে সমগ্ৰ ঘটনাৰ উচ্চ পৰ্যায়ৰ ন্যায়িক তদন্ত দলটোৱে দাবী কৰিছে। দলে দোষী আৰক্ষী বিষয়া আৰু থানা জ্বলোৱা দুৰ্বৃত্তৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবী জনায়। ভাৰতৰ কমিউনিষ্ট পাৰ্টি (চি পি আই)য়েও বটদ্ৰৱাৰ ঘটনাৰ উচ্চ পৰ্যায়ৰ ন্যায়িক তদন্ত দাবী কৰিছে। অসম ৰাজ্য পৰিষদৰ সম্পাদক মুনিন মহন্তই এক বিবৃতিত কয় যে আৰক্ষীৰ জিম্মাত মানুহৰ মৃত্যু হোৱাটো আইন বিৰুদ্ধ। একেদৰে থানা জ্বলাই দিয়াটো আৰু থানা জ্বলোৱাৰ পাছত অভিযুক্তৰ ঘৰ ভঙাটোও আইন বিৰোধী কাৰ্য। এনে অবিবেচক আৰু প্ৰতিহিংসাপূৰ্ণ আচৰণে ৰাজ্যখনত অধিক হিংস্ৰ নৈৰাজ্যময় পৰিৱেশ সৃষ্টি কৰিব। ইপিনে, আৰক্ষীৰ জিম্মাত থকা অৱস্থাতে অভিযুক্ত এজনৰ মৃত্যু হোৱাৰ ঘটনাক কেন্দ্ৰ কৰি বটদ্ৰৱাত সৃষ্টি হোৱা পৰিস্থিতি অতি নিন্দনীয় আৰু গৰিহণাৰ যোগ্য বুলি মন্তব্য কৰে অসম তৃণমূল কংগ্ৰেছৰ সভাপতি ৰিপুন বৰাই। এক বিবৃতিত বৰাই বটদ্ৰৱাৰ ঘটনাত আৰক্ষীৰ দুৰ্বল স্থিতি পৰিস্ফুট হ'ব বুলিও কয়। বৰাই কয়, 'বটদ্ৰৱা থানা জ্বলাই দিয়া ঘটনাটোৰ যেনেদৰে উচ্চ তদন্ত কৰি দোষীক উচিত শাস্তি দিব লাগে, ঠিক তেনেদৰে কি কাৰণত আৰক্ষীৰ জিম্মাত অভিযুক্ত লোকজনৰ মৃত্যু হ'ল তাৰো উচ্চ পৰ্যায়ৰ ন্যায়িক তদন্ত হ'ব লাগে। আজি আৰক্ষীয়ে আইন হাতত তুলি লৈ অভিযুক্তৰ ঘৰ ভাঙি দিয়া কাৰ্যক আমি সমৰ্থন নকৰো। আইনক আইনৰ মতে কাৰ্য কৰিব দিব লাগে।'

প্ৰতিবাদৰ নামত বটদ্ৰৱা আৰক্ষী থানা জ্বলাই দিয়া কাৰ্যক গৰিহণা দি এই ঘটনাই চৰকাৰৰ গৃহ বিভাগৰ ব্যৰ্থতাকো স্পষ্ট কৰা বুলি আজি মন্তব্য কৰে বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ কাৰ্যকৰী সভাপতি যাদৱ গগৈয়ে। গগৈয়ে থানা জ্বলোৱাত জড়িতসকলক চিনাক্ত কৰি কঠোৰ শাস্তি প্ৰদানৰ সমান্তৰালকৈ আৰক্ষীৰ জিম্মাত কেনেকৈ এজন আটকাধীন লোকৰ মৃত্যু হ'ল তাৰ উচিত তদন্তৰ দাবী জনায়। উজনি অসম মুছলিম কল্যাণ পৰিষদেও থানা জ্বলাই দিয়া কাৰ্য গৰিহণাৰ যোগ্য আৰু অতি নিন্দনীয় বুলি মন্তব্য কৰিছে। পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভাপতি মণিৰুল ইছলাম বড়াই কয়, 'বংগভাষী মুছলমানৰ মাজত অত্যধিক অপৰাধ প্ৰৱণতা আছে। তেওঁলোকৰ ভিতৰৰ ৬০ শতাংশই অতি নিষ্ঠুৰ আৰু বৰ্বৰ স্বভাৱৰ। এজন লোকৰ প্ৰতিবাদ গণতান্ত্ৰিকভাৱে হোৱা উচিত আছিল। কিন্তু প্ৰতিবাদৰ নামত এদল উন্মাদ লোকে থানা আক্ৰমণ কৰা, আৰক্ষীক থানা চৌহদতে আক্ৰমণ কৰা আদি কাৰ্য গৰিহণাৰ যোগ্য। এনে লোকৰ বাবেই আজি খিলঞ্জীয়া মুছলমানসকল অস্তিত্বৰ সংকটত ভুগিছে।' উত্তৰ-পূৰ্বাঞ্চল সংখ্যালঘু ছাত্ৰ সন্থা (নেমছু)ৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক মিনহাজুল ইমৰানেও আৰক্ষীৰ জিম্মাত অভিযুক্তৰ মৃত্যু হোৱা ঘটনাটোৰ ন্যায়িক তদন্ত দাবী কৰে। আনহাতে, থানা জ্বলোৱা কাৰ্যক গৰিহণা দি প্ৰশাসনে অভিযুক্তৰ গৃহ উচ্ছেদ কৰা ঘটনাটোত নিন্দনীয় বুলি বক্তব্য কৰে। পপুলাৰ ফ্ৰণ্ট অৱ ইণ্ডিয়া (পি এফ আই)ৰ অসম ৰাজ্যিক সভাপতি আবুশামা আহমেদে আৰক্ষীৰ জিম্মাত এজন লোকৰ মৃত্যু হোৱাক লৈ সংঘটিত ঘটনা দুৰ্ভাগ্যজনক আৰু নিন্দনীয় বুলি কয়। আৰক্ষীৰ জিম্মাত অভিযুক্তৰ মৃত্যু ঘটনাৰ সংগঠনটোৱে উচ্চ পৰ্যায়ৰ ন্যায়িক তদন্ত দাবী কৰে। ইপিনে, হিন্দু সুৰক্ষা সেনা অসমে বটদ্ৰৱা থানা জ্বলাই দিয়া, আৰক্ষীক আক্ৰমণ কৰা আদি কাৰ্যক কেতিয়াও সহজভাৱে মানি ল'ব নোৱাৰে বুলি কয়। সংগঠনটোৱে দুষ্কৃতিকাৰীসকলক কঠোৰ শাস্তি বিহাৰ দাবী জনায়।

## দেশৰ সৰ্বাধিক জনপ্ৰিয়

*এক পৃষ্ঠাৰ পৰা* পাৰদৰ্শিতাক লৈ অতিকৈ সন্তুষ্ট। কেৰালা আৰু তামিলনাডুত ৪১ শতাংশই ৰাজ্য দুখনৰ মুখ্যমন্ত্ৰীৰ প্ৰতি সন্তুষ্টি প্ৰকাশ কৰে। ইপিনে, অসমৰ ৩৭ শতাংশই মুখ্যমন্ত্ৰীৰ শৰ্মাৰ কাম-কাজত কিছু পৰিমাণে সন্তুষ্ট বুলি কয়। ইপিনে, ১৮ শতাংশই প্ৰকাশ কৰে যে তেওঁলোকে ৰাজ্যখনৰ মুখ্যমন্ত্ৰীৰ কাম-কাজত সন্তুষ্ট নহয়। বিগত ১২ মাহ ধৰি প্ৰতিদিনেই এই সমীক্ষা চলোৱা হৈছিল বুলি প্ৰকাশ কৰা হৈছে।

## অখিলৰ বিৰুদ্ধে ইউডিএফৰ

*এক পৃষ্ঠাৰ পৰা* মুৰব্বী বদৰুদ্দিন আজমলৰ বিৰুদ্ধে অশালীন মন্তব্য কৰাত আজি এআইইউডিএফৰ ধুবুৰী জিলা যুৱ মৰ্চাই বিধায়কজনৰ বিৰুদ্ধে গৌৰীপুৰ আৰক্ষী থানাত এজাহাৰ দাখিল কৰে। উল্লেখ্য যে বিধায়ক গগৈয়ে আজমলক সমালোচনা কৰিবলৈ গৈ তেওঁক লাথ মাৰি খেদি পঠিয়াবলৈ ৰাইজক আহ্বান জনাইছিল। সাংসদ আজমলৰ বিৰুদ্ধে ৰাজহুৱাভাৱে অশালীন মন্তব্য কৰাৰ প্ৰতিবাদত বিধায়কজনক গ্ৰেপ্তাৰ কৰিবলৈ এআইইউডিএফৰ জিলা সমিতিয়ে দাবী জনাইছে।

## জাপৰিগোগৰ হত্যাকাণ্ডত

*এক পৃষ্ঠাৰ পৰা* ভাড়াতীয়া ধৰণী ডেকা(৫৪)ই নৃশংসভাৱে হত্যা কৰি পত্নীসহ দিছপুৰ আৰক্ষী থানাত আত্মসমৰ্পণ কৰিছিল। ঘটনাৰ সংক্ৰান্তত দিছপুৰ আৰক্ষীয়ে ভাৰতীয় দণ্ড বিধি ১২০(বি) আৰু ৩০২ ধাৰাত ১১২৪/২০২২ নম্বৰত এক গোচৰ ৰুজু কৰি দুদিনৰ নিজৰ জিম্মাত ৰখাৰ মাজতে আজি ধৃত দম্পতীৰ কিশোৰ বৰপুত্ৰ তথা উচ্চতৰ মাধ্যমিকৰ প্ৰথম বৰ্ষৰ ছাত্ৰজনক ঘটনাৰ সন্দৰ্ভত সোধপোছ অব্যাহত ৰখা বুলি তদন্তকাৰী আৰক্ষীয়ে সদৰী কৰিছে। উল্লেখ্য যে মৃত বচাবৰুৱাৰ পৰিয়ালে এই হত্যাকাণ্ড ধৃত ডেকা দম্পতীৰ ড্ৰাগছ আসক্ত বৰপুত্ৰই সংঘটিত কৰা বুলি সন্দেহ প্ৰকাশ কৰিছিল আৰু সেই সন্দেহৰ ভিত্তিতে ডেকা দম্পতীৰ পুত্ৰক সোধপোছ কৰা হৈছে বুলি আৰক্ষীয়ে সদৰী কৰি আজি জালুকবাৰী থানাত পুত্ৰজন হাজিৰ হোৱাৰ পাছতে দিছপুৰ থানালৈ অনা হয় বুলি কয়।

## চিৰাঙৰ ভূটান সীমান্তত ডাইনী

*এক পৃষ্ঠাৰ পৰা* দিয়ে। পাছত আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ লোকজনক উদ্ধাৰ কৰে। সম্প্ৰতি লোকজন ৰুণিখাতা আৰক্ষী থানাতে আছে। আক্ৰমণ কৰা লোকসকল জনজাতীয় লোক আছিল আৰু বলি হোৱা লোকজন আদিবাসী উৰাই সম্প্ৰদায়ৰ। আৰক্ষীয়ে দুয়ো পক্ষৰ লোকৰ উপস্থিতিত আজি আৰক্ষী থানাত সজাগতা সভাৰ অনুষ্ঠিত কৰে। উল্লেখ্য যে ভূটান সীমান্তৰ অঞ্চলসমূহত দীৰ্ঘদিন ধৰি ডাইনীৰ সন্দেহত আক্ৰমণ তথা হত্যাকাণ্ড সংঘটিত হৈ আহিছে। অন্ধ বিশ্বাসৰ বলি হ'ল বিগত বৰ্ষত আইপোৱালী অঞ্চলত এক ডাইনীকাণ্ডৰ ঘটনা সংঘটিত হৈছিল যদিও আৰক্ষীৰ তৎপৰতাত পৰিয়ালটো ৰক্ষা পৰিছিল।

## কুটুবমিনাৰ খননৰ নিৰ্দেশ

*এক পৃষ্ঠাৰ পৰা* আৰু কে'বাজনো গৱেষকক লৈ চৌহদ পৰিদৰ্শন কৰে। প্ৰাপ্ত তথ্য অনুসৰি, মিনাৰৰ দক্ষিণ অংশত মছজিদৰ পৰা প্ৰায় ১৫ মিটাৰ নিলগত এই খনন আৰম্ভ হ'ব পাৰে। বিষয়াসকলে জনোৱা মতে, ১৯৯১ৰ পাছত চৌহদত কোনো ধৰণৰ খনন কাৰ্য হোৱা নাই। এএছআইৰ প্ৰাক্তন আঞ্চলিক সঞ্চালক ধৰ্মবীৰ শৰ্মাৰ এটা মন্তব্যক কেন্দ্ৰ কৰি বিতৰ্কৰ সূত্ৰপাত ঘটে। তেওঁ কৈছিল যে সূৰ্যৰ গতিবিধি পৰ্যবেক্ষণৰ বাবে এই মিনাৰ নিৰ্মাণ কৰাইছিল ৰজা বিক্ৰমাদিত্যই। কুটুবুদ্দিন আইবাকে নিৰ্মাণ কৰা নাছিল।

ইয়াৰ পূৰ্বে বিশ্ব হিন্দু পৰিষদৰ মুখপাত্ৰ বিনোদ বানছালে দাবী কৰিছিল যে কুটুবমিনাৰৰ প্ৰকৃত নাম বিষ্ণুস্তম্ভ। এই মিনাৰ নিৰ্মাণ কৰিবলৈ ব্যৱহাৰ কৰা হৈছিল ২৭টা হিন্দু আৰু জৈন মন্দিৰৰ ধ্বংসাৱশেষৰ পৰা লোৱা নিৰ্মাণ সামগ্ৰী। কুটুবমিনাৰৰ ভিতৰৰ পৰা ১২শ বছৰ পুৰণি নৃসিংহ, গণেশ, কৃষ্ণৰ মূৰ্তি উদ্ধাৰৰ পাছত মিনাৰৰ নাম সলনি কৰি বিষ্ণুস্তম্ভ কৰাৰ দাবীত হিন্দুত্ববাদী বিভিন্ন গোটে বিক্ষোভ প্ৰদৰ্শন কৰিছিল।

## তদাৰকী কোষৰ নামত ধন

*এক পৃষ্ঠাৰ পৰা* থানাৰ অন্তৰ্গত নিতাইপুখুৰীৰ গুনীন বৰাৰ পুত্ৰ প্ৰিন্স বৰা (২৩), ডিব্ৰুগড় গাভৰু পথাৰৰ ধৰ্মেশ্বৰ শইকীয়াৰ পুত্ৰ তথা মহানগৰীৰ গণেশগুৰিৰ পুণ্য এনক্লেভৰ বাসিন্দা সুৰেশ শইকীয়া (৪৮) আৰু ডিব্ৰুগড়ৰ পূব মিলন নগৰৰ শ্যামন্ত ফুকনৰ পুত্ৰ প্ৰত্যুষ ফুকন বুলি আৰক্ষীয়ে সদৰী কৰিছে। উল্লেখ্য যে ধৃত এই পাঁচোজন যুৱকে মুখ্যমন্ত্ৰী তদাৰকী কোষৰ নামত এজন ঠিকাদাৰক বিভিন্ন ভাবুকিৰে ধনদাবী কৰি আজি সেই ধন নিবলৈ আহিছিল। তেতিয়াই তদাৰকী কোষৰ আৰক্ষী অধীক্ষক ৰ'জী কলিতাৰ নেতৃত্বত যোৱা এটা দলে প্ৰৱঞ্চকৰ দলটোক আটক কৰি দিছপুৰ থানাত গতাই দিয়ে। ঘটনা সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষৰ আৰক্ষী অধীক্ষক কলিতাই সদৰী কৰা অনুসৰি, আজি মহানগৰীৰ চাহ নিলাম কেন্দ্ৰৰ চৌহদত থকা কেফেৰ পৰা প্ৰৱঞ্চকৰ দলটোক আটক কৰা হয়। উল্লেখ্য যে এই সমগ্ৰ ঘটনাৰ সন্দৰ্ভত কালি আৰক্ষীৰ সঞ্চালকপ্ৰধানৰ কাৰ্যালয়ে এক তথ্য লাভ কৰি মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষক অৱগত কৰিছিল। আজি ঠিকাদাৰজনৰ পৰা প্ৰৱঞ্চকৰ দলটোৱে দাবী কৰা পাঁচ লাখ টকা নিবলৈ আহিছিল আৰু তেতিয়াই আগৰে পৰা খাপ পিটি থকা আৰক্ষীৰ দলটোৱে চক্ৰটোক জালত পেলায়। ধৃত যুৱককেইজনৰ পৰা অভিযানকাৰী আৰক্ষীয়ে দুখন বিলাসী বাহন, দুটা ৰাকি টকী, কে'বাটাও ম'বাইল ফোন, বহু আপত্তিজনক তথ্য জব্দ কৰিছে বুলি দিছপুৰ আৰক্ষীৰ সহকাৰী আয়ুক্ত হিমাংশু দাসে সদৰী কৰিছে। সম্প্ৰতি অধিক তথ্যৰ সন্ধানত ধৃত যুৱককেইজনক জেৰা অব্যাহত ৰাখিছে আৰক্ষীয়ে।

## গাঁও জ্বলাই দিয়াৰ হুংকাৰ

*এক পৃষ্ঠাৰ পৰা* ইছলাম নামৰ এজন যুৱকে চাৰিঙীয়া গাঁৱৰ দীপেন দাসৰ ঘৰত ডকাইতিৰ উদ্দেশ্যে প্ৰৱেশ কৰি ধন, আ-অলংকাৰ লুট কৰাৰ সময়তে গৃহস্থ দীপেন দাস সাৰ পোৱাত তেওঁক চোকা অস্ত্ৰেৰে ঘপিয়াই হত্যা কৰাৰ লগতে পত্নী চুম্পী দাস আৰু পুত্ৰ প্ৰিয়মক ঘপিয়াই পলায়ন কৰে। এই আক্ৰমণত চুম্পী আৰু প্ৰিয়ম গুৰুতৰভাৱে আহত হয়। এই হত্যাকাণ্ডৰ লগত জড়িত মূল নাজিদুলয় হুছেইনক কালি গোলাঘাট ছহিদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়ৰ একাংশ চিকিৎসকে স্বাস্থ্যজনিত কাৰণত যোৰহাট চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰাৰ পাছত আজি চিকিৎসা মহাবিদ্যালয় কৰ্তৃপক্ষই নাজিদুৰক গোলাঘাট লৈ ওভতাই পঠিওৱাত ৰাইজৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ইফালে, অভিযুক্ত নাজিদুলক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি গোলাঘাট আৰক্ষী থানাৰ লকআপত ৰখাৰ সময়তে কালি লকআপৰ মজিয়াত পৰি মূৰত ফাটি গুৰুতৰভাৱে আহত হয়। অভিযুক্তক নাজিদুলৰ আৰক্ষীয়ে ততাতৈয়াকৈ গোলাঘাটৰ ছহিদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰে। নাজিদুলৰ চিকিৎসাধীন অৱস্থাত থকাৰ সময়তে যোৱা নিশা তেওঁৰ পৰিয়াললোকৰ লগতে একাংশ ৰাইজে চিকিৎসালয়খনত প্ৰৱেশ কৰি নাজিদুলক চিকিৎসা প্ৰদানত গাফিলতিৰ অভিযোগ তুলি চিঞৰ-বাখৰেৰে এক হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি কৰে। আনকি এইসকলৰ একাংশই চিকিৎসালয়খনত কৰ্মৰত জিএনএম নাৰ্ছ ৰিতুমনি লয়িঙক গতিয়াই প্ৰহাৰ কৰিবলৈ উদ্যত হয় যদিও নাৰ্ছ গৰাকীয়ে কোনোমতে নিজকে বচাবলৈ সক্ষম হয়। উল্লেখ্য যে সেই মুহূৰ্তত পৰিস্থিতি ইমানেই উত্তপ্ত হৈ পৰে যে অভিযুক্ত নাজিদুলৰ পৰিয়াল আৰু একাংশই অভিযুক্তৰ পক্ষত অৱস্থান কৰি চিঞৰি চিঞৰি কয়, 'আমি বহুত সহ্য কৰিলো, আৰু সহ্য কৰা নহ'ব। আইনে নাজিদুলক ফাঁচী দিয়ে, যাৱজ্জীৱন কাৰাদণ্ড দিয়ে দিব। সেয়া ন্যায়ালয়ৰ কথা। কিন্তু আৰক্ষীৰ হাতত নাজিদুলক মৰিবলৈ দিয়া নহ'ব। নাজিদুলৰ কিবা হ'লে গাঁও জ্বলাই দিয়াৰো হুংকাৰ দিয়ে তেওঁলোকে। আনহাতে, আজি চৰকাৰী চিকিৎসালয়খনত কৰ্মৰত নাৰ্ছক শাৰীৰিকভাৱে অপদস্থ কৰা ঘটনাৰ সন্দৰ্ভত ছহিদ কুশল কোঁৱৰ অসামৰিক চিকিৎসায় কৰ্তৃপক্ষই গোলাঘাট সদৰ আৰক্ষী থানাত এক গোচৰ দাখিল কৰিছে। ইফালে, আৰক্ষীৰ ৰহস্যজনক ভূমিকাক লৈ এতিয়া সৰৱ চৰ্চা চলিব ধৰিছে ৰাইজৰ মাজত। ৰাইজৰ অভিযোগ যিদিনা নাজিদুলে দীপেন দাসক হত্যা কৰি নিজৰ ঘৰত সোমাই আত্মগোপন কৰি আছিল সেই সময়ত আৰক্ষীয়ে নাজিদুলৰ ঘৰত অন্যলোকৰ প্ৰৱেশ নিষিদ্ধ কৰিছিল। কিন্তু যোৱা নিশা একেখিনি আৰক্ষীয়ে গোলাঘাটৰ ছহিদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়ত নাজিদুলৰ চিকিৎসাধীন অৱস্থাত থকাৰ সময়ত কেনেকৈ নাজিদুলৰ পৰিয়ালৰ লগতে একাংশ লোক মুকলিকৈ প্ৰৱেশ কৰি হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি কৰিবলৈ সুবিধা পালে তাক লৈ প্ৰশ্ন উত্থাপন কৰিছে ৰাইজে। আনহাতে, গোলাঘাটৰ ছহিদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়ৰ চিকিৎসকৰ বিৰুদ্ধে ৰাইজে অভিযোগ উত্থাপন কৰিছে। গোলাঘাটৰ চিকিৎসকে অভিযুক্ত নাজিদুল উচ্চ ৰক্তচাপকে ধৰি বিভিন্ন ৰোগত আক্ৰান্ত হোৱাৰ অজুহাতত কালি উন্নত চিকিৎসাৰ বাবে যোৰহাট চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে। কিন্তু যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ চিকিৎসকে আজি নাজিদুলৰ গাত কোনো কোনো ৰোগৰ লক্ষণ নাই বুলি উল্লেখ কৰি গোলাঘাটলৈ ঘূৰাই পঠিয়াই। গোলাঘাটৰ চিকিৎসকৰ এনে ভূমিকাক লৈয়ো ৰাইজৰ মাজত সৰৱ চৰ্চা হৈছে। ইফালে, গাঁও জ্বলাই দিয়াৰ হুমুকি দিয়াৰ লগতে গোলাঘাট অসমাৰিক চিকিৎসাদয়ত উদভণ্ডালী কৰা নাজিদুলৰ ভ্ৰাতৃ তথা পৰিয়ালৰ বিৰুদ্ধে গোলাঘাট আৰক্ষী থানাত পল্লৱ শইকীয়া নামৰ এজন যুৱকে এজাহাৰ দাখিল কৰিছে।

## আঠখেলীয়াৰ ডকাইতিকাণ্ডত আহত

*এক পৃষ্ঠাৰ পৰা* দুই বজাত একে চুবুৰিৰে দিব্যজ্যোতি দাসক হত্যা কৰাৰ লগতে তেওঁৰ পত্নী আৰু পুত্ৰক প্ৰাণ নাশৰ চেষ্টা চলাইছিল। পাছত সংকটজনক অৱস্থাত পত্নী চুম্পি দাস আৰু পুত্ৰ প্ৰিয়মক গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰোৱা হয়। পাছত দুয়োকে জিএনআৰচিত ভৰ্তি কৰোৱা হয়। পৰিয়ালৰ সূত্ৰ অনুসৰি চুম্পি আৰু প্ৰিয়মৰ আজি স্বাস্থ্যৰ অৱস্থা উন্নত হোৱাত পাতলিয়া আহাৰ গ্ৰহণ কৰিছে। আনহাতে, মাতৃ-পুত্ৰৰ আৰোগ্যৰ বাবে অঞ্চলটোৰ ৰাইজে আঠখেলীয়া নামঘৰত শৰাই আগবঢ়াইছে।

## আইন বহিৰ্ভূতভাৱে গুলি নচলাবলৈ

*এক পৃষ্ঠাৰ পৰা* গুলিচালনা, কন্দুৱা গেছ প্ৰয়োগ আদিৰ ব্যৱস্থা গ্ৰহণ কৰিছিল। তাৰ বিপৰীতে কালি আৰক্ষী একপ্ৰকাৰ নিষ্ক্ৰিয় হৈ থাকে। আনকি সতীৰ্থক যি সময়ত বহু লোকে ঘেৰি ধৰি মাৰধৰ কৰিছিল সেই সময়তো আৰক্ষীয়ে কোনো কঠোৰ পদক্ষেপ হাতত নল'লে। এই সন্দৰ্ভত অসম চৰকাৰৰ গৃহ বিভাগৰ এক সূত্ৰই সদৰী কৰে যে ৰাইজৰ বিৰুদ্ধে পাৰ্যমানে কঠোৰ ব্যৱস্থা গ্ৰহণৰ পৰা বিৰত থাকিবলৈ শেহতীয়াকৈ আৰক্ষীক নিৰ্দেশ দিয়া হৈছে। সমান্তৰালভাৱে জিলা প্ৰশাসনকো শেহতীয়াকৈ কেতবোৰ নিৰ্দেশনা দিছে ৰাজ্য চৰকাৰে। উপায়ুক্তসকলক দিয়া নিৰ্দেশ অনুসৰি যদি আৰক্ষীয়ে কোনো কাৰণত গুলিচালনা কৰে, তেন্তে ঘটনা সংঘটিত হোৱা জিলাৰ উপায়ুক্তই শীঘ্ৰে তাৰ দণ্ডাধীশ পৰ্যায়ৰ তদন্ত ঘোষণা কৰিব লাগিব। তদুপৰি তদন্ত এক নিৰ্দিষ্ট সময়ৰ ভিতৰত সম্পূৰ্ণ কৰিব লাগিব। তদন্তৰ সময়ত উদ্ধাৰ কৰা তথ্য আইনসংগতভাৱে সংৰক্ষিত কৰিব লাগিব বুলিও উপায়ুক্তসকলক নিৰ্দেশ দিয়া হৈছে। একে সময়তে আৰক্ষী অধীক্ষকসকলক নিৰ্দেশ দিয়া হৈছে যে আৰক্ষীয়ে পাৰ্যমানে গুলিচালনাৰ ঘটনা এৰাই চলিব লাগিব। আনকি লাঠিচালনাও একেবাৰে এৰাব নোৱাৰা পৰ্যায়তহে কৰিব লাগিব। শেহতীয়াকৈ দুলীয়াজানত অসম আৰক্ষীৰ যি বৈঠক অনুষ্ঠিত হয়, তাত এই বিষয়বোৰ বিতংকৈ আলোচনা কৰা হয়। সেই আলোচনাৰ ভিত্তিত শেহতীয়াকৈ ৰাজ্যৰ গৃহ বিভাগে আৰক্ষী অধীক্ষকসকলক উক্ত নিৰ্দেশনা দিয়ে। গুলিচালনাৰ ক্ষেত্ৰত সম্পূৰ্ণৰূপে আইনৰ আওতাৰ ভিতৰত আৰক্ষী থাকিব লাগিব বুলিও নিৰ্দেশনাটোত স্পষ্ট কৰি দিয়া হৈছে।

জিলাসমূহৰ স্পৰ্শকাতৰ অঞ্চলসমূহ নিয়মীয়াকৈ পুনৰীক্ষণ কৰাৰো নিৰ্দেশ দিয়া হৈছে। তেনে পুনৰীক্ষণৰ ভিত্তিত আৰক্ষীয়ে চিনাক্ত কৰা অঞ্চলবোৰত ক্ষিপ্ৰতাৰে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।

## ৰাজ্যত নাৰীৰ বিৰুদ্ধে অপৰাধ দুগুণ বৃদ্ধি

*এক পৃষ্ঠাৰ পৰা* অপৰাধৰ ক্ষেত্ৰত শীৰ্ষস্থান দখল কৰা তথা ২০২০ৰ এই অপৰাধৰ সংখ্যাক চেৰ পেলাই ২০২১ৰ পহিলা জানুৱাৰীৰ পৰা ৩১ ডিচেম্বৰলৈ ৰাজ্যত অভিলেখ সংখ্যক নাৰীজনিত অপৰাধ সংঘটিত হোৱাৰ তথ্য অসম আৰক্ষীৰ বছৰেকীয়া প্ৰতিবেদনত পোহৰলৈ আহিছে। অসম আৰক্ষীৰ এক শীৰ্ষ সূত্ৰই সদৰী কৰা তথ্য অনুসৰি, ২০২০ৰ তুলনাত ২০২১ত ৰাজ্যত ধৰ্ষণ আৰু নাৰী-যুৱতী অপহৰণৰ ঘটনা দুগুণ বৃদ্ধি পাইছে। একেদৰে বিগত বৰ্ষত ৰাজ্যত নাৰী সৰবৰাহৰ ঘটনা চাৰিগুণলৈ বৃদ্ধি পায়। ইয়াৰ উপৰি যৌতুকজনিত হত্যা, স্বামীৰ দ্বাৰা নিৰ্যাতনৰ ঘটনাও পূৰ্বৰ তুলনাত বৃদ্ধি পায় বুলি তথ্য দাঙি ধৰি সূত্ৰটোৱে কয়, '২০২০ত ৰাজ্যত ১,৭৩৬টা ধৰ্ষণৰ ঘটনা সংঘটিত হৈছিল আৰু ২০২১ত এই ঘটনা ৩,৭৪৭ টালৈ বৃদ্ধি পালে। একেদৰে ২০২০ত ৰাজ্যখনত ৪,৭৯২টা নাৰী-যুৱতী অপহৰণৰ ঘটনা সংঘটিত হৈছিল যদিও এই অপৰাধ ২০২১ত ৭,৬৯১টালৈ বৃদ্ধি পায়। ২০২০ৰ ৫৩ টা নাৰী সৰবৰাহৰ বিপৰীতে ২০২১ত ২১৮টা, ১২৪টা যৌতুকজনিত হত্যাৰ বিপৰীতে বিগত বৰ্ষত ১৩৫টালৈ বৃদ্ধি পায়। ইয়াৰ উপৰি ২০২০ত ৰাজ্যত ১১,৩৮৯টা স্বামীৰ দ্বাৰা নিৰ্যাতনৰ ঘটনা পোহৰলৈ আহিছিল আৰু বিগত বৰ্ষত এই ঘটনা ১৪,৪৫২টালৈ বৃদ্ধি পালে।' সূত্ৰত প্ৰকাশ যে বিজেপি চৰকাৰৰ কাৰ্যকালত অৰ্থাৎ ২০১৬ৰ পহিলা জানুৱাৰীৰ পৰা ২০২১ৰ ৩১ ডিচেম্বৰলৈ ধৰ্ষণ, সৰবৰাহ, যৌতুকজনিক মৃত্যু, স্বামীৰ দ্বাৰা নিৰ্যাতন আৰু নাৰী-যুৱতী অপহৰণৰ ১,২০,৯২৬ টা অপৰাধ সংঘটিত হৈছে। তথ্য অনুসৰি, যোৱা ছবছৰত ৰাজ্যত ১২,৮৩১টা ধৰ্ষণ, ৫৩৪ টা নাৰী সৰবৰাহ, ৮৯৭টা যৌতুকজনিত মৃত্যু আৰু ৩৫,৬০৩টা নাৰী অপহৰণৰ ঘটনা সংঘটিত হৈছে। উল্লেখ্য যে এই ছটা বছৰত ৰাজ্যত অভিলেখ সংখ্যক ৭১,০৬১টা স্বামীৰ দ্বাৰা নিৰ্যাতনৰ ঘটনা সংঘটিত হৈছে বুলি আৰক্ষী সূত্ৰই সদৰী কৰি নাৰীজনিত অপৰাধৰ গ্ৰাফডাল প্ৰতিবছৰে উচ্চ স্তৰলৈ গতি কৰিছে বুলি আঙুলিয়াই দিয়ে। ফলস্বৰূপে চলিত বৰ্ষতো মহিলা অপৰাধৰ ক্ষেত্ৰত অসমে দেশৰ ভিতৰতে শীৰ্ষস্থান দখল কৰাৰ সম্ভাৱনা ব্যক্ত কৰে আৰক্ষী সূত্ৰটোৱে।

## বটদ্ৰৱাই দেখুৱালে অসমৰ পৰিৱেশ

*এক পৃষ্ঠাৰ পৰা* ইয়াৰ লগত জড়িতসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা ল'ম। আমাৰ চৰকাৰ থকা দিনটোলৈকে আমি এই ধৰণৰ কামক কেতিয়াও ক্ষমা নকৰো। কঠোৰ হাতেৰে আমি দমন কৰিম।' মুখ্যমন্ত্ৰীয়ে লগতে কয় যে বটদ্ৰৱাৰ বহু ভূমিত বেদখল হৈছে। তেওঁ ইতিমধ্যে নগাঁৱৰ উপায়ুক্তক বটদ্ৰৱাৰ আশে-পাশে বেদখল হৈ থকা ভূমিৰ তথ্য উলিয়াবলৈ নিৰ্দেশ দিছে। তাৰ লগতে কোনবোৰ শক্তিয়ে শান্তি, নিৰাপত্তা বিঘ্নিত কৰিছে সেইবোৰক চিনাক্ত কৰি উচ্ছেদ আৰু আইনসংগত ব্যৱস্থা গ্ৰহণ কৰিবলৈ জিলা প্ৰশাসনৰ লগতে আৰক্ষী অধীক্ষককো নিৰ্দেশ দিছে।

কাইলৈ অসমলৈ উভতি যাবলগীয়া মুখ্যমন্ত্ৰীয়ে আজি কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰী নীতিন গাডকাৰি আৰু ৰেলমন্ত্ৰী অশ্বিনী বৈষ্ণৱক সাক্ষাৎ কৰে। মন্ত্ৰী দুজনক সাক্ষাৎ কৰি মুখ্যমন্ত্ৰীয়ে ডিমা হাছাও আৰু বৰাকত বান আৰু ভূমিস্খলনে যোগাযোগ ব্যৱস্থাত যি ক্ষতিসাধন কৰে সেই বিষয়ে অৱগত কৰি অতি শীঘ্ৰে পূৰ্বৰ পৰিৱেশ ঘূৰাই অনাৰ আহ্বান জনায়। এই সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে কয়, 'মোক ৰাষ্ট্ৰীয় পথ পৰিবহণ মন্ত্ৰীয়ে জনোৱা মতে যিমান সোনকালে সম্ভৱ পথ যোগাযোগ ব্যৱস্থা স্বাভাৱিক কৰিব মাইবং-হাৰাংগাজাও পথটো পুনৰ নিৰ্মাণ কৰা হ'ব।' প্ৰসংগক্ৰমে মুখ্যমন্ত্ৰীয়ে জনায় যে ডিমা হাছাওত পেট্ৰ'ল আৰু ডিজেলৰ যথেষ্ট নাটনি হৈছে। তাক দূৰ কৰাৰ বাবে ভাৰতীয় তেল নিগম আৰু অন্যান্য সংস্থাবোৰে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। আজিও বিমানযোগে ছয় হেজাৰ লিটাৰ পেট্ৰ'ল বিমানযোগে অঞ্চলটোক যোগান ধৰা হৈছে।

শেহতীয়াকৈ গুৱাহাটীৰ শিল সাঁকো বিলত হোৱা উচ্ছেদক লৈয়ো মন্তব্য কৰে মুখ্যমন্ত্ৰীয়ে। তেওঁ কয় যে গুৱাহাটীত বানপানী হ'লেও গালি পাৰে আৰু শিল সাঁকোত উচ্ছেদ হ'লেও গালি পাৰে। গুৱাহাটীৰ পানী শিল সাঁকো বিললৈ বোৱাই নিবই লাগিব। যদি গুৱাহাটীৰ লোকে পানী বিললৈ বোৱাই নিব নালাগে আৰু তেওঁলোক কৃত্ৰিম বানৰ মাজতে থাকিব বুলি জনাই দিয়ে তেনেহ'লে উচ্ছেদ চলোৱা নহয়। মুখ্যমন্ত্ৰী শৰ্মাই স্পষ্ট কৰি দিয়ে যে বিলখনৰ পৰা উচ্ছেদ কৰা যিসকল প্ৰকৃততে ভূমিহীন লোক তথা যাৰ কোনো স্থানত ভূমি নাই সেইসকলক ক্ষতিপূৰণ দি পুনৰ সংস্থাপন দিয়াৰ দায়িত্ব চৰকাৰে পালন কৰিব। ইপিনে, অহা মাহত অনুষ্ঠিত হ'বলগীয়া কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনৰ প্ৰচাৰৰ বাবে অহা ৩০ মে'ৰ পাছত পাহাৰীয়া জিলাখনলৈ যাব বুলি তেওঁ সদৰী কৰে।

## বৈষম্যৰ পাহাৰ

*এক পৃষ্ঠাৰ পৰা* তলৰ শাৰীত অৱস্থান কৰিছে; অথচ ৰাষ্ট্ৰীয় আয়ৰ পাঁচৰ পৰা সাত শতাংশ লাভ কৰে মাত্ৰ এক শতাংশই। আয়ৰ ব্যৱধানে এনে গুৰুতৰ ৰূপ লৈছে যে প্ৰতিমাহে মাত্ৰ ২৫ হেজাৰ টকা উপাৰ্জন কৰা সকলো দেশৰ শীৰ্ষ ১০ শতাংশৰ অন্তৰ্ভুক্ত হৈছে; যিটো দেশৰ মুঠ আয়ৰ ৩০ৰ পৰা ৩৫ শতাংশ। আনহাতে, জনসংখ্যাৰ ১৫ শতাংশই মাহিলী পাঁচ হেজাৰ অথবা তাতকৈও কম টকা উপাৰ্জন কৰে। ইতিমধ্যে দেশবাসীয়ে প্ৰতিদিনে প্ৰত্যক্ষ কৰি অহাৰ দৰে শীৰ্ষৰ এক শতাংশৰ উপাৰ্জন তীব্ৰ গতিত ঊৰ্ধ্বমুখী হোৱাৰ বিপৰীতে তলৰ ১০ শতাংশৰ উপাৰ্জন সংকুচিত হৈ আহিছে বুলি প্ৰতিবেদনত প্ৰকাশ কৰা হৈছে। দুৰ্ভাগ্যজনক এয়ে যে যদিও দেশৰ গৰিষ্ঠসংখ্যক লোক গ্ৰামাঞ্চলত বাস কৰে, নগৰাঞ্চলৰ স'তে তেওঁলোকৰ বৈষম্য আৰু অধিক ভয়াৱহ। 'ভাৰতত বৈষম্যৰ শেহতীয়া স্থিতি' শীৰ্ষক প্ৰতিবেদনত লগতে কোৱা হৈছে যে এখন দেশৰ দৰিদ্ৰৰ সংখ্যাই ইয়াৰ সামাজিক বিকাশৰ স্থিতি দাঙি ধৰে। দেশবাসীৰ জীৱন ধাৰণৰ মানে ইয়াৰ আৰ্থিক বৈষম্য তথা দাৰিদ্ৰৰ ছবি প্ৰকট কৰা হেতুকে প্ৰতিটো পৰিয়ালৰ অৱস্থাৰ জৰীপৰ পোষকতা কৰা হৈছে। লগতে বৈষম্য, দৰিদ্ৰতা আৰু নিয়োজনৰ বাবে ৰূপায়ণ কৰি অহা নীতিসমূহ অধিক গতিশীল আৰু উন্নত কৰাৰ প্ৰয়োজন আছে বুলি পৰামৰ্শ আগবঢ়োৱা হৈছে। ইয়াৰ উপৰি নগৰাঞ্চলতো এম জি এনৰেগা ৰূপায়ণ তথা সকলো নাগৰিকক চৰকাৰৰ তৰফৰ পৰা এক নিৰ্ধাৰিত বিত্তীয় অনুদান প্ৰদানৰ সাৰ্বজনীন মৌলিক উপাৰ্জন নীতি বলৱতৰো পোষকতা কৰিছে উক্ত প্ৰতিবেদনে।

এনে এখন প্ৰতিবেদনে যে ভাৰত চৰকাৰৰ বহুল প্ৰচাৰিত অৰ্থনৈতিক পদক্ষেপসমূহৰ অন্তঃসাৰশূন্যতাকে উদঙাই দিছে তাক অস্বীকাৰ কৰাৰ উপায় নাই। সমাজৰ একেবাৰে তলৰ লোকজনৰো উন্নয়নৰ বাবে কাম কৰাৰ সংকল্প ঘোষণা কৰি অহা হৈছে যদিও কাৰ্যত যে এনেবোৰ মৌলিক বিষয়ত কোনো পদক্ষেপ গ্ৰহণ কৰা হোৱা নাই সেয়া স্পষ্ট। বৰঞ্চ বৈষম্য দৃঢ় হোৱাৰ ক্ষেত্ৰত চৰকাৰী নীতিসমূহে অধিক অৰিহণাহে যোগাইছে। এই সময়ছোৱাত কেনেদৰে মাত্ৰ কেইজনমান পুঁজিপতিৰ ধন-সম্পদ আকাশলংঘী হৈছে সেয়া দেশবাসীৰ সমুখত জল্‌জল্ পট্‌পট্ হৈ আছে। দৰাচলতে শাসকীয় ৰথী-মহাৰথী আৰু তেওঁলোকৰ মোচাহেবসকলৰ দৃষ্টিত এতিয়া চৌদিশে বিকাশৰ জোৱাৰ উঠিছে; কিয়নো তেওঁলোকৰ প্ৰিয়পাত্ৰসকলৰ দোপতদোপে উন্নতি হৈছে। এই মুষ্টিমেয় এচামৰ অভূতপূৰ্ব উন্নতিয়ে দেশবাসীৰ উন্নতিক প্ৰতিফলিত কৰিছে বুলি তেওঁলোকে ধাৰণা কৰি লৈছে আৰু বিকাশৰ জয়গান গাইছে; অথচ প্ৰকৃত ছবি প্ৰকাশ পাইছে স্বয়ং প্ৰধানমন্ত্ৰীৰ উপদেষ্টা পৰিষদৰ প্ৰতিবেদনতে। দেশত দীৰ্ঘদিনীয়া ব্যৰ্থ শাসনৰ প্ৰতীকৰূপে প্ৰধানমন্ত্ৰী মোদীয়ে সংসদত উপহাস কৰা মহাত্মা গান্ধী গ্ৰাম্য নিশ্চিতিকৰণ আইন (এম জি এনৰেগা) এতিয়া তেওঁৰ চৰকাৰেই পৰিস্থিতিৰ তাগিদাত নগৰাঞ্চলতো ৰূপায়ণৰ বাবে তৎপৰ হ'বলগীয়া হৈছে। গ্ৰামাঞ্চলৰ নিবনুৱাক এশদিনৰ কৰ্মসংস্থাপন প্ৰদানৰ আইন নগৰাঞ্চলতো ৰূপায়ণ কৰিবলগীয়া হোৱাটোৱে নিশ্চয় আৰ্থিক বিকাশৰ সাফল্য দাঙি ধৰা নাই।

ঘোলা পানীত মাছ ধৰাৰ সুযোগ গ্ৰহণৰ বাবে যে ভাৰতীয় ৰাজনৈতিক দলবোৰ সদা তৎপৰ সেয়া পূৰ্বৰে পৰা সকলোৱে দেখি আহিছে। সেই বাবেই মৌলিক সমস্যাসমূহ মষিমূৰ কৰাৰ সলনি সেইবোৰ বিভিন্ন সাৰ-পানী দি জীয়াই ৰাখি পৰিৱেশ অস্থিৰ কৰি ৰখাটোহে দলবোৰৰ লক্ষ্য, কাৰণ অস্থিৰ পৰিৱেশত ৰাজনৈতিক মুনাফা আদায়ৰ সুযোগ বেছি। সেই বাবেই দেশত দৰিদ্ৰতা নিৰ্মূলৰ শ্ল'গান দি অহা হৈছে; কিন্তু তাক ৰূপায়ণ কৰাৰ বিপৰীতে কৌশলেৰে সমস্যা অধিক গভীৰ কৰি তোলা হৈছে। তাৰ পাছত বেজ হোৱাৰ ভাও ধৰি হিতাধিকাৰী ব্যৱস্থা গঢ়ি তোলা হৈছে। সম্প্ৰতি হিতাধিকাৰী ব্যৱস্থা অধিকাংশ ৰাজনৈতিক দল তথা কি কেন্দ্ৰ, কি ৰাজ্য সকলো চৰকাৰৰে অগ্ৰাধিকাৰত পৰিণত হৈছে। ইয়াৰ জৰিয়তে জনতাক কেৱল ভোটদান কৰা যন্ত্ৰত পৰিণত কৰি তোলা হৈছে। সংস্থাপনকে ধৰি জীৱন ধাৰণৰ উপযুক্ত পৰিৱেশ গঢ়ি তোলাৰ পৰিৱৰ্তে নাগৰিকসকলক চৰকাৰৰ মুখাপেক্ষী কৰি তোলা হৈছে। ক্ষমতাসীনসকলে চাবি পকাইছে আৰু পুতলাৰূপী জনগণে সেই মতে ভিক্ষাৰ পাত্ৰ লৈ নৃত্য কৰিছে।

সম্প্ৰতি দেশত মুদ্ৰাস্ফীতিয়ে পুৰণি অভিলেখ ভংগ কৰিছে। ডলাৰৰ বিপৰীতে ভাৰতীয় টকাৰ মূল্যৰ সৰ্বকালৰ সৰ্বাধিক পতন ঘটিছে। দিনে দিনে কৰ্মসংস্থাপনহীনৰ সংখ্যা দ্ৰুতগতিত বৃদ্ধি হৈছে। প্ৰতিটো সামগ্ৰীৰ মূল্য অভাৱনীয় হাৰত বৃদ্ধি পাইছে। দীৰ্ঘদিনৰ মাধমাৰৰ অন্তত শনিবাৰে পেট্ৰ'ল আৰু ডিজেলৰ শুল্ক হ্ৰাস কৰা হৈছে যদিও সি এতিয়াও দুৰ্মূল্য হৈয়ে আছে। এই কথাৰ ব্যাখ্যা নিষ্প্ৰয়োজন যে এনে পৰিস্থিতিয়ে আৰ্থিক ক্ষেত্ৰত ইতিমধ্যে দুৰ্বিষহ হৈ পৰা জনজীৱনক অধিক ক্ষতিগ্ৰস্ত কৰিব। চৰকাৰে কেতিয়াবা ক'ভিড, কেতিয়াবা ইউক্ৰেইন-ৰাছিয়া যুদ্ধ আদিৰ অজুহাত দি আহিছে যদিও দেশবাসীয়ে কেৱল বোজাই মূৰ পাতি ল'বলগীয়া হৈ আহিছে। অথচ শাসক পক্ষই এনে মৌলিক সমস্যাসমূহ জনচক্ষুৰ পৰা আঁতৰাই ৰাখিবলৈ নিত্য নতুন অবাঞ্চিত বিতৰ্কৰ সূত্ৰপাত ঘটাই আহিছে। গুৰুজনাই কৈ গৈছে— আগতে চাউলকঠা তাৰ পাছতহে হৰিকথা; কিন্তু শাসক পক্ষই তাৰ ওলোটাটোহে কৰিবলৈ লৈছে। ফলত দেশবাসীৰ দুৰ্ভোগ বাঢ়িছে।

এনে দুৰ্যোগৰ সময়ত সবাতোকৈ দুৰ্ভাগ্যজনক কথা হৈছে— শক্তিশালী বিৰোধীৰ অভাৱ। কেন্দ্ৰ আৰু বিজেপি শাসিত ৰাজ্যসমূহ একদিশে পৰিচালিত হৈছে। অ-বিজেপি শাসিত ৰাজ্যসমূহৰ চৰকাৰেও হিতাধিকাৰী ব্যৱস্থাকে আঁকোৱালি লৈছে। ইয়াৰ বিপৰীতে কংগ্ৰেছে ৰাহুল গান্ধীয়েনো কেতিয়া দলৰ নেতৃত্ব ল'ব তাৰেই অপেক্ষাত সময় ব্যয় কৰিছে। ফলস্বৰূপে দেশৰ সাম্প্ৰতিক পৰিৱেশ যিয়েই নহওক, মোদীৰ নেতৃত্বত কিন্তু বিজেপিয়ে একদলীয় শাসনৰ দিশে অগ্ৰসৰ হৈছে। যদিও এয়া প্ৰধানমন্ত্ৰী মোদীৰ দ্বিতীয়টো কাৰ্যকালহে, তথাপি ইংগিত কিন্তু তাৰেই পৰিলক্ষিত হয়। সাম্প্ৰতিক পৰিস্থিতিত ২০২৪ পৰ্যন্ত বিজেপি বিৰোধী শক্তিৰ উত্থানৰ সম্ভাৱনা ক্ষীণ যেনেই ধাৰণা হয়; কিয়নো বিভিন্ন ৰাজ্যত অ-বিজেপি আঞ্চলিক দল ক্ষমতাধিষ্ঠিত হৈ আছে যদিও পশ্চিমবংগত মমতা বেনাৰ্জীক বাদ দি আনবোৰ দলে প্ৰত্যক্ষভাৱে বিজেপি তথা মোদীক প্ৰত্যাহ্বান জনোৱা নাই নিজস্ব ৰাজনৈতিক বাধ্যবাধকতাৰ বাবেই। তদুপৰি তেনে অধিকাংশ ৰাজ্যতে বিজেপিয়ে ইতিমধ্যে শাসক দলৰ মূল প্ৰতিদ্বন্দ্বীৰূপে অৱতীৰ্ণ হৈ দ্বিতীয় স্থান অধিকাৰ কৰি লৈছে। আনহাতে, নিজ নিজ ৰাজনৈতিক কাৰণতে আঞ্চলিক দলসমূহ একত্ৰিত হৈ মোদীৰ বিকল্প শক্তিৰূপে আত্মপ্ৰকাশ কৰাৰো কোনো সম্ভাৱনা পৰিলক্ষিত হোৱা নাই। দিনে দিনে ক্ষয়প্ৰাপ্ত হোৱা কংগ্ৰেছে তেনে বিকল্প হ'ব বুলিও দেশবাসীয়ে আশা কৰা নাই। গতিকে মোদীৰ নেতৃত্ব আৰু ক্ৰমবৰ্ধমান দলীয় সাংগঠনিক শক্তিৰে বিজেপি অগ্ৰসৰ হৈছে— যেনেদৰে জৱাহৰলাল নেহৰু আৰু ইন্দিৰা গান্ধীৰ নেতৃত্বত কংগ্ৰেছ অগ্ৰসৰ হৈছিল। এনে পৰিপ্ৰেক্ষিতত আগন্তুক দিনতো আৰ্থিক বৈষম্য অথবা দৰিদ্ৰতা নিৰ্মূলৰ ক্ষেত্ৰত চৰকাৰৰ নীতিৰ কোনো সংশোধন আশা কৰিব নোৱাৰি।

*ফোন ঃ ৯৪৩৫০১০৬৭৩*